


দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 189 ত্ৰিবিংশ বছৰ, সংখ্যা- ১৮৯, ৮ জুন, সোমবাৰ, ২০২৬, ২৪ জেঠ, ১৯৪৮ শক, BATORI KAKOT, Monday, 8 June, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




## ৰাজ্য চৰকাৰৰ ২ লাখ চৰকাৰী চাকৰিৰ বাবে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** ৰাজ্য চৰকাৰে নিৰ্বাচনৰ প্ৰচাৰত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২ লাখ চৰকাৰী চাকৰি সৃষ্টিৰ বাবে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ কৰিছে। সেই অনুসৰি ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে সকলো প্ৰশাসনিক বিভাগৰ জ্যেষ্ঠ সচিবলৈ পত্ৰ প্ৰেৰণ কৰি খালী থকা পদৰ বিতং তথ্য ১৭ জুনৰ ভিতৰত দাখিল কৰিবলৈ নিৰ্দেশ দিছে। নতুন ৰাজ্য চৰকাৰে প্ৰথমখন কেবিনেট বৈঠকতে অহা ৫ বছৰত ■ এঘাৰ পৃষ্ঠাত

## ৫০০ কোটি টকাৰে দ্বিতীয় ৰাজধানী বনাব ডিব্ৰুগড়ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** ড° হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পিছত সন্ধিয়া অনুষ্ঠিত কেবিনেট বৈঠকে ডিব্ৰুগড়বাসীৰ বাবে দিছে এক সুখবৰ। ১২জনকৈ মন্ত্ৰীৰ নিযুক্তিৰে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱাৰ পিছতেই অনুষ্ঠিত কেবিনেটে গ্ৰহণ কৰিলে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত অনুষ্ঠিত এই কেবিনেট বৈঠকতে ৰাজ্যখনৰ দ্বিতীয়খন ৰাজধানীৰ প্ৰসাৰ কাৰ্যত দিশদৰ্শন কৰিবলৈ এক সুকীয়া উন্নয়ন প্ৰাধিকৰণ গঠনৰ বাবে অনুমোদন জনায়। নতুন মন্ত্ৰী ■ এঘাৰ পৃষ্ঠাত

### ১৬ গৰাকীলৈ দায়িত্ব প্ৰদান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

# ৰাজ্যৰ নৱ নিযুক্ত মন্ত্ৰীসকলক জিলাসমূহৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব অৰ্পন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** ৰাজ্যৰ নৱ নিযুক্ত মন্ত্ৰীসকলক জিলাসমূহৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব অৰ্পন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি ৰামেশ্বৰ টেলীক তিনিচুকীয়া আৰু যোৰহাট, অতুল বৰাক কামৰূপ মহানগৰ আৰু ধেমাজি, চৰণ বড়োক কোকৰাঝাৰ, বাক্সা, চিৰাং, অজন্তা নেওগক মৰিগাওঁ, কামৰূপ আৰু অশ্বিনী ৰায় চৰকাৰক বঙাইগাওঁ আৰু বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। একেদৰে অশোক সিংহলক দৰং, ধুবুৰী, বিমল বৰাক শিৱসাগৰ, চৰাইদেউ, বিশ্বজিৎ দৈমাৰীক নলবাৰী, শোণিতপুৰ, জয়ন্ত মল্ল বৰুৱাক তামুলপুৰ, গোৱালপাৰা আৰু কৌশিক ৰায়ক শ্ৰীভূমি তথা হাইলাকান্দি জিলাৰ দায়িত্ব দিয়া হৈছে। ইপিনে, মন্ত্ৰী কেশৱ মহন্তক দক্ষিণ শালমাৰা মানকাচৰ আৰু উত্তৰ লখিমপুৰ, কৃষ্ণেন্দু পালক ডিমা হাচাও, কাচাৰ, নিলীমা দেৱীক বজালী, ওদালগুৰি, পীযুষ হাজৰিকাক নগাওঁ, ■ এঘাৰ পৃষ্ঠাত



### ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ

## ৰাজ্যত ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে বিভিন্ন জিলাৰ প্ৰস্তুতি সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** ৰাজ্যত ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে বিভিন্ন জিলাৰ প্ৰস্তুতি সম্পন্ন ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে বিভিন্ন জিলাত যাবতীয় কাম-কাজ চলি আছে। কামৰূপ জিলাতো লোকপিয়লৰ বাবে ১৩ টা এলেকা গঠন কৰি কাম কৰি থকা হৈছে। মুখ্য লোকপিয়ল বিষয়াৰ দায়িত্বত থকা জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কেন্দ্ৰীয়ভাবে প্ৰশিক্ষণ গ্ৰহণ কৰাৰ পাছতে ৪৬ গৰাকী জিলা পৰ্যায়ৰ বিষয়াকো প্ৰশিক্ষণ দিয়া হৈছে। জিলাখনত ইয়াৰ উপৰি ৩ হাজাৰ ৪১৮ গৰাকী ■ এঘাৰ পৃষ্ঠাত

## গুৱাহাটীত প্ৰথমবাৰৰ বাবে ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** গুৱাহাটীত প্ৰথমবাৰৰ বাবে ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব। অহা জুলাইৰ মাজভাগত হ'বলগীয়া এই সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি ভাৰত ভ্ৰমণলৈ আহিব। এই সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। দুয়ো দেশৰ এই সন্মিলনক লৈ ইতিমধ্যে দিল্লীৰ

### বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ সাক্ষীক তলব

## ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া কাইলৈ আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাওঁ জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ ■ এঘাৰ পৃষ্ঠাত

## স্বামী বিবেকানন্দ বিশ্ববিদ্যালয়ৰ অধ্যক্ষ মনীষ সিং আৰু আচাৰ্য ড°অজয় কৰণৰ সাক্ষাৎ মুখ্যমন্ত্ৰীক



**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** কোকৰাঝাৰৰ স্বামী বিবেকানন্দ বিশ্ববিদ্যালয়ে গুণগত শিক্ষা আৰু উদ্ভাৱনীমূলক চিন্তাধাৰাক আগুৱাই নিয়াৰ লক্ষ্য অব্যাহত ৰাখিছে। আজি বিশ্ববিদ্যালয়খনৰ অধ্যক্ষ মনীষ সিং আৰু আচাৰ্য ড° অজয় কৰণে গুৱাহাটীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি বিশ্ববিদ্যালয়খনৰ ভৱিষ্যতৰ কৰ্মসূচী সন্দৰ্ভত আলোচনা কৰে। এই বৈঠকত বিশ্বমানৰ শিক্ষা প্ৰদান, ষ্টাৰ্টআপ ■ এঘাৰ পৃষ্ঠাত

## কাছাৰত ১০০ কেজি গাঞ্জা জব্দ, দুজনক গ্ৰেপ্তাৰ

**বাতৰি কাকত, শিলচৰ, ৭ জুনঃ** ড্ৰাগছৰ সমান্তৰালভাৱে এইবাৰ গাঞ্জাৰ বিৰুদ্ধে অভিযান চলাইছে কাছাৰ আৰক্ষীয়ে। গোপন তথ্যৰ ভিত্তিত লক্ষীপুৰ থানা এলেকাৰ বাচকান্দিত অভিযান চলাই আৰক্ষীয়ে এখন অটোৰ পৰা ১০০ কেজি গাঞ্জা জব্দ ■ এঘাৰ পৃষ্ঠাত

### সমগ্ৰ বিশ্বত পৰিব প্ৰভাৱ

## আমেৰিকাৰে মতানৈক্য ঃ বাব-অল-মান্দেব প্ৰণালীক লৈ কঠোৰ ইৰাণ

**টেহৰাণ, ৭ জুন ঃ** ইৰাণ আৰু আমেৰিকাৰ মাজৰ উত্তেজনাই পুনৰ এবাৰ এক গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় জলপথক কেন্দ্ৰ কৰি নতুন ৰূপ লৈছে। ইতিমধ্যে হৰমুজ প্ৰণালীক লৈ অনিশ্চয়তা দূৰ হোৱা নাই। ইয়াৰ মাজতে এইবাৰ বাব-অল-মান্দেব প্ৰণালীক লৈও কঠোৰ সতৰ্কবাণী জাৰি কৰিছে ইৰানে। ফলত বিশ্বৰ শক্তি যোগান আৰু সমুদ্ৰপথৰ বাণিজ্যক লৈ উদ্বেগ ■ এঘাৰ পৃষ্ঠাত

## তেজপুৰ লিচু উৎসৱৰ সামৰণি

**তেজপুৰ, ৭ জুন ঃ** তেজপুৰত কালিৰে পৰা অনুষ্ঠিত লিচু উৎসৱৰ আজি সামৰণি পৰিব। কালি এই উৎসৱৰ অংশ হিচাপে কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ সাংসদ ৰঞ্জিত দত্তই লিচুৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষকসকলক উৎসাহিত কৰাৰ লগতে স্পেয়াৰ ক্ৰয়ৰ বাবে কৃষকসকললৈ ৫২ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে বুলি জানিবলৈ দিয়ে। অনুষ্ঠানত উপস্থিত থাকি তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই লিচু উৎপাদন বৃদ্ধিৰ বাবে ঘৰে ঘৰে লিচু আঁচনি গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰ অধীনত তেজপুৰৰ ১০ হাজাৰ পৰিয়ালৰ মাজত ২০ হাজাৰ উন্নত জাতৰ লিচু পুলি ৰোপণ কৰা হ'ব ■ এঘাৰ পৃষ্ঠাত

### এনে দুৰ্ভাগ্যজনক ঘটনা শেষ ঘটনা হোৱাৰ কামনা বিজন বায়নৰ

## মাধুৰ্য বৰ্মনৰ গৃহত যুৱ ছাত্ৰ পৰিষদৰ প্ৰতিনিধি দল

**মজিবুৰ ৰহমান, নলবাৰী, ৭ জুন ঃ** ৩১ মে'ৰ সন্ধিয়া নলবাৰীৰ গংগাপুৰত সংঘটিত ভয়াবহ ঘটনাত চিৰদিনৰ বাবে নোহোৱা হৈ পৰিল এগৰাকী চফল যুৱক। এই ঘটনাই ৰাজ্যবাসীকে মৰ্মাহত কৰি তুলিছে। ছাত্ৰ নেতা মাধুৰ্য বৰ্মনৰ নৃশংসভাৱে হত্যা কৰা ঘটনা কোনোৱে পাহৰিব পৰা নাই । নিমিষতে শেষ কৰি পেলালে এটা পৰিয়ালৰ সপোন। মেধাসম্পন্ন অমায়িক স্বভাৱৰ মাধুৰ্য বৰ্মনক পৰিকল্পিতভাৱে হত্যা কৰাৰ আজি সাতটা দিন উকলিল। আজিও ৰাজ্যবাসীৰ মনত সেই ভয়াবহ, নৃশংস ঘটনাটোৰ কথা সজীৱ হৈ আছে। মাধুৰ্যৰ অনুপস্থিতিত হেজাৰ হেজাৰ গুণমুগ্ধই খবৰ লৈছে, দুখৰ সমভাগী হৈছে। তথাপিও কোনো কাৰনতে বুকু সুধা হোৱাৰ ব্যথা পাহৰিব পৰা নাই পিতৃ-মাতৃহালে । তাৰ মাজতে আজি মাধুৰ্যৰ বাসগৃহত উপস্থিত হ'ল অসম জাতীয়তাবাদী যুৱ ছাত্ৰ ■ এঘাৰ পৃষ্ঠাত

### ৪ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান

## তামুলপুৰত বন্য হস্তীৰ আক্ৰমণত নিহত দুটা পৰিয়াললৈ সাহায্য

**বাতৰি কাকত, তামুলপুৰ, ৭ জুন ঃ** ভাৰত-ভূটান সীমান্তৱৰ্তী তামুলপুৰ জিলাত বন্য হস্তীৰ উপদ্ৰৱে উদ্বেগজনক ৰূপ ধাৰণ কৰি থকাৰ সময়তে হাতীৰ আক্ৰমণত নিহত হোৱা দুটা পৰিয়াললৈ তাৎক্ষণিক আৰ্থিক সাহায্য আগবঢ়াইছে অসম চৰকাৰে। শেহতীয়াকৈ বন্য হস্তীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা বগাজুলি কুমগুৰীৰ কৰ্টেঙ মুছাহাৰী আৰু এন চি আঙাৰকাটা শিমলীবাৰী গাঁৱৰ পাউলোচ বসুমতাৰীৰ বাসগৃহত আজি বিটিচি বিধান পৰিষদৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰী, গোৰেশ্বৰৰ বিধায়ক ভিক্টৰ কুমাৰ দাস, সংমগুল বন বিষয়া ধীৰেন্দ্ৰনাথ বসুমতাৰী, কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ বিষয়া প্ৰভাত বৰ্মনসহ বন বিভাগৰ এটা ■ এঘাৰ পৃষ্ঠাত

### ফ'ৰ্বচ আলোচনীৰ প্ৰতিবেদন ঃ মুঠ সম্পত্তিৰ পৰিমাণ ৮৯.২ বিলিয়ন মাৰ্কিন ডলাৰ

## এছিয়াৰ আটাইতকৈ ধনাঢ্য ব্যক্তিৰ শীৰ্ষত গৌতম আদানী

**নতুন দিল্লী, ৭ জুন ঃ** এচিয়াৰ আটাইতকৈ ধনী ব্যক্তিৰ খিতাপ পুনৰ দখল কৰিলে উদ্যোগপতি গৌতম আদানীয়ে। ফ'ৰ্বচ আলোচনীৰ শেহতীয়া প্ৰতিবেদন অনুসৰি, আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ ৮৯.২ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে। ইয়াৰ সৈতে তেওঁ ৮৮ বিলিয়ন ডলাৰৰ সম্পত্তিৰ অধিকাৰী মুকেশ আম্বানী আৰু ছফটবেংকৰ মাচায়োশ্বি চনক (৮৭ বিলিয়ন ডলাৰ) পিছ পেলাই এই শীৰ্ষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শেহতীয়াকৈ জাপানী বিনিয়োগকাৰী প্ৰতিষ্ঠান ছফটবেংকৰ অংশীদাৰিত্ব হ্ৰাস পোৱাৰ পূৰ্বলৈকে মাচায়োশ্বি চনেই আছিল এচিয়াৰ আটাইতকৈ ধনী ব্যক্তি। উল্লেখযোগ্য যে মে'ত আমেৰিকাৰ ন্যায় বিভাগে আদানী গ্ৰুপৰ বিৰুদ্ধে থকা প্ৰৱঞ্চনাৰ গোচৰ খাৰিজ কৰাৰ পিছৰে পৰা গৌতম আদানীৰ সম্পত্তি প্ৰায় ১০ বিলিয়ন ডলাৰ বৃদ্ধি পাইছে। আদানী গ্ৰুপৰ বিৰুদ্ধে সৌৰ শক্তি যোগানৰ চুক্তি লাভ কৰিবলৈ ২৫০ নিযুত ডলাৰৰ উৎকোচ দিয়াৰ অভিযোগ উত্থাপন হৈছিল, যদিও আদানী আৰু তেওঁৰ সহযোগী বিষয়াসকলে এই অভিযোগ অস্বীকাৰ কৰিছিল। আনহাতে ইয়াৰ পূৰ্বে এপ্ৰিলতো আদানী গ্ৰুপৰ শ্বেয়াৰৰ মূল্য ধাৰাবাহিকভাৱে বৃদ্ধি পোৱাৰ ফলত মুকেশ আম্বানীক পিছ পেলাই গৌতম আদানী এচিয়াৰ আটাইতকৈ ■ এঘাৰ পৃষ্ঠাত



## নলবাৰীৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত পুখুৰীসদৃশ গাঁত

**বাতৰি কাকত, ধমধমা, ৭ জুন ঃ** নলবাৰীৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত পুখুৰী সদৃশ পৰিৱেশ। ৰাষ্ট্ৰীয় ঘাইপথ সমীপৰ এটা পথে জলাকলা খুৱাইছে ৰাইজক ।কেইবাখনো গাৱঁৰ ৰাইজে নলবাৰীলৈ অহা-যোৱা কৰা মুল পথৰ দূৰাৱস্থাত অতিষ্ঠ হৈ পৰিছে ৰাইজ। নলবাৰী জিলাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় এশ মিটাৰ মান নিলাগৰ কৈৰাবা গাৱঁৰ মুল পথটোৰ পুতৌজনক অৱস্থা পৰিলক্ষিত হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰৰ কেইবাখনো গাওঁ যেনে কৈৰাবা, খানাজান, বৰখানাজান, কেন্দুকুছি, কটাহকুছি, কটৰা,জাবোন আদিৰ লোকসকলে নলবাৰী চহৰলৈ আহিব লগীয়া হ'লে উক্ত পথেৰেই অহা-যোৱা কৰিব লগীয়াত পৰে। কিন্তু পথটোৰ ঠায়ে-ঠায়ে শোচনীয়া অৱস্থা পৰিলক্ষিত হৈছে। বিশেষকৈ কৈৰাবা শ্ৰী শ্ৰী চণ্ডী মন্দিৰৰ সমীপৰ পৰা দুই-তিনিশ মিটাৰ মান আতৰত পুখুৰী সদৃশ পৰিৱেশ পৰিলক্ষিত হৈছে আৰু কিছু আগুৱাই যায় পঞ্চাশ-এশ মিটাৰ মান পথ জৰাজীৰ্ণ হৈ পৰিছে। মূল পথৰ ■ এঘাৰ পৃষ্ঠাত





*বিশ্ব পৰিৱেশ দিৱসত বিধায়ক ৰূপক শৰ্মা। আলোকচিত্ৰ ঃ ডেভিড দাস*

### বিকট শব্দ কৰা মডিফাইড বাইকৰ বিৰুদ্ধে শিৱসাগৰ আৰক্ষীৰ অভিযান

# জব্দকৃত চাইলেঞ্চাৰ ভাঙি গুৰি কৰিলে জেচিবিৰে

**বাতৰি কাকত, শিৱসাগৰ, ৭ জুনঃ** যান-বাহন আইনৰ নিয়ম উলংঘা কৰি মটৰচাইকেলত নীতি-বহিৰ্ভূতভাৱে কাৰ্যক্ষম চাইলেঞ্চাৰ পাইপ লগাই চহৰৰ মাজমজিয়াত বিকট শব্দ কৰি ত্ৰাসৰ সৃষ্টি কৰা বাইক আৰোহীসকলৰ বিৰুদ্ধে এইবাৰ তীব্ৰ একচনত নামি পৰিছে শিৱসাগৰ যানবাহন নিয়ন্ত্ৰণ আৰক্ষী। ৰাজপথত হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰা আৰু জনসাধাৰণক অতিষ্ঠ কৰি তোলা এনে বাইকসমূহৰ বিৰুদ্ধে আৰক্ষীয়ে আজি চহৰখনৰ বিভিন্ন স্থানত এক জোৰদাৰ অভিযান চলায়। অভিযানকালত যান-বাহন আৰক্ষীয়ে কুৰিখনতকৈও অধিক নীতি উলংঘাকাৰী বাইক চালকক আটক কৰি থিতাতে মোটা অংকৰ বিত্তীয় জৰিমনা বিহে। কেৱল জৰিমনা বিহাৰেই নহয়, আৰক্ষীয়ে বাইকসমূহৰ পৰা নিয়ম বহিৰ্ভূতভাৱে মডিফাইড কৰা চাইলেঞ্চাৰ পাইপসমূহ লগে লগে জব্দ কৰে। পৰৱৰ্তী সময়ত জব্দ কৰা এই আটাইবোৰ অবৈধ চাইলেঞ্চাৰ পাইপ ৰাজহুৱাভাৱে এখন জেচিবি (JCB) চলাই ভাঙি সম্পূৰ্ণৰূপে ধ্বংস কৰি দিয়ে। আৰক্ষী প্ৰশাসনৰ এনে কঠোৰ আৰু ব্যতিক্ৰমী পদক্ষেপক চহৰখনৰ সচেতন মহলে উষ্ম আদৰণি জনাইছে।


**Affidavit**

I, Shri Pranita Barua have changed my name to Pranita Baruah and my husband's name from Shrinagen Baruah to Nagen Baruah. Henceforth the correctted names shall be used for all purposes.

**Pranita Baruah**
W/o. Nagen Baruah
Village : Baruapara, Nowapara
P.O.+P.S. : Chhayygaon
Dist.: Kamrup (M)
Pin : 781124

**Name Correction**

MY ACTUAL AND CORRECT NAME IS CHAN MIYA. MY PAN CARD VIDE NO-CQGPM2671B. THAT LAND DOCUMENTS JAMABANDI, CHITA WHICH IS COVERED BY DAG NO-592 OF K.P PATTA NO-79 OF REVENUE VILLAGE NO-1 BHELKAR, UNDER MOUZA RAMDIA, REVENUE CIRCLE OFFICE HAJO, IN THE DISTRICT KAMRUP ASSAM, WHICH MY NAME HAS BEEN WRONGLY NOTED AS BADARUDDIN AHMED, SON OF MAFIJUDDIN. THAT CHAN MIYA, SON OF MAHEJ ALI AND BADARUDDIN AHMED SON OF MAFIJUDDIN,IS THE SAME AND ONE PARSON.

**CHAN MIYA**
S/O-MAHEJ ALI
VILL-NO.1 BHELKAR
P.S- HAJO
DIST-KAMRUP (ASSAM)

**Name Correction**

MY ACTUAL NAME AND TITLE IS BHUPEN CHANDRA KAKATI, WHICH IS RIGHTLY RECORDED IN MY SCHOOL DOCUMENTS. THAT IN MY ALL RELEVANT DOCUMENTS, MY NAME HAS BEEN WRONGLY RECORDED AS BHUPEN KAKATI INSTEAD OF BHUPEN CHANDRA KAKATI.THAT BHUPEN CHANDRA KAKATI AND BHUPEN KAKATI IS THE ONE AND SAME PERSON HAVING SINGLE IDENTITY,i.e. MY SELF.

**BHUPEN CHANDRA KAKATI**
S/O- MADHAB CHANDRA KAKATI
VILL- SILAGRANT, MARIYAPATTI, AMINGAON
P.O-AMINGAON
P.S-NORTH GUWAHATI, KAMRUP, ASSAM.

**শপতনামা**

মই, শ্ৰী ৰাজেশ দলে, পিতা-শ্ৰী বুধেশ্বৰ দলে, গাঁও-বান্দেনা গাঁও, ডাকঘৰ- কাংকান চাপৰি, এন.চি. আমলখি বান্দানা, থানা- ঢকুৱাখানা, জিলা- লখিমপুৰ, অসম- ৭৮৭০৫৫ৰ স্থায়ী বাসিন্দা, এই মৰ্মে ঘোষণা কৰিছোঁ যে মোৰ কন্যা ট্ৰেছিয়া দলে (TRESHIA DOLEY)ৰ আধাৰ কাৰ্ড নং ৯৬৮১ ৩৯০২ ৪৯০১-ত অসাৱধানতাবশতঃ তাইৰ নাম "TRESHA DOLEY" বুলি লিপিবদ্ধ হৈছে। এই ভুল সংশোধন কৰি আধাৰ কাৰ্ডত "TRESHIA DOLEY" নাম অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে মই ০৫/০৬/২০২৬ তাৰিখে গুৱাহাটীস্থিত কামৰূপ (মেট্ৰ')ৰ নটাৰী পাব্লিকৰ সন্মুখত এক শপতনামা (Affidavit) সম্পাদন কৰিছোঁ।

**Name Correction**

My Actual and correct name is Sharanan Mudoi which is recorded in my all documents including Aadhaar card, but my birth certificate vide No-128/07 my name has been wrongly recorded as Sunchiti modoi, instead of Sharanan Mudoi And my actual and correct date of birth is 10/01/2008 but in may same birth certificate wrongly recorded as 10/1/2007 instead of 10/01/2008 an also my father actual and correct name is Anju Kumar Mudoi but in my same birth certificate his name recorded as Hema modoi instead of Anju kumar mudoi.

As a matter of fact Sharanan mudoi and sunchiti modoi are Same and single Person and Anju Kumar Mudoi and Hema Modoi are same and Single Person.

**Sharanan Mudoi**
Sutar Gaon, Nonoi, Nagaon

**AFFIDAVIT**

I, SHANTI SHARMA, W/o- Rambrij Sharma, D/O- Singhasan Sharma, a resident of Vill- Boshgaon FV, PO - Saraibil, PS - Gossaigaon, Dist- Kokrajhar, Assam do hereby solemnly affirmed and declared by an affidavit before the Notary public, Govt of Assam at Gossaigaon on 06/06/2026 that My actual and correct name is SHANTI SHARMA and my husband's actual and correct name is RAMBRIJ SHARMA, as per my Aadhaar card, PAN Card and other documents, But my name has been wrongly recorded in my AGB Bank Account vide A/C No. 713601001873 under Kachugaon Branch as SMTI SANTI DEBI in place of SHANTI SHARMA as well as my husband's name has been recorded as RAMBRIS SARMA in place of RAMBRIJ SHARMA. That, SHANTI SHARMA and SMTI SANTI DEBI are the same person having one identical person i.e. myself as well as RAMBRIJ SHARMA and RAMBRIS SARMA are the same person having one identical person i.e. my father.

**AFFIDAVIT**

I, ZAKIR HUSSAIN, S/o - Josim Uddin (Father) & Farida Bewa (Mother), a resident of Vill- Tengnerbhita, PO- Tulshibil, PS- Gossaigaon, Dist- Kokrajhar, Assam do hereby solemnly affirmed and declared by an affidavit before the Notary public, Govt of Assam at Gossaigaon on 06/06/2026 that My actual and correct name is ZAKIR HUSSAIN as per my Aadhaar card, PAN Card and other documents, But my name has been wrongly recorded in my AGV Bank Account vide A/C No. 7132026009424 under Binnakata-Bhowraguri Branch as Jakir Hosen instead of ZAKIR HUSSAIN. That, ZAKIR HUSSAIN and Jakir Hosen are the same person having one identical person i.e. myself.


# শিখনা জহোৱালাও ৰাষ্ট্ৰীয় উদ্যানত জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ কাম আৰম্ভ বি জি এল এৰ

**কোকৰাঝাৰ, ৭ জুন ঃ** বড়োলেণ্ডৰ জৈৱ বৈচিত্ৰ্য সুৰক্ষাৰ বাবে এক উদাৰ পদক্ষেপ হিচাপে কোকৰাঝাৰস্থিত বেচৰকাৰী সংস্থা বড়োলেণ্ড গোল্ডেন লেংগুৰ এছ'চিয়েশ্যনে (বিজিএলএ) বন্যপ্ৰাণী মণ্ডলত প্ৰৱেশ কৰাৰ সময়ত শিখনা জহোৱালাও ৰাষ্ট্ৰীয় উদ্যানৰ দৰ্শনাৰ্থীসকলক নিয়ম মানি চলিবলৈ আহ্বান জনাই চাইনব'ৰ্ড স্থাপন কৰে। শিখনা জহোৱালাও ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে ভূটান সীমান্তৰ সৰলপাৰা পৰ্যটনস্থলীলৈ যোৱা পথৰ কাষত বন্যপ্ৰাণীক সুৰক্ষা দিয়াৰ বাবে শ্লোগান লিখা চাইনবৰ্ডসমূহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ দিগলীৰ পৰা উলতাপানীলৈ স্থাপন কৰা হয়। বিশ্ব পৰিৱেশ দিৱস, ২০২৬ উদযাপনৰ উপলক্ষে আয়োজন কৰা এই কাৰ্যসূচী। বিজিএলএই সৰালপাৰালৈ যোৱা পথৰ দাঁতিতো গছপুলি ৰোপণ কৰাৰ লগতে বন্যপ্ৰাণী মণ্ডলত লাহে লাহে গাড়ী চলোৱা, হৰ্ণ বজোৱা বন্ধ, শব্দৰ সৃষ্টি কৰা আৰু ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত প্লাষ্টিক, পানীৰ বটল পেলোৱাৰ নিৰ্দেশনা মানি চলিবলৈ দৰ্শনাৰ্থী আৰু পিকনিক কৰা লোকসকলক আহ্বান জনায়। সৰালপাৰা পৰ্যটনস্থলীৰ পৰিচালনা পৰিচালনা কৰা দলটোৰ সৈতেও এক চমু বৈঠকত মিলিত হৈ পৰিৱেশৰ ক্ষতিকাৰক কাম-কাজ বন্ধ কৰিবলৈ মানি চলিবলগীয়া নিয়ম সন্দৰ্ভত প্ৰতিজন পৰ্যটকক বহুভাষিক পাম্প লেটছ





বিতৰণৰ জৰুৰী পদক্ষেপ ল'বলৈ আহ্বান জনায়, জলভাগত একক ব্যৱহাৰৰ প্লাষ্টিক আৰু বটল পেলোৱা। তেওঁলোকে পৰ্যটন স্থান পৰিচালনা, বাহন পাছ কৰাকে ধৰি অভাৰহ'লিং দৰ্শনাৰ্থীক নিয়ন্ত্ৰণ কৰিবলৈ অনলাইন বুকিং ব্যৱস্থাৰ প্ৰয়োজনীয়তাকে ধৰি আলোচনা কৰে যিয়ে অংশটোৰ পৰিৱেশ তন্ত্ৰত প্ৰভাৱ পেলাব। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিজিএলএৰ সভাপতি অজিত বসুমতাৰীয়ে কয় যে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰি গছপুলি ৰোপণ আৰু সভা-সমিতি পালন কৰাটো বিশ্বজুৰি নিয়মীয়া পৰিঘটনা যদিও তেওঁলোকৰ চিন্তা বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্যৰ সুৰক্ষাৰ প্ৰতি প্ৰবল। তেওঁ কয় যে কোকৰাঝাৰ জিলাৰ চিৰাং সংৰক্ষিত বনাঞ্চলৰ শিখনা জহোৱালাও ৰাষ্ট্ৰীয় উদ্যানখন সেউজীয়া আৰু বিলুপ্তপ্ৰায় প্ৰজাতিকে ধৰি বন্যপ্ৰাণীৰ বাবে অতি বিখ্যাত। এছিয়াৰ হাতী, সোণালী লেংগুৰ, হৰ্ণবিল, বাঘ, হৰিণ, ৩৫০ প্ৰজাতিৰ পখিলা, সৰীসৃপ আৰু চৰাইৰ বাবে উদ্যানখন বিখ্যাত যদিও ব্যাপক বেদখলৰ বাবে সংৰক্ষিত বনাঞ্চল দ্ৰুতভাৱে হ্ৰাস পোৱাৰ বাবে জীৱ-জন্তুৰ বাসস্থান সুৰক্ষাৰ দিশত গুৰুতৰ চিন্তাৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত অবৈধ বেদখল যিকোনো মূল্যৰ বিনিময়ত বন্ধ কৰিব লাগিব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে অতি শেহতীয়াকৈ এটা সোণালী লেংগুৰ আৰু এটা হৰ্ণবিলৰ মৃত্যু হোৱাৰ খবৰ আহিছে আৰু উদ্যানৰ ভিতৰত বন্যহস্তীৰ সৈতে হোৱা কাণ্ডৰ বাতৰি আহিছে, কাৰণ অতি বেগেৰে চলা বাহনৰ বাবে যিয়ে প্ৰতিদিনে শ শ পখিলাৰ মৃত্যুও হৈছে। বসুমতাৰীয়ে কয় যে উদ্যানৰ ভিতৰত চলি থকা অসাৱধানতাৰে চলা অভিযানৰ বিৰুদ্ধে সংশ্লিষ্ট কৰ্তৃপক্ষই কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে, ইনটেক লিমিট অনুসৰি পৰ্যটকৰ বাহনৰ সংখ্যা নিয়ন্ত্ৰণ কৰিব লাগে, পৰ্যটকৰ বাবে অনলাইন বুকিং ব্যৱস্থা কৰিব লাগে, অবৈধ বেদখলৰ সৈতে মোকাবিলা কৰিব লাগে আৰু জৈৱ বৈচিত্ৰ্যৰ সুৰক্ষাৰ বাবে কাম কৰা বেচৰকাৰী সংস্থাসমূহ জড়িত কৰি নিয়মীয়াকৈ সজাগতা অভিযান চলাব লাগে। লগতে উন্নত ভৱিষ্যতৰ বাবে বিটিচিৰ জৈৱ বৈচিত্ৰ্য সুৰক্ষাৰ বাবে সংশ্লিষ্ট বিভাগৰ সৈতে বিজিএলএই সহায়ৰ হাত আগবঢ়াব বুলিও তেওঁ কয়। তেওঁ আৰু কয় যে বিপন্ন প্ৰজাতিৰ সোণালী লেংগুৰক বড়োলেণ্ডৰ গৌৰৱ হিচাপে স্বীকৃতি দিয়া হৈছে আৰু সেয়েহে বিটিচিত ৫০০০ৰো অধিক সোণালী লেংগুৰৰ ঘৰ হোৱাৰ বাবে সংস্থাটোৱে প্ৰতি বছৰে গোল্ডেন লেংগুৰ উৎসৱ আয়োজন কৰাৰ সিদ্ধান্ত লৈছে।

### আসন্ন বানপানীৰ বাবে সাজু ধুবুৰী জিলা প্ৰশাসন

# ধুবুৰীত বানপানী প্ৰস্তুতিৰ বাবে জিলা পৰ্যায়ৰ পৰ্যালোচনা সভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ধুবুৰী, ৭ জুন ঃ** আসন্ন বানপানীৰ প্ৰতি লক্ষ্য ৰাখি ধুবুৰী জিলা প্ৰশাসনে জিলা আয়ুক্ত কাৰ্যালয় সভাকক্ষত এক জিলা পৰ্যায়ৰ সভা অনুষ্ঠিত কৰে। জিলা আয়ুক্ত মেঘা নিধি দাহালৰ সভাপতিত্বত অনুষ্ঠিত সভাত হ'বলগীয়া আগন্তুক বানপানী সন্দৰ্ভত প্ৰস্তুতিৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰে। সভাত সম-জিলা আয়ুক্ত গোলকগঞ্জ তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া য়িমকুম আই অজুকুম, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধ্ৰুৱজ্যোতি দাস, সম-জিলা আয়ুক্ত বিলাসীপাৰাৰ ড° প্ৰিতি লেখা ডেকাৰ লগতে সংশ্লিষ্ট সকলো বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। সভাত জিলা আয়ুক্তগৰাকীয়ে দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ উপলব্ধতা পৰ্যালোচনা কৰে। প্ৰশমন পুঁজি 'Mitigation Fund' আৰু বিনামূলীয়া সাহায্য পুঁজি 'Gratuitous Relief Fund'-ৰ জৰিয়তে জৰুৰীকালীন কামৰ বাবে পৰ্যাপ্ত আৰ্থিক প্ৰস্তুতি নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বিদ্যালয় পৰিদৰ্শক জিলাৰ বিদ্যালয়সমূহৰ ভৌতিক অৱস্থা মূল্যায়ন কৰি প্ৰধান শিক্ষকৰ পৰা মেৰামতিৰ প্ৰতিবেদন সংগ্ৰহ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে দ্ৰুত সংশোধনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ প্ৰদান কৰে। জিলা আয়ুক্তই কয় যে প্ৰতিটো বিভাগত পৰ্যাপ্ত মেৰামতি পুঁজি উপলব্ধ আছে। বিশেষকৈ স্বাস্থ্য কেন্দ্ৰ, অংগনৱাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহে নিজ অনুষ্ঠানৰ ভৌতিক অৱস্থা পৰীক্ষা কৰি বিলম্ব নকৰাকৈ মেৰামতি সম্পন্ন কৰিব লাগিব। জলসম্পদ বিভাগৰ বিষয়াসকলৰ লগত ব্ৰহ্মপুত্ৰ আৰু গংগাধৰ নদীৰ মথাউৰিৰ অৱস্থাৰ বিষয়ে আলোচনা কৰে। বানপানীপ্ৰৱণ সীমান্ত অঞ্চলৰ বাবে জৰুৰীকালীন উদ্ধাৰ আৰু সাহায্য অভিযানত সীমান্ত সুৰক্ষা বাহিনী (বি এছ এফ)ক জড়িত কৰিবলৈ জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। পথ বিভাগক দুৰ্বল অৱস্থাৰ পথ, বিশেষকৈ গাঁৱলীয়া পথ মেৰামতিত অগ্ৰাধিকাৰ দিবলৈ কয়। পশু চিকিৎসা বিষয়াক জৰুৰীকালীন পৰিস্থিতিত পশু উদ্ধাৰ ব্যৱস্থা, পশুধনৰ টীকাকৰণ অভিযান আৰু গো-ধনৰ স্বাস্থ্যসেৱা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। অভ্যন্তৰীণ জলপথ পৰিবহন (আই ডব্লিউ টি)ৰ বিষয়াক বানপানীৰ সময়ত নিৰাপদ চলাচলৰ বাবে ব্যক্তিগত নাওসমূহৰ অৱস্থা আৰু সক্ষমতা পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিয়ে।

## আমিনগাঁৱ- উত্তৰ গুৱাহাটীত বিশ্ব পৰিৱেশ দিৱস উদযাপন



**মধু মাধৱ দাস, আমিনগাঁৱ, ৭ জুন ঃ** প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষাৰ উদ্দেশ্যে ৫ জুনৰ দিনটো বিশ্বজুৰি উদযাপন কৰা হৈছে বিশ্ব পৰিৱেশ দিৱস। আমিনগাঁৱতো ভিন্ন প্ৰান্তত উদযাপন কৰা হয় এই দিৱস। আমিনগাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক সংস্থা শৰাইঘাট নাট্য গোষ্ঠীৰ উদ্যোগত পালন কৰা হয় এই পৰিবেশ দিৱস। মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত শৰাইঘাট শান্তি স্থলত ৰোপণ কৰা হয় নাহৰকে ধৰি ৬৫ জোপা গছপুলি। প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ সৈতে ফেৰ মাৰিব পৰাকৈ পৰিবেশ ৰক্ষাৰ লক্ষ্য স্থিৰ কৰিছে শৰাইঘাট নাট্য গোষ্ঠীয়ে। উল্লেখ্য যে ৯০ দশকৰ পূৰ্বে আমিনগাঁৱ অঞ্চলত আছিল অৰণ্য সদৃশ পৰিৱেশ। পিছলৈ উন্নয়নৰ দোহাই দি তহিলং কৰা হৈছিল হাজাৰোধিক বৃক্ষ। পুনৰ সেই পৰিবেশ গঢ়ি তুলিবলৈ সংকল্প লৈছে শৰাইঘাট নাট্য গোষ্ঠীয়ে। এইবেলি আমিনগাঁৱৰ শৰাইঘাট নাট্যগোষ্ঠীৰ সোনালী জয়ন্তী বৰ্ষ উপলক্ষে বৃহৎ সেউজ প্ৰকল্প হাতত লৈছে সংস্থাটোৱে। ইফালে মহানগৰীৰ উত্তৰ গুৱাহাটীতো জনকল্যাণ ছ'চাইটি আৰু সাংস্কৃতিক বিদ্যালয়ৰ তৰফৰ পৰা বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৰোপণ কৰা হয় বহু সংখ্যক গছপুলি। পৰিবেশ ৰক্ষাৰ এই বৃহৎ অভিলাসী প্ৰকল্পত অংশগ্ৰহণ কৰে শৰাইঘাট নাট্য গোষ্ঠীৰ উপদেষ্টা ৰবিন দাস, সভাপতি শংকৰ কুমাৰ দাস, সম্পাদক চন্দন জ্যোতি দাসকে ধৰি সদস্য সকল আৰু জনকল্যাণ ছ'চাইটিৰ অধ্যক্ষ তথা জনকল্যাণ বাৰ্তা কাকতৰ সম্পাদক কুমুদ নাথৰ লগতে বৃহৎ সংখ্যক ৰাইজে।

# বিশ্ব পৰিৱেশ দিৱস উপলক্ষে প্ৰজ্ঞা-মৈত্ৰীকণ্ঠ সাহিত্য সংস্কৃতিৰ সাধনা মঞ্চৰ সাধাৰণ সভা

**গুৱাহাটী, ৭ জুন ঃ** হিমাদ্ৰী ডেকাৰ আৰু ড° স্বৰ্ণলতা নাথৰ আহ্বান ক্ৰমে, প্ৰজ্ঞা-মৈত্ৰীকণ্ঠ সাহিত্য সংস্কৃতিৰ সাধনা মঞ্চ, অসমৰ উদ্দ্যোগত আৰু নৱজ্যোতি নগৰ উন্নয়ন কমিটিৰ সহযোগত, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে এখন সভা অনুষ্ঠিত হৈ যায়। সভাখনত সভাপতিত্ব। কৰে প্ৰজ্ঞা-মৈত্ৰী সাহিত্য সংস্কৃতিৰ সাধনা মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি জ্যোৎস্না ৰাণী বেগমে। সভাখনৰ আঁত ধৰে। প্ৰজ্ঞা-মৈত্ৰী সাহিত্য সংস্কৃতিৰ সাধনা মঞ্চৰ সম্পাদক হিমু শৰ্মা ডাঙৰীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল, অসম পক্ষী সুৰক্ষা কমিটীৰ সভাপতি ডঃ ভূৱনেশ্বৰ শৰ্মা দেৱে। তেখেতৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা জনায় হিমাদ্ৰী ডেকাই। আজিৰ সভাখনত এখন সেউজী ধৰণী গঢ়াৰ সংকল্পৰে গছ পুলি ৰোপণ কৰা হয়। প্ৰথম গছপুলিটো ৰোপণ কৰে পক্ষীবিদ ড° ভোৱনেশ্বৰ শৰ্মা দেৱে আৰু। পক্ষী, গছ আৰু প্ৰকৃতিৰ ওপৰত তেখেতে সুন্দৰ সাৰুৱা ভাষণ আগবঢ়ায়। তাৰোপৰি হিমাদ্ৰী ডেকা ই ভাষন দিয়ে, আৰু মনি মুকুট দাসে পৰিৱেশৰ ওপৰত বহু সময় ভাষন প্ৰদান কৰে। সভাত উপস্থিত আছিল, নৱজ্যোতি নগৰ উন্নয়ন কমিটিৰ সম্পাদক খাইৰুল হক শয়কীয়া, সমাজ কৰ্মী মনি মুকুট দাস, অৱসৰ প্ৰাপ্তমুখ্য অভিযন্তা (ব্ৰহ্মপুত্ৰ ব'ৰ্ডে) জয় বৰ্মন, সমাজ কৰ্মী মহানন্দ কলিতা, পৰশু বৰ্মন, ডিম্বেশ্বৰ শৰ্মা, ভম্বৰু ডেকা, প্ৰান গোপাল পাল, জয়া গোস্বামী,প্ৰতিভা মজুমদাৰ,অকনি দাস,পূন্যদা গগৈ,সবিতা বেজবৰুৱা আৰু বংশী দাস, লেখিকা মিনাৰা ৰহমান। আৰু বহুতো চিনাকি অচিনাকি ব্যক্তি উপস্থিত আছিল। গছ পুলি ৰোপণ কৰা পিছত সম্পাদক হিমু শৰ্মা ই সভা ভংগ দিয়ে।



# টংলাত নেচনেল পায়নিয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল-আৰণ্যকৰ উদ্যোগত পৰিৱেশ দিৱস পালন

## ১৭০ গৰাকী কৃতী ছাত্ৰ -ছাত্ৰীক সম্বৰ্ধনা ঃ নিজৰ শিপা পাহৰি নাযাবলৈ আহ্বান

**ষ্টাফ ৰিপৰ্টাৰ টংলা, ৭ জুন ঃ** ওদালগুৰি জিলাৰ ব্যক্তিগত খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান টংলা নেচনেল পায়নিয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে অহোপুৰুষাৰ্থ কৰা অন্যতম স্বেচ্ছাসেৱী সংস্থা আৰণ্যকৰ উদ্যোগত বিদ্যালয়ৰ প্ৰাংগণত ৪ আৰু ৫ মে' তাৰিখে দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কুইজ প্ৰতিযোগিতা, বিশ্ব পৰিৱেশ দিৱস,কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা আৰু নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। ৫ জুনৰ পুৱা নেচনেল পায়নিয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল টংলাৰ অধ্যক্ষ চৈয়দ পাৰভিজুল ইছলামে পতাকা উত্তোলন কৰা পিছতে বন্তি প্ৰজ্বলন কাৰ্যসূচী আৰণ্যকৰ মধ্য অসম মণ্ডলৰ সমন্বয়ক বংকিম বৰুৱাই ৰূপায়ণ কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী বিশিষ্ট সাংস্কৃতিক কৰ্মী জ্ঞানেন্দ্ৰ কুমাৰ চলিহা আৰু জুবিন ফেন ক্লাবৰ উপদেষ্টা কনকসেন ডেকাই ৰূপায়ন





কৰে।ৰাজহুৱা স্থানত গছ পুলি ৰোপণ কৰা পিছতে কে কে বি ছোৱালী হাইস্কুলৰ শিক্ষক ৰূপন দত্তই প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। বিদ্যালয়ৰ অধ্যক্ষ চৈয়দ পাৰভিজুল ইছলামে সভাপতিত্ব কৰা বিশ্ব পৰিৱেশ দিৱস উপলক্ষে সজাগতা সভাত অসম চৰকাৰৰ পৰিৱেশ মিত্ৰ সন্মান প্ৰাপক, জ্যেষ্ঠ সাংবাদিক জয়ন্ত কুমাৰ দাসে আৰু টংলা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক স্বপন আচাৰ্যই পৰিৱেশ দিৱস সম্পৰ্কে সাৱলীলভাৱে ব্যাখ্যা কৰে। ২০২৬ চনত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ -ছাত্ৰীৰ সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠান বিদ্যালয়খনৰ বিজ্ঞান শাখাৰ সমন্বয়ক অনিমা ভূঞা বৰুৱা আৰু ড° নাৰায়ণ বড়াই সঞ্চালনা কৰে । কলা,বাণিজ্য আৰু বিজ্ঞান শাখাত সুখ্যাতিৰে উত্তীৰ্ণ ১৭০ গৰাকী ছাত্ৰ -ছাত্ৰীক আন্তৰিক সম্বৰ্ধনা জনায়। আনহাতে জি বি দাস সোঁৱৰণী বঁটা কলা শাখাত প্ৰণৱ পৌৰেল ,বাণিজ্যত ৰিব ৰিব ৰাভা আৰু বিজ্ঞান শাখাত পলক চক্ৰৱৰ্তীক নগদ পাঁচ হাজাৰ টকা সহ সম্বৰ্ধনা পত্ৰ আদিৰে উষ্ম সম্বৰ্দ্ধনা জ্ঞাপন কৰে। জীৱ বিজ্ঞান বিষয়ত সৰ্ব্বোচ্চ নম্বৰ লাভ কৰা পৰাণ স্বৰ্গীয়াৰীক নগদ ধন দহ হাজাৰ টকা সহ প্ৰফুল্ল চন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰে। বিদ্যালয়খনৰ অধ্যক্ষ চৈয়দ পাৰভিজুল ইছলামে সম্বৰ্ধনা জ্ঞাপন কৰা ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয় ছাত্ৰ-ছাত্ৰীসকলে নিজৰ শিপা কেতিয়াও পাহৰিব নালাগে ।নিজৰ ঠাই,অঞ্চল, ঘৰখন ,ওৰ চুবুৰীয়া আদিৰ পৰা নিশ্চিহ্ন হ'ব নালাগে ।উক্ত অনুষ্ঠানত ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া,সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য চিন্টুমনি চক্ৰৱৰ্তী, টংলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ মিণ্টু পাঠক ,প্ৰাক্তন ছাত্ৰ নেতা ড° জয়ন্ত কুমাৰ ভট্টাচাৰ্য, চাইফুল হক, কবি জয়ন্ত দাস, টংলা প্ৰেছক্লাব, কলাইগাঁও প্ৰেছক্লাবৰ বিষয়ববীয়া প্ৰমুখ্য বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দ, ছাত্ৰ ছাত্ৰী আৰু অভিভাৱক উপস্থিত থাকে। আনহাতে উক্ত অনুষ্ঠানতে আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান ওদালগুৰি মহৰ্ষি বিদ্যালয়, দ্বিতীয় স্থান প্ৰেছিডেন্সি চিনিয়ৰ চেকেণ্ডাৰী স্কুল, টংলা আৰু তৃতীয় স্থান অৰ্জন কৰা ৰাম স্বৰূপ আগৰৱাল মেমোৰিয়েল স্কুলক নগদ ধন লগতে ট্ৰফী প্ৰদান কৰে। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পী চয়নিকা দাসে গীতৰ শৰাই আগবঢ়োৱাৰ লগতে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে গীত নৃত্য পৰিৱেশন কৰি জীপাল কৰি তোলে। ৪ মে'ৰ দিনা পুৱা ১০ -৩০ বজাত অনুষ্ঠিত হয় আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতা। টংলা ইংলিছ মিডিয়াম হাইস্কুলৰ অধ্যক্ষ তপন কুমাৰ ভট্টাচাৰ্যই উদ্বোধন কৰা প্ৰতিযোগিতাত ভিন্ন বিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ওদালগুৰিৰ এএএছ দীপাংকৰ ডেকাই পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাত টংলা পৌৰ সভাৰ পৌৰপতি অৰ্জুন দৈমাৰীয়ে উপস্থিত থাকে।

# বিশ্ব পৰিৱেশ দিৱসত বৃক্ষৰোপণ কাৰ্যসূচীক আন্দোলনলৈ ৰূপান্তৰ কৰাৰ আহ্বান সঞ্জীৱ শ্যামৰ

**বৃক্ষৰোপণ কাৰ্যসূচীক কেৱল আনুষ্ঠানিকতাৰ মাজতে সীমাবদ্ধ নাৰাখি ইয়াক এক গণ আন্দোলনলৈ ৰূপান্তৰ কৰিব লাগিব**

**ডেভিড দাস, ৭ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহানগৰীৰ নাৰেংগী ভিআইপি ৰোডস্থিত লোকনিৰ্মাণ পথ বিভাগৰ গুৱাহাটী আঞ্চলিক সংমণ্ডলৰ সৌজন্যত এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়িত হয়। এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰি লোকনিৰ্মাণ পথ বিভাগৰ বিশেষ আয়ুক্ত সচিব সঞ্জীৱ শ্যামে ভাষণ প্ৰসংগত কয় যে বৃক্ষৰোপণ কাৰ্যসূচীক কেৱল আনুষ্ঠানিকতাৰ মাজতে সীমাবদ্ধ নাৰাখি ইয়াক এক গণ আন্দোলনলৈ ৰূপান্তৰ কৰিব লাগিব। তেওঁ কয়, 'প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ লগতে আৰু দহজন লোকলৈ এই কাৰ্যসূচী সম্প্ৰসাৰিত কৰিলেহে সমাজত এক ডাঙৰ পৰিৱৰ্তন আহিব, যাৰ ফলত ভৱিষ্যতে সকলোৱে নিৰ্মল অক্সিজেন লাভ কৰিব পাৰিব।' ইয়াৰ উপৰিও চৰকাৰী বিদ্যালয়সমূহৰ সুৰক্ষিত স্থানত বৃক্ষৰোপণ কৰাৰ বাবে প্ৰয়োজনীয় গছপুলি যোগান ধৰাৰো তেওঁ প্ৰতিশ্ৰুতি দিয়ে। উক্ত অনুষ্ঠানত লোক নিৰ্মাণ পথ বিভাগৰ মুখ্য অভিযন্তা হেমন্ত দেউৰী ভৰালী, অধীক্ষক অভিযন্তা অৰণি শৰ্মা, অভিজিৎ চৌধুৰী,নিলোৎপল কলিতা সহকাৰী মুখ্য অভিযন্তা আলতাফ উদ্দিন আহমেদ, নিউ গুৱাহাটী আঞ্চলিক সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা ভাস্কৰ মিশ্ৰ ভাগৱতী, সহকাৰী কাৰ্যবাহী অভিযন্তা কৌশিক মোহন শৰ্মা আৰু লক্ষ্যজ্যোতি বৰা সমাজ কৰ্মী বিজয় চৰকাৰ, তাপচ পালকে প্ৰমুখ্য কৰি বিভাগটোৰ বহুসংখ্যক কৰ্মচাৰী আৰু অভিযন্তা উপস্থিত থাকে। উল্লেখ্য যে, অনুৰূপ ধৰণে বিৰুবাৰী-ভৰলুমুখৰ নদীৰ পাৰত গুৱাহাটী মধ্য টেৰিটৰিয়েল পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা প্ৰাঞ্জল ভট্টাচাৰ্যৰ নেতৃত্বতো বৃক্ষৰোপণ কাৰ্যসূচী পালন কৰা হয়। একেদৰে ফটাশিল আমবাৰীস্থিত লোকনিৰ্মাণ বিভাগৰ ই এ পি ৰ মুখ্য অভিযন্তা জুৰেল টিমুঙ আৰু অধীক্ষক অভিযন্তা জ্ঞানদ্বীপ চৌধুৰীৰ সহযোগত বিভাগীয়ভাৱে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।



## ধৰণী শইকীয়ালৈ 'গ্ৰীন হিৰো' বঁটা প্ৰদান

**বাতৰি কাকত, কচুৰা, ৭ জুন ঃ** কামপুৰৰ প্ৰকৃতি বন্ধু তথা পৰিৱেশ কৰ্মী ধৰণী শইকীয়াক নগাওঁ ছোৱালী মহাবিদ্যালয়ে 'গ্ৰীৰ্ন হিৰো' বঁটা প্ৰদান কৰিছে। বিশ্ব পৰিবেশৰ দিনা মহাবিদ্যালয় খনত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্য পূৰ্ণ পৰিবেশত এই বঁটা প্ৰদান কৰা হয়। প্ৰকৃতি সুৰক্ষাৰ বাবে চলাই অহা সংগ্ৰামৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই এই বঁটাৰে সন্মানিত কৰে। প্ৰকৃতি প্ৰেমী জনক ফুলাম গামোচা, কিতাপৰ টোপোলা আৰু নগদ দহ হেজাৰ টকা প্ৰদান কৰে। ধৰণী শইকীয়াই পৰিবেশ সংৰক্ষনৰ বাবে বৰ্তমানলৈকে ৫০ হেজাৰ গছ পুলি ৰোপণ কৰাৰ লগতে অসুস্থ বহু পশু-পক্ষীক উদ্ধাৰ কৰি চিকিৎসা প্ৰদানৰ জৰিয়তে জীৱন দান দি আহিছে। এই অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, জিলা উপায়ুক্ত দেৱাশীষ শৰ্মা, জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰ, বনসংৰক্ষক ৰোহিনী বল্লভ শইকীয়া, জিলা বন প্ৰাধিকাৰী সুহাস কদম, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কুলেন দাস উপস্থিত থাকে।

## ৰঙিয়াত চুৰিৰ ধাৰাবাহিকতা অব্যাহত

**বাতৰি কাকত, ৰঙিয়া, ৭ জুন ঃ** আৰক্ষীক খোলা চেলেঞ্জ দুৰ্বৃত্তৰ। ৰঙিয়াত এটাৰ পিছত আন এটা চুৰি কাণ্ডই অব্যাহত ৰাখিছে। স্থানীয় লোকসকলক উদ্বিগ্ন কৰি তুলিছে। দুৰ্বৃত্তই আৰক্ষী প্ৰশাসনক প্ৰত্যাহ্বান জনাই অপৰাধজনিত কাৰ্য চলাই গৈছে। শেহতীয়া ঘটনাটো সংঘটিত হৈছে ৰঙিয়া ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ আই অ' ছি ত। আচৰিত কথা যে, ঘটনাস্থলীটো স্থানীয় বিধায়ক ভৱেশ কলিতাৰ বাসগৃহৰ একেবাৰে কাষতে আৰু ৰেড হৰ্ণ ডিভিজনৰ সেনা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ নিচেই সমীপতে অৱস্থিত। মাজনিশা প্ৰায় ১ বজাত এজন দুৰ্বৃত্তই ডেকা ষ্টোৰৰ টিংপাত কাটি ভিতৰলৈ প্ৰৱেশ কৰে। মুখত টৰ্চ লাইট লৈ তেওঁ অতি সাহসেৰে কেচ'ৰ পৰা নগদ ধন লুট কৰে আৰু দোকানখনৰ ৰজনীগন্ধা আৰু চিগাৰেটৰ পেকেটসমূহ লৈ মাত্ৰ ১০ মিনিটৰ ভিতৰতে উধাও হৈ যায়। ঘটনাটো সম্পূৰ্ণৰূপে চিচিটিভি কেমেৰাত বন্দী হৈছে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। এই চুৰি কাণ্ডৰ পিছতে ৰঙিয়াৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ স্বত্বাধিকাৰীসকলে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। তেওঁলোকে আৰক্ষী প্ৰশাসনৰ নিৰাপত্তা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। শেহতীয়াকৈ ৰঙিয়াত ধাৰাবাহিকভাৱে চুৰিৰ ঘটনা বৃদ্ধি পাইছে যদিও আৰক্ষীয়ে এতিয়ালৈকে কোনো দুৰ্বৃত্তক কৰায়ত্ত কৰিব্বলৈ সক্ষম হোৱা নাই। স্থানীয় লোকসকলে নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰাৰ দাবী জনাইছে। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## নাবালকক অপকৰ্ম কৰি জেললৈ হিন্দীভাষী লম্পট



**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ৭ জুন ঃ** নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত বৰতলত সংঘটিত এক চাঞ্চল্যকৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে নাজিৰা বৰতলত বিগত তিনি দশকতকৈও অধিক কাল চেলুনৰ ব্যৱসায় চলাই অহা ৰাজেশ ঠাকুৰ নামৰ বিহাৰী সম্প্ৰদায়ৰ লোকজনে কালি বিয়লি প্ৰায় চাৰি বজাত স্থানীয় এজন প্ৰায় ১০ বছৰীয়া কিশোৰক নিজৰ ভাৰাঘৰলৈ মাতি নি অসৎ কামনা চৰিতাৰ্থ কৰে। শিশুটোৱে যেনেতেনে লম্পট টোৰ কবলৰ পৰা দৌৰি পলাই আহি নিজ পিতৃ মাতৃক ঘটনা সন্দৰ্ভত অৱগত কৰাত শিশুটিৰ পিতৃয়ে নিশাই নাজিৰা আদৰ্শ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। পিতৃৰ এজাহাৰৰ ভিত্তিত নিশাই নাজিৰা আৰক্ষীয়ে অভিযুক্ত ৰাজেশ ঠাকুৰক ভাৰাঘৰৰ পৰাই গ্ৰেপ্তাৰ কৰে। ভুক্তভোগী শিশুটোৰ প্ৰাথমিক চিকিৎসা পৰীক্ষা সম্পন্ন কৰাৰ পিছত পিতৃ-মাতৃৰ জিম্মাত এৰি দিয়া হৈছে। এই সন্দৰ্ভত নাজিৰা থানা কেছ নং ২৭/২৬, ধাৰা ৪ পকচ' আইন (POCSO Act) অনুসৰি ৰুজু কৰা হৈছে। আৰক্ষীয়ে লম্পট ৰাজেশ ঠাকুৰক আটক কৰি আজি নাজিৰা সম জিলা ন্যায়িক দণ্ডাধীশৰ ওচৰত হাজিৰ কৰোৱাৰ পিছত দণ্ডাধীশে লম্পট ৰাজেশক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

## বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰিজ'নিয়াৰ বৃক্ষ ৰোপণ অভিযান

**বাতৰি কাকত, কাজলগাঁও, ৭ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস ২০২৬ উপলক্ষে ৰিজ'নিয়াই নিজ প্ৰকল্প এলেকাসমূহত ব্যাপক হাৰত বৃক্ষৰোপণ অভিযান আৰম্ভ কৰিছে আৰু এসপ্তাহৰ ভিতৰত ৫০০ জোপা বৃক্ষ ৰোপণৰ লক্ষ্য স্থিৰ কৰিছে। এই উপলক্ষে যোৱা ৫ জুনত ৰিজ'নিয়াৰ সহযোগী প্ৰতিষ্ঠান কেইচিৰ ৰাখলডু বিস্থিত কাৰ্যালয়ৰ বাকৰিত এই অভিযানৰ প্ৰাৰম্ভণি কৰা হয় আৰু পিছত কাজলগাঁও আৰক্ষী থানা আৰু ছিডলি ৰাজহ চক্ৰ কাৰ্যালয়ৰ চৌহদত বৃক্ষৰোপণ কৰা হয়। অহা ৮, ৯ জুনলৈ এই অভিযান ৰিজ'নিয়াৰ প্ৰকল্প এলেকাৰ বিভিন্ন হস্পিতাল, বিদ্যালয়, মহাবিদ্যালয় আৰু চৰকাৰী কাৰ্যালয়সমূহত অব্যাহত থাকিব। 'বৃক্ষৰোপণ কেৱল পৰিবেশ সেউজীয়াকৰণ প্ৰয়াসে নহয়; ইয়াৰ অৰ্থ হৈছে আমাৰ সমাজৰ বাবে এখন সু-স্বাস্থ্যসন্মত আৰু পৰিবেশ অনুকূল ভৱিষ্যত নিৰ্মাণৰ বাবে উদ্যোগ গ্ৰহণ কৰা। এই পদক্ষেপ পৰিৱেশ সংৰক্ষণত অৰ্থপূৰ্ণভাৱে অৱদান আগবঢ়োৱাৰ লগতে এক সেউজীয়া ভৱিষ্যতৰ বাবে সামূহীয়া পদক্ষেপ গ্ৰহণত সকলোকে উৎসাহিত কৰাৰ এক প্ৰয়াস,' বুলি ৰিজ'নিয়াৰ মুখপাত্ৰই জানিবলৈ দিয়ে। উল্লেখ্য যে এই অভিযানৰ সফলতা সুনিশ্চিত কৰাৰ বাবে, ৰিজ'নিয়াই প্ৰতিমাহে ৰোপণ কৰা বৃক্ষৰ প্ৰয়োজনীয় যত্ন আৰু ব্যৱস্থাপনাৰ জৰিয়তে লগতে নিয়মীয়া পৰ্যবেক্ষণ আৰু ৰক্ষণাবেক্ষণ অব্যাহত ৰাখিব যাতে বৃক্ষসমূহ মৰহি নাযায়। উক্ত অভিযানত ৰিজ'নিয়া আৰু কে ই চি ৰ বিভিন্ন বিষয়া কৰ্মচাৰীৰ লগতে কাজলগাঁও আৰক্ষী আৰু ছিডলি ৰাজহ চক্ৰ কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে।

## শপত গ্ৰহণ কৰা ১২ জন নতুন মন্ত্ৰীলৈ অভিনন্দন দিলীপ শইকীয়াৰ

**পুলক মেধি, ভুৱাগাঁও, ৭ জুন ঃ** গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তঃৰাষ্ট্ৰীয় কলামন্দিৰত অনুষ্ঠিত হোৱা শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল লকক্ষ্মণ প্ৰসাদ আচাৰ্যই শপত বাক্য পাঠ কৰোৱা অসম চৰকাৰৰ নৱ নিযুক্ত মন্ত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। বিকশিত, সুৰক্ষিত আৰু আত্মনিৰ্ভৰ অসমৰ দৃঢ় সংকল্পেৰে আজি 'টীম অসম' কেবিনেটৰ ১২ গৰাকী মন্ত্ৰীয়ে শপত গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰক অধিক শক্তিশালী কৰিলে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বক অসম চৰকাৰৰ নৱ নিযুক্ত প্ৰতিগৰাকী মন্ত্ৰীয়ে সামূহিক দায়িত্ববোধ, জনকল্যাণৰ অংগীকাৰ আৰু উন্নয়নৰ দৃঢ় সংকল্পেৰে ৰাজ্যবাসীৰ সেৱাত আত্মনিয়োগ কৰিব বুলি দৃঢ় বিশ্বাস প্ৰকাশ কৰে ৰাজ্যিক সভাপতিগৰাকীয়ে। লগতে সমূহীয়া প্ৰচেষ্টাৰ আৰু টীম স্প্ৰিটৰ শক্তিক সাৰথি কৰি ৰাজ্যখনৰ সামগ্ৰীক তথা সৰ্বাংগীন উন্নয়ন নিশ্চত কৰাৰ লগতে এখন অগ্ৰগামী, সমৃদ্ধ আৰু শক্তিশালী অসম গঢ়ি তোলাৰ লক্ষ্যৰে সকলোৱে সফলতাৰে দায়িত্ব পালন কৰিব বুলিও আশা প্ৰকাশ কৰিছে ৰাজ্যিক সভাপতিগৰাকীয়ে।

## প্ৰিজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ সাফল্য







**কুমুদ বৰ্মন, টিহু, ৭ জুন ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে অনুষ্ঠিত কৰা 'প্ৰজ্ঞান প্ৰতিভা সন্ধানী' পৰীক্ষাত চতুৰ্থ শ্ৰেণীৰ পৰা ৰাজ্যখনৰ ভিতৰতে পূৰ নলবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত ২ নং নাথকুছি মণ্ডলৰ পূৰ দীঘেলী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী ৰূপাঙ্কণা কাশ্যপে পঞ্চম স্থান লাভ কৰে। ৰূপাঙ্কণা কাশ্যপৰ ঘৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত গোৰৰাদল গাঁৱৰ পিতৃ ভাস্কৰজ্যোতি দাস আৰু মাতৃ শিখামণি দাসৰ কণ্যা। ছাত্ৰীগৰাকীয়ে কঢ়িয়াই অনা এনে সাফল্যত নলবাৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনী, পূব নলবাৰী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনী, টিহু মহকুমা ৰিপো'ৰ্টাৰ্ছ এছোচিয়েচন, টিহু আঞ্চলিক ছাত্ৰ সন্থা, যুৱ ছাত্ৰ পৰিষদ টিহু আঞ্চলিক সমিতি, টিহু সাহিত্য সভা, টিহু জ্যেষ্ঠ নাগৰিক সন্মিলন, টিহু সাংস্কৃতিক ক'লা পৰিষদ, নাথকুছি শাখা সাহিত্য সভাৰ লগতে জিলাখনৰ আটাইকেইটা শিক্ষাখণ্ডৰ শিক্ষক সন্মিলনীৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আনন্দ প্ৰকাশ কৰে। আনহাতে পঞ্চম শ্ৰেণীৰ পৰা মহকুমা ভিত্তিত প্ৰথম স্থান ৬৫৬ নং তিলনা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী সাগৰিকা কলিতা, দ্বিতীয় স্থান ১৩৮ নং কাশীনাথ বিদ্যামন্দিৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী অংকিতা দাস আৰু তৃতীয় স্থান শুভ্ৰনীল বৰ্মনে লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইফালে চতুৰ্থ শ্ৰেণীৰ পৰা ২ নং নিমোৱা লতিমা প্ৰাথমিক বিদ্যালয়ৰ পৰা আব্দিল মস্তানে প্ৰথম স্থান, হাৰিভাঙা বৰাট্ৰাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰা দিব্যজ্যোতি হালৈ দ্বিতীয় স্থান আৰু ৪১৩ নং শ্ৰেনীৰাম প্ৰাথমিক বিদ্যালয়ৰ পৰা দিপশিখা নাথে তৃতীয় স্থান লাভ কৰে।

## গছপুলি ৰোপন, চৌহদ পৰিষ্কৰণেৰে উমানন্দত বিশ্ব পৰিবেশ দিৱস

**বাতৰি কাকত, গুৱাহাটী, ৭ জুন ঃ** ব্ৰহ্মপুত্ৰৰ বক্ষত থকা ময়ূৰ দ্বীপ ৰূপে বিশ্ব খ্যাত ভষ্মাচল পাহাৰত অৱস্থিত উমানন্দ দেৱালয়ৰ চৌহদ পৰিষ্কৰণ আৰু দহটা মূল্যবান গছপুলি ৰোপনেৰে মধ্য কামৰূপ উন্নয়ন পৰিষদে আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰে। উমানন্দ দেৱালয় পৰিচালনা সমিতিৰ সহযোগত ৰূপায়ন কৰা আজিৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিশিষ্ট পৰিবেশ কৰ্মী মদন চন্দ্ৰ ভট্টাচাৰ্যই। নিজৰ অনুভৱ ব্যক্ত কৰি ভট্টাচাৰ্যই কয় যে, মানৱ সমাজ যে দৰাচলতে প্ৰকৃতিৰ দ্বাৰাহে লালিত পালিত সেই কথা আমি কেতিয়াবা পাহৰি যাও। যিদিনাই পকৃতিয়ে সন্তুলন হেৰুৱাৰ সেইদিনাই মানৱ সভ্যতাৰ পতন ঘটিব। আনহাতে মধ্য কামৰূপ উন্নয়ন পৰিষদৰ সচিব কিশোৰ কুমাৰ ভট্টাচাৰ্যই কয় যে,বৃটিছ সকলে 'পিকক আইলেণ্ড' নামেৰে নামাংকিত কৰা উমানন্দ কেৱল এক পীঠস্থানেই নহয়, বিশ্বৰ ক্ষুদ্ৰতম বসতি প্ৰধান নদী দ্বীপ হিচাপে ই পৰ্যটকৰো অন্যতম আকৰ্ষণ স্থলী। প্ৰতি বছৰে লাখ লাখ দেশী-বিদেশী ভক্ত, পৰ্যটক আৰু গৱেষকে উমানন্দ দৰ্শন কৰে। গতিকে ইয়াৰ সুবিমল প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰাতো আমাৰ সকলোৰে দায়িত্ব। ইয়াৰ লগত আমাৰ ৰাজ্যখনৰ ঐতিহ্য আৰু গৌৰৱ সংপৃক্ত হৈ আছে। আজিৰ কাৰ্যসূচীত উন্নয়ন পৰিষদৰ কেইবাগৰাকীও কাৰ্যকৰ্তাৰ লগতে মন্দিৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু পূজাৰী সকলেও অংশ গ্ৰহণ কৰে।



*বজালীৰ ঘটবৰ সাদেৰী গাঁওক নিম গাওঁ হিচাপে শুভাৰম্ভ*

## গ্ৰীণ মিছন বজালীৰ সঞ্চালক আনন্দ খাটনিয়াৰৰ পদক্ষেপক আদৰণি




**বাতৰি কাকত, পাঠশালা, ৭ জুন ঃ** বজালীৰ ঘটবৰ সাদেৰীত বিশ্ব পৰিৱেশৰ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় এখন গুৰুত্বপূৰ্ণ সভা। গ্ৰীণ মিছন বজালীৰ উদ্যোগত আৰু ঘটবৰ সাদেৰী গাঁওবাসী ৰাইজৰ সহযোগত নিম গাওঁ শুভাৰম্ভ অনুষ্ঠান ৰূপায়ন কৰা হয়। গ্ৰীণ মিছন বজালীৰ সঞ্চালক আনন্দ খাটনিয়াৰৰ সপোন যে প্ৰায় এশখন গাওঁ তেওঁ নিম গাওঁ বনাব। তাৰ অংশ হিচাপে ঘটবৰ সাদেৰী গাঁওত প্ৰতিটো পৰিয়ালক এজোপাকৈ গছপুলি প্ৰদান কৰি পদুলিত ৰোপণ কৰিবলৈ আহ্বান জনায়। অকল গছপুলি ৰোপণে নহয় তাক ভালদৰে যাতে সংৰক্ষণৰ ব্যৱস্থাও কৰা হয়। প্ৰতিগৰাকী ঘটবৰ সাদেৰীৰ ৰাইজৰ জন্ম দিনটোত এজোপাকৈ হলেও নিম গছৰ পুলি ৰোপণ কৰে তাৰ বাবেও আশা কৰে খাটনিয়াৰে। বৰ্তমান সময়ত যি গোলকীয় উষ্ণতা বৃদ্ধি পোৱাৰ ফলত যথেষ্ট গৰমৰ সৃষ্টি হৈছে। ইয়াৰ পৰা সকলোৱে যাতে প্ৰতিকাৰ পায় সেই বাবে নিম গছ দিয়া হৈছে। অকল গৰমৰ পৰা পৰিত্ৰাণে নহয় নিম গছ ৰোপণৰ ফলত এটা পৰিয়ালৰ বহু অসুখৰ পৰাও নিৰাময় হয়। আনন্দ খাটনিয়াৰৰ এই পদক্ষেপ গএগ ৰাইজে সলাগ লোৱাৰ লগতে যাতে খাটনিয়াৰৰ যি এশখন গাওঁ নিম গাওঁ কৰিব সেয়া সম্পূৰ্ন হয় তাৰ আশা কৰিছে। এই গুৰুত্বপূৰ্ণ সভাত গাওঁখনৰ সমুদ্ৰ তালুকদাৰ, শশীমোহন বৰুৱা, অংকুৰ বৰুৱা, ভূমিধৰ শাউদ, কংকন তালুকদাৰ, দুৰ্লভ তালুকদাৰে ভাষণ প্ৰদান কৰে। সভাৰ শেষত সকলোৱে এটিকৈ নিম গছৰ পুলি লৈ ঘৰলৈ যায়।

## চৰকাৰী ঘৰৰ নামত এইবোৰ কি চলিছে

**বাতৰি কাকত, ছিপাঝাৰ,৭ জুন ঃ** কংগ্ৰেছ চৰকাৰৰ আমোলত ইন্দিৰা আৱাস গৃহ আঁচনিত ব্যাপক খেলিমেলিৰ পিছত এতিয়া বিজেপি চৰকাৰৰ আমোলত পি এম গৃহ আঁচনিতো একাংশ প্ৰকৃত দুখীয়া দৰিদ্ৰ পৰিয়ালে ঘৰ ঘৰ বুলি কান্দি থকাৰ পাছতো চৰকাৰী গৃহ লাভৰ সৌভাগ্য ঘটা নাই দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত। পঞ্চায়তখনৰ এনে এক তথ্য সমৃদ্ধ বাতৰি ধাৰাবাহিক ভাৱে সম্প্ৰচাৰ হৈ অহাৰ পাছত ঘোপেলী গাঁৱৰ অতিকৈ ডাল দৰিদ্ৰ তথা সম্পত্তিবুলিবলৈ ঘৰৰ ভেটিৰ মাটিখিনিৰ বাহিৰে একোকে নথকা ওচমান গণি নামৰ দিন হাজিৰা কৰি কিবাকৰি পৰিয়ালক জীয়াই ৰখা বুভুক্ষু লোক গৰাকীৰ থাকিবলৈ এটা ভাল ঘৰ নাই। দুগৰাকীকৈ গাভৰু ছোৱালী বাস কৰে। দুজনী ইতিমধ্যে এই ঘৰটোৰ পৰাই বিয়া দি উলিয়াই দিলে। এতিয়াও এইঘৰটোতে পৰিয়ালটোৰ পাঁচগৰাকীকৈ মানুহে বসবাস কৰি আছে। আশ্বৰ্যজনক কথা যে এনে এটা বুভুক্ষু পৰিয়ালে কিন্তু অন্তত পি এম গৃহ এটা লাভ কৰাৰ সৌভাগ্য উদয় নাই। বঞ্চিত হিতাধিকাৰীৰ অভিযোগ দহ আগেত পঞ্চায়ত প্ৰতিনিধি ঘৰৰ দিবৰ বাবে আহিছিল। যাৰ বাবে ওচমান গণিয়ে ঘৰৰ আশাত খেতাপৰা মুখত হাঁহি বিৰিঙি উঠিছিল। কিন্তু আশ্বৰ্যজনক কথা যে দহবছৰ পূৰ্বে হ'বলগীয়া ওচমান গণিৰ চৰকাৰী গৃহ কিন্তু দহবছৰ পাছতো পাবলে সক্ষম হোৱা নাই। ইফালে ওচমান গণিয়ে তেওঁৰ নিকটৱৰ্তী সকলোৱে চৰকাৰী গৃহ লাভ কৰাৰ কথা উল্লেখ কৰি কোনো কোনোজনে দুটাকৈ গৃহ লাভ কৰা বুলিও জানিব দিয়ে।

## পশ্চিম খাটাৰ কালাকুছিত বিশ্ব পৰিৱেশ দিৱস পালন

**বাতৰি কাকত, জাগাৰা, ৭ জুন ঃ** নলবাৰী জিলাৰ পশ্চিম খাটাৰ কালাকুছিস্থিত ৰাজহুৱা শ্মশানত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৫০ গৰাকী বয়োজ্যেষ্ঠ ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপন কৰা হয়। গাঁওখনৰে আদৰ্শ কৃতী শিক্ষক প্ৰয়াত পঞ্চানন শৰ্মা আৰু প্ৰয়াতা ইন্দুমতি দেৱীৰ জৰিয়তে এই বিনন্দীয়া ধৰালৈ অহাৰ সুযোগ ঘটা পুত্ৰ-কন্যাসকলৰ ভিতৰত বিশেষকৈ পুত্ৰ অভিযন্তা নিৰঞ্জন শৰ্মাই তেৰঁৰ আৰ্জিত ধনেৰে প্ৰায় ১০ লক্ষ টকা ব্যয়েৰে নিৰ্মাণ কৰি ২০২৫ ইং বৰ্ষৰ ১৩ এপ্ৰিলত পিতৃ-মাতৃৰ সোঁৱৰণত গাঁওখনৰ এটি দীৰ্ঘদিনীয়া সমস্যা আতৰাই আনুষ্ঠানিকভাৱে গাঁওখনৰ জনগণৰ কল্যাণাৰ্থে মুকলি কৰি দিছিল এখন ৰাজহুৱা শ্মশান। পশ্চিম খাটাৰ কালাকুছি গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আৰু অভিযন্তা নিৰঞ্জন শৰ্মাৰ পূৰ্ণ সহযোগত আজিৰ এই গছপুলি ৰোপণ কাৰ্যসূচীটো সম্পন্ন হয়। গাঁওখনৰে শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ প্ৰাংগণত গাঁও উন্নয়ন সমিতিৰ সভাপতি অধিক ডেকাৰ সভাপতিত্বত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এখন সজাগতা সভাও অনুষ্ঠিত হয়। ধনজিৎ হালৈয়ে আঁত ধৰা এই সভাখনত মানসিক ৰোগ বিশেষজ্ঞ ডাঃ ৰমেশ ভট্ট , বিশিষ্ট নাট্যকাৰ সতীশ দাস, অৱসৰপ্ৰাপ্ত মাৰ্কেটিং ইন্সপেক্টৰ অশ্চিনী মেধি, ৰবীন্দ্ৰ ভৱনৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পদ্ম শৰ্মা, স্থানীয় গাঁওপ্ৰধান প্ৰমোদ মেধি, স্থানীয় সমাজ সচেতক ব্যক্তি ক্ৰমে দিননাথ তালুকদাৰ, বিপুল তালুকদাৰ, ৰণ্টু শৰ্মা, দিগন্ত হালৈ, দিপক তালুকদাৰ, নৃপেন তালুকদাৰ,প্ৰকাশ হালৈ,ৰমেন শৰ্মা আৰু বুবুল ডেকাই ভাগ লৈ নিজ নিজ বক্তব্য সমূহ দাঙি ধৰে। বক্তাসকলৰ ভিতৰত বিশেষকৈ নাট্যকাৰ সতীশ দাসে তেৰঁৰ বক্তব্যত প্ৰকাশ কৰে যে গাঁৱৰ কৰ্মসূত্ৰে কোনো লোক দূৰত থাকিলেও জন্ম গাঁওখনৰ সামাজিক ক্ষেত্ৰখনৰ মূল শিপাডালক কেতিয়াও পাহৰিব নালাগে। উদাহৰণ হিচাপে গাঁওখনৰ স্বনামধন্য ব্যক্তি অভিযন্তা নিৰঞ্জন শৰ্মাৰ পৰিয়ালটিয়ে আজিও গাঁওখনৰ মূল শিপাডালক পাহৰি নযোৱাৰ কথা উল্লেখ কৰে। লগতে নাট্যকাৰ দাসে শ্মশান এখনক মন্দিৰৰ লগত তুলনা কৰি কয় পৱিত্ৰ শ্মশানখন অতি চাফ-চিকুণকৈ ৰাখিব লাগে আৰু গছপুলিও ৰোপন কৰিব লাগে।কিয়নো জীৱশ্ৰেষ্ঠ মানৱৰ নশ্বৰ দেহৰ অন্তোষ্টিক্ৰিয়াৰ সময়ত ভাগ লোৱা প্ৰতিজন লোককে শুদ্ধ আৰু নিৰ্মল অক্সিজেন বায়ুৰ প্ৰয়োজন। সেয়ে শ্মশানত গছপুলি ৰোপনৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰে। সভাখনত প্ৰতিগৰাকী গছপুলি ৰোপককে অভিযন্তা নিৰঞ্জন শৰ্মাই ফুলাম গামোচাৰে শ্ৰদ্ধা জনোৱাৰ লগতে অভিযন্তা শৰ্মা আৰু তেওঁৰ পত্নী ড° ৰাজলক্ষ্মী দেৱীকো গাঁও উন্নয়ন সমিতিৰ তৰফৰ পৰা ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সভাৰ শেষত অভিযন্তা নিৰঞ্জন শৰ্মাৰ পুত্ৰ-বোৱাৰী ক্ৰমে নিৰজ শৰ্মা আৰু ৰুণুমী শৰ্মাৰ জৰিয়তে এই ধৰালৈ অহাৰ সৌভাগ্য ঘটা দিবাং শৰ্মাৰ জন্মদিন উপলক্ষে শ্ৰীশ্ৰীজগন্নাথ মন্দিৰত আই-মাতৃসকলৰ দ্বাৰা নাম প্ৰসংগ কৰে।



## জাননী

ইয়াৰ দ্বাৰা আশাৰীকান্দি ইউথ ডেভলোপমেন্ট কো অপাৰেটিভ সমবায় সমিতি লিমিটেডৰ অংশীদাৰ সকলক জনোৱা যায় যে তলত উল্লেখ কৰা মাটিৰ দাগ আৰু পাট্টা নংৰ ওপৰত চিভিল কেচ কৰা হ'ব। যদি কোনো অংশীদাৰৰ আপত্তি থাকে তিনিদিনৰ ভিতৰত কাৰণ দৰ্শাৱ লাগিব।

মাটিৰ বিৱৰণ ঃ

১। দাগ নং পুৰণি ৯৬ নতুন ১৩৪ পাট্টা নং পুৰণি ২৬ নতুন ৫১
২। দাগ নং পুৰণি ১২৬ নতুন ১৭৭পাট্টা নং পুৰণি ২৬ নতুন ৫১
৩। দাগ নং পুৰণি ৪২ নতুন ৬১ পাট্টা নং পুৰণি ৬৮ নতুন ৯৪
৪। দাগ নং পুৰণি ১৪৩ /৪৬২ নতুন ২২৬ পাট্টা নং পুৰণি ২০৪ নতুন ১৪৬

**নিগমানন্দ মোদক**
সভাপতি
আশাৰীকান্দি ইউথ ডেভলোপমেন্ট কো অপাৰেটিভ সমবায় সমিতি লিমিটেড

# জীৱনৰ বাটত উপন্যাসত প্ৰতিফলিত গ্ৰাম্য

■ ড° ৰুমী কলিতা

ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখন অকল অসমীয়া উপন্যাস সাহিত্যৰে নহয় সমগ্ৰ অসমীয়া সাহিত্যৰে এপদ বাছকবনীয়া অলংকাৰ 'জীৱনৰ বাটত' প্ৰকাশ হয় ১৯৪৫ চনত। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগতে প্ৰকাশিত 'জীৱনৰ বাটত' উপন্যাস এতিয়াও অপ্ৰতিদ্বন্দ্বী হৈয়েই আছে। অসমীয়া উপন্যাসক এক নতুন চিন্তাধাৰাৰে নতুন পৰিৱেশত ৰূপ দিছিল ড° বিৰিঞ্চি কুমাৰ বৰুৱাই। উপন্যাসখনৰ অদ্যাবধি জনপ্ৰিয়তাৰ অন্যতম কাৰণ হৈছে ইয়াত প্ৰকাশ হোৱা নিখুঁত গাঁৱলীয়া ছবি। ড° বিৰিঞ্চি কুমাৰ বৰুৱা আছিল সমাজ তত্ত্বদৰ্শী ঔপন্যাসিক। তেওঁ নিজেই মন্তব্য কৰিছে যে, বৰ্তমান সময়ৰ কাহিনীকাৰসকলে সমাজৰ অৱহেলিত লোকসকলৰ প্ৰতি দৃষ্টিপাত কৰি অসামান্য সামাজিক তাৎপৰ্য মূল্যায়ন কৰাৰ যি প্ৰচেষ্টা চলাইছে 'জীৱনৰ বাটত' অসমৰ গ্ৰাম্য জীৱনৰ আধাৰত ৰচনা কৰা তেনে উপন্যাস।

'জীৱনৰ বাটত' উপন্যাসখনৰ বিষয়বস্তু গ্ৰাম্য সমাজৰ পটভূমিত আৱৰ্তিত। অসমৰ গ্ৰাম্য সংস্কৃতিৰ ক্ষীয়মান সুঁতিত সুস্থ জীৱনবোধৰ গতি হেৰুৱাই পেলোৱা এগৰাকী সৰলমনা যুৱতীৰ জীৱন বাটৰ মৰ্মস্পৰ্শী বেদনাৰ ইতিহাস 'জীৱনৰ বাটত' উপন্যাসত অংকিত হৈছে। পুৰণি ৰীতি-নীতি, সভ্যতা-সংস্কৃতিৰ জীপ থকা, সনাতন গাঁৱলীয়া সমাজত জন্ম আৰু লালিত-পালিত হোৱা তগৰৰ জীৱনৰ বাটৰ বিষয়ে ক'বলৈ যাওঁতে স্বাভাৱিকতে সেই সমাজখনৰ বিভিন্ন ছবিয়েও উপন্যাসত ভূমুকি মাৰিছে।

উপন্যাসখনৰ কাহিনী আৰম্ভ হৈছে সম্পূৰ্ণ গ্ৰাম্য সমাজৰ পটভূমিত আৰু সামন্তবাদৰ শেষ সীমাৰ পৰিৱেশত। কিন্তু কাহিনীয়ে ক্ৰমান্বয়ে বিস্তাৰিত হৈ সাম্ৰাজ্যবাদী শাসনৰ পোহৰত গঢ় লৈ উঠা নতুন অভিজাত শ্ৰেণীৰ জীৱনৰ পৰিমণ্ডলত প্ৰৱেশ কৰিছে। তগৰ উপন্যাসখনৰ নায়িকা হ'লেও প্ৰকৃততে কমলাকান্তৰ জীৱনৰ ক্ৰমগতিৰ মাজেদিহে পৰিৱৰ্তনমুখৰ সমাজৰ ভিন ভিন দিশবোৰ স্পষ্ট হৈ উঠিছে।

'জীৱনৰ বাটত' উপন্যাসত গ্ৰাম্য সমাজৰ ছবি কেনেদৰে প্ৰতিফলিত হৈছে সেই বিষয়ে আলোচনা কৰিবলৈ হ'লে তলৰ বিষয়সমূহত গুৰুত্ব দি আলোচনাটি আগবঢ়াই নিব লাগিব— ১) সামাজিক উৎসৱ পাৰ্বন, ২) লোকবিশ্বাস আৰু সংস্কাৰ, ৩) জাতকুলৰ সংস্কাৰ, ৪) বেজালি তন্ত্ৰ-মন্ত্ৰ, ৫) গীত-পদ, ৬) নাৰীৰ প্ৰতি সমাজৰ দৃষ্টিভংগী বা নাৰীৰ সামাজিক প্ৰস্থিতি, ৭) অৰ্থনৈতিক অৱস্থা, ৮) তাঁতশালৰ ছবি, ৯) খাদ্য প্ৰণালী, ১০) সামূহিক মনোভাৱ আৰু ১১) জীৱিকা।

**সামাজিক উৎসৱ পাৰ্বন ঃ**— সামাজিক উৎসৱ পাৰ্বন বুলি ক'লে বিবাহৰ কথাই প্ৰথমে মনলৈ আহে। বিবাহ অসমীয়া সমাজ জীৱনৰ অনাবিল আনন্দৰ উৎস থকা এক ৰাজহুৱা উৎসৱ। উপন্যাসখনৰ কাহিনীৰ সূত্ৰপাতো হৈছে মৌজাদাৰ ভোগদত্ত শইকীয়াৰ জীয়েকৰ বিয়াক কেন্দ্ৰ কৰি। গ্ৰামাঞ্চলত বিয়া বুলি ক'লে ৰভা দিয়াকে আদি কৰি তামোল-পাণ কটা, সকলো লাগতিয়াল বস্তুৰ যোগাৰ কৰা, অতিথিক শুশ্ৰূষা কৰা ইত্যাদি সকলো কামৰে দায়িত্ব ৰাইজেই মূৰ পাতি লয়। উপন্যাসখনত আইদেউৰ বিয়াক কেন্দ্ৰ কৰি গাঁৱৰ জীয়ৰী-বোৱাৰীৰ মাজত উলাহে নধৰা অৱস্থাৰ সৃষ্টি হৈছে। বিবাহ অনুষ্ঠানত পাতিব লগা ভাওনাৰ বিষয়েও আলোচনা হৈছে। দৈনন্দিন জীৱনৰ প্ৰাত্যহিকতাত অভ্যস্ত জীয়ৰী-বোৱাৰীয়ে সুযোগ পালেই ৰং-ৰহইচ কৰে। এনে চিত্ৰৰ বৰ্ণনা উপন্যাসখনিত এইদৰে পোৱা যায়— তগৰে টপৰাই মাত দিলে- 'মই দিনহে গণিছো তোমাৰ পিছে অৱস্থা হৈছে কি?'

"ঘন ঘন মুৰুচি পৰয় বৰ নাৰী।
ফোকাৰয় শ্বাস নয়ন জুৰে কৰি।।"

আৰু ক'বলৈ নাপালে বহাৰ পৰা হঠাতে উঠি আহি আইদেৱে তগৰৰ মুখত সোপা দিলেহি। তামোল কটা কটাৰী হাতৰ পৰা পেলাই আটাইকেইজনীয়ে বাগৰি বাগৰি হাঁহিবলৈ ধৰিলে। অসমীয়া গ্ৰাম্য সমাজত আনন্দ উৎসৱেই হওক বা বিপদ-বিঘিনিতেই হওক সকলোৱে হাত উজান দিয়ে। বিবাহ অনুষ্ঠানৰ মাজেদি ঔপন্যাসিকে সেই একতাকে প্ৰতিপন্ন কৰিব বিচাৰিছে।

**লোকবিশ্বাস আৰু সংস্কাৰ ঃ** অসমীয়া সমাজ জীৱন বিভিন্ন লোকবিশ্বাস আৰু সংস্কাৰেৰে পৰিপূৰ্ণ। ঔপন্যাসিকে দাঙি ধৰা সৰু সৰু কথা, সৰু সৰু বিশ্বাস, ৰীতি-নীতি বাস্তৱসন্মত। গাঁৱৰ বিবাহ অনুষ্ঠানৰ আৰম্ভণিতে পতা ভাওনাখন মিলনৰহে হ'ব লাগে বিয়োগান্তক নহয়। সেইবাবে মৌজাদাৰৰ জীয়েকৰ বিবাহত পতা ভাওনাখন সীতা সয়ম্বৰ বা ৰুক্মিণী হৰণ হ'ব লাগে বুলি গাঁৱৰ বুঢ়া-মেথাসকলে পৰামৰ্শ দিছিল। যুৱীয়াকৈ পাণত শলা মাৰিব নাপায় বুলি অসমীয়া সমাজত এটি বিশ্বাস প্ৰচলিত আছে— 'দেখিছা দেখিছাঙ্গ এইয়া চাৰিখনীয়াকৈ পাণত কোনে শলা মাৰিছে? এই নাতেশৰী কিজনী। যুৱীয়াকৈ হ'বলা পাণ দিয়ে?" গাঁৱলীয়া সহজ-সৰল সমাজখনত পুথি-পাজিৰ প্ৰতি শ্ৰদ্ধা জড়িত বিশ্বাসে প্ৰত্যেকৰে অন্তৰত বিদ্যা-শিক্ষাৰ প্ৰতি এক শ্ৰদ্ধাজড়িত ভাৱৰ উদ্ৰেক কৰি আহিছে। তাৰ প্ৰকাশ ঘটিছে এইদৰে — "কিতাপখন ল'ৰালৰিকৈ বুটলি মূৰত লগাই সেৱা কৰি মেজত থ'লে। তগৰৰ শ্ৰদ্ধাজড়িত সহজ বিশ্বাসলৈ লক্ষ্য কৰি কমলাকান্তই ক'লে—

'সেইখন দেখোন ইংৰাজী কিতাপ?'
'ইংৰাজী কিতাপত জানো সৰস্বতী নাথাকে?'
'ওহো'
'ইস ইংৰাজী কিতাপ জানো শাস্ত্ৰ নহয়?'

গ্ৰাম্য সমাজ ব্যৱস্থাত বিয়াৰ আগত ল'ৰাই ছোৱালীক আঙঠি পিন্ধালে সেই আঙঠিটো মাংগলিক বস্তু হৈ পৰে আৰু ল'ৰাজনে ছোৱালীজনীক বিয়া কৰোৱাটো বাধ্যতামূলক হয়। কমলাকান্তই তগৰক মনে মনে আঙঠি পিন্ধাওতে তগৰে ভাল পাইছিল যদিও মনে মনে তাই ভয়ত বিতত হৈ পৰিছিল। কমলাকান্তই গোপনে কৰা ভুলৰ প্ৰকাশ্যে তাৰ প্ৰায়চিত্ত কৰাৰ আশ্বাস দিয়াৰ কাৰণেহে তগৰ আশ্বস্ত হৈছিল। এইবোৰৰ উপৰিও অসমীয়া গ্ৰাম্য সমাজৰ অনেক লোকবিশ্বাস 'জীৱনৰ বাটত' উপন্যাসত প্ৰকাশিত হৈছে। ধূতী গাৰে শোৱনি ঘৰত সোমালে পুনৰ গা-ধুৱ লাগে, মৃত্যুমুখী মানুহক মুখত গংগাজল দিয়া, ওজা বা বেজে জাৰি দিয়া পানী খালে আৰু ডোল গাত বান্ধিলে সোনকালে প্ৰসৱ হোৱা, চকুৰ পানী পৰিলে মৃতকৰ আত্মাই সদ্‌গতি নাপায় ইত্যাদি এশ এবুৰি লোকাচাৰ, লোকবিশ্বাস কাহিনীৰ প্ৰাসংগিকতাত ঔপন্যাসিকে সুন্দৰভাৱে প্ৰকাশ কৰিছে।

**জাত-কুলৰ সংস্কাৰ ঃ** ভাৰতীয় আন সমাজত প্ৰচলিত থকাৰ দৰে জাত-কুলৰ সংস্কাৰেও অসমীয়া সমাজখনক ছানি থৈছে। বিশেষকৈ বৈবাহিক সম্বন্ধ স্থাপন কৰাৰ সময়ত এই সংস্কাৰক অধিক গুৰুত্ব দিয়া হয়। জাতি-কুল মিলাই বিয়া নাপাতিলে সমাজৰ ওচৰত দোষণীয় হ'ব লগা হয় আৰু সমাজত আঠু লৈ দণ্ড দিলেহে সমাজে আঁকোৱালি লয়। কেতিয়াবা কেতিয়াবা এনে কাৰ্য কৰা লোকক সমাজে এঘৰীয়া কৰে। এই সংস্কাৰৰ প্ৰকাশ ঘটিছে তগৰ আৰু ধৰণীৰ বিয়াৰ সম্পৰ্কত। কেনেবাকৈ যদি জাতি-কুল মাৰি ছোৱালী আনিব লাগে তেনেহ'লে চিৰদিনলৈ কুলত কুখ্যাতি ৰৈ যোৱাৰ লগতে সমাজৰ পৰাও এঘৰীয়া হ'ব লগা হয়। উপন্যাসখনিৰ অন্যতম চৰিত্ৰ মনোহৰে উজনিলৈ বুলি যোৱা ৰেলগাড়ীখনত উঠিবলৈ গৈ গৰিয়া-মৰিয়াৰ লগত একেলগে বহা ঠাইলৈ যাবলৈ অস্বীকাৰ কৰিছে। উপন্যাসখনত লালুঙৰ তিৰোতাই পিঠিত কেঁচুৱা বান্ধি ধান কটাৰ কথা, ধৰ্মেশ্বৰ গোঁসাইৰ ডেৰকুৰি কোঁচ শিচ থকাৰ কথাও উল্লেখ কৰিছে। বিয়াৰ পাছত ন-বোৱাৰী তগৰক চাবলৈ অহা ধৰ্মেশ্বৰ গোসাঁইৰ পত্নী গোসাঁনীয়ে তগৰে পাৰি দিয়া কুঁহিলাৰ ন-কঠটো অশুচি বুলি ভাবি নবহাকৈয়ে তগৰে আগবঢ়াই দিয়া তামোল-পাণৰ বটাটোৰ পৰা ৰূপালী সিকিটো বুটলি লৈছে। এনেদৰে 'জীৱনৰ বাটত' উপন্যাসখনিত সমাজত বৰ্তি থকা জাত-কুলৰ বিচাৰ, জাতিভ্ৰষ্ট হোৱাৰ আশংকা, নিজকে উচ্চ জাতি আৰু বাকীবোৰ নিম্ন জাতি বুলি ভবা মনোবৃত্তি সুন্দৰভাৱে প্ৰকাশি উঠিছে।

**বেজালি তন্ত্ৰ-মন্ত্ৰ ঃ** বেজালি তন্ত্ৰ-মন্ত্ৰ আদিয়ে অসমীয়া সমাজখনক পৰিপূৰ্ণভাৱে প্ৰভাৱান্বিত কৰি ৰাখিছিল। নগাঁও জিলাৰ মায়ং অঞ্চল তন্ত্ৰ-মন্ত্ৰৰ কাৰণে বিখ্যাত আছিল। ল'ৰা-ছোৱালীয়ে অভিভাৱকৰ বিনা অনুমতিত নিজে বৈবাহিক সম্বন্ধ স্থাপন কৰিবলৈ ওলালে মানুহে মন্ত্ৰৰ সহায়েৰে মন মোহিত কৰা বুলি ভ্ৰান্ত ধাৰণা কৰিছিল। ধৰণীয়ে তগৰক বিয়া কৰাবলৈ ওলোৱা কথাটোত সম্বন্ধীয় মানুহে তন্ত্ৰ-মন্ত্ৰৰ গোন্ধ পাইছিল। ধৰণীৰ মাক আহিনীৰ কথাই ইয়াৰ প্ৰমাণ দিয়ে, "লাগিলে মায়ঙৰ বেজৰ ওচৰলৈকে মানুহ পঠিয়াম। ঔষধ-আহুদি নকৰিলে ল'ৰাই বিয়া কৰাবলৈ কিয় ওলাব।"

**গীত-পদ ঃ** অসমীয়া জাতীয় জীৱনৰ লগত গীত-পদৰ নিবিড় সম্পৰ্ক আছে। লোকজীৱনৰ বিভিন্ন দিশৰ পৰিচয় ফুটি উঠে উৎসৱ-পাৰ্বন আদিত ব্যৱহাৰ হোৱা গীত-মাতৰ মাজেৰে। অসমীয়া জনজীৱনৰ সুখৰ-দুখৰ সকলো অনুষ্ঠানতে গীত-পদৰ প্ৰয়োগ মন কৰিবলগীয়া। সামাজিক জীৱনৰ বাহিৰেও ব্যক্তিগত জীৱনতো মানুহে সুখৰ সময়তে হওক বা দুখৰ সময়তে হওক আশ্ৰয় লয় লোকগীত, কীৰ্তন, দশমৰ বিভিন্ন পদৰ। 'জীৱনৰ বাটত' উপন্যাসত অসমীয়া সমাজ জীৱনৰ কথা ক'বলৈ যাওঁতে ঔপন্যাসিকে আৰম্ভণিতেই লোকগীতৰ প্ৰতীকী ব্যঞ্জনাৰ জৰিয়তে বক্তব্য বিষয় সম্পৰ্কে ইংগিত দিছে—

"কাম চৰাইৰ ৰঙা ঠোঁট
তাতে দিলে দীঘল ফোট।
পিতাদেউ পিতাদেউ দূৰৈকৈ
নিদিবি মোক।'

প্ৰতিটো অধ্যায়ৰ আগলি পাতত থকা লোকগীতৰ কলি কেইটিৰ উপৰিও ঔপন্যাসিকে আন আন গীত-মাতৰ উদ্ধৃতি যথাযথভাৱে ব্যৱহাৰ কৰিছে। বৰগীত, কীৰ্তন ঘোষাৰ পৰা উদ্ধৃতি চয়ন কৰাৰ উপৰিও এঠাইত সংস্কৃত স্তৱকো উদ্ধৃত কৰিছে। তদুপৰি উপন্যাসখনৰ দুঠাইত দুটা ৰবীন্দ্ৰ সংগীত ব্যৱহাৰ কৰা হৈছে। পৰিস্থিতি অনুযায়ী ঔপন্যাসিকে অৰ্থৱহভাৱে এনে গীত-মাতৰ প্ৰয়োগ কৰাটো লক্ষণীয়। অসমীয়া গাঁৱলীয়া সমাজত লোকগীত আৰু বৈষ্ণৱ সাহিত্যৰ প্ৰভাৱ পৰাটো নিতান্তই স্বাভাৱিক ঘটনা। পুৰণি অসমৰ সামাজিক আৰু আধ্যাত্মিক জীৱনত বৈষ্ণৱ সাহিত্যই গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। সুপ্ৰভাহঁতৰ সমাজত ৰবীন্দ্ৰ সংগীতৰ জ্ঞান থকাটো নব্য আভিজাত্যৰ পৰিচায়ক। পুৰণি থলুৱা সংস্কৃতি-সভ্যতাৰ প্ৰমূল্য নিৰূপণৰ বাবে তগৰৰ যোগেদি এফালে যেনেকৈ ঔপন্যাসিকে লোকগীত, ফকৰা-যোজনা, বৈষ্ণৱ গীত পদৰ আশ্ৰয় লৈছে, আনফালে তেনেকৈ নতুন সভ্যতাৰ প্ৰতিনিধিসকলৰ ক্ষেত্ৰত ৰবীন্দ্ৰ সংগীতৰ ব্যৱহাৰ কৰিছে।

**নাৰীৰ প্ৰতি সমাজৰ দৃষ্টিভংগী বা নাৰীৰ সামাজিক প্ৰস্থিতি ঃ** 'জীৱনৰ বাটত' উপন্যাসত বৰ্ণিত কাহিনীৰ সময়ছোৱাত নাৰীৰ প্ৰতি সমাজে এক পক্ষপাতমূলক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। স্বাধীনতা পূৰ্বকালৰ ভাৰতবৰ্ষৰ আন ঠাইৰ দৰে অসমতো নাৰীক প্ৰায় দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য কৰা হৈছিল। স্ত্ৰী শিক্ষাৰ প্ৰতিও অসমীয়া সমাজখনৰ আগ্ৰহ যথেষ্ট কম আছিল। নাৰীৰ প্ৰতি সমাজৰ এনে দৃষ্টিভংগীৰ বাস্তৱ প্ৰকাশ সমসাময়িক আন সাহিত্যকৰ্মৰ দৰে 'জীৱনৰ বাটত' উপন্যাসতো প্ৰকাশ পাইছে। সেই সময়ত প্ৰচলিত নাৰী সম্পৰ্কীয় দৃষ্টিভংগীয়েই ঔপন্যাসিকক সমাজৰ এই দিশটো উপন্যাসত প্ৰকাশ কৰাত সহায় কৰিছিল বুলি অনুমান কৰিব পাৰি। তগৰৰ দেউতাকৰ মুখতেই প্ৰথমে এনে বক্তব্য প্ৰতিধ্বনিত হৈছে— "ছোৱালীৰ মত লৈ বিয়া দিয়াৰ প্ৰথা আমাৰ সমাজত এতিয়াও চলা নাই।" স্ত্ৰী শিক্ষাৰ প্ৰতিও অসমীয়া সমাজত বৰ উচ্চ ধাৰণা নাছিল। প্ৰাথমিক শিক্ষাখিনি দিয়াত কাৰ্পণ্য নকৰিলেও ছোৱালীক উচ্চ শিক্ষা দিয়াৰ বাবে সাধাৰণতে মানুহৰ মন নাছিল। এনে মানসিকতাৰ ছবিও উপন্যাসত অংকিত হৈছে— "কি ধন ঘটিবলৈনো আমাৰ ছোৱালীয়ে কলেজত পঢ়িব লাগিছে?"

গাঁৱৰ তিৰোতা ঘৰুৱা কাম-কাজ ৰন্ধা-বঢ়া, পথাৰ-সমাৰ, বোৱা-কটা সকলো কামতে পাৰ্গত। সূতা কাটি কাপোৰ বৈ ঘৰখনক অৰ্থনৈতিকভাৱে সকাহো দিয়ে। উপন্যাসখনত ঔপন্যাসিকে এনেদৰে গাঁৱৰ দুখীয়া সমাজত নাৰীৰ প্ৰস্থিতিৰ বিষয়ে উনুকিয়াইছে।

**জীৱিকা ঃ** 'জীৱনৰ বাটত' উপন্যাসত প্ৰকাশ পোৱা সমাজখন এখন কৃষিভিত্তিক গ্ৰাম্য সমাজ। অসমৰ গাঁৱৰ মানুহৰ মূল জীৱিকা হ'ল কৃষি। অৱশ্যে উপন্যাসখনত কৃষিৰ বাদেও অন্যান্য জীৱিকাৰ কিছু ৰেঙনি ঔপন্যাসিকে দাঙি ধৰিছে। গাঁৱৰ মহিলাই পাট-মুগা পলু পুহি তাৰ পৰা সূতা উলিয়াই কানি-কাপোৰ বৈ জীৱিকা নিৰ্বাহ কৰিছিল। লালুং, হাৰি, কৈৱৰ্ত, কছাৰী তিৰোতাই এৰী পলু পুহিছিল, এৰী সূতা কাটিছিল। কঁহাৰে কাঁহৰ বাচন, কুমাৰসকলে মাটিৰ বাচন সাজি নাৱেৰে বেপাৰ-বণিজ কৰিছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে নতুন নতুন বস্তুৰ আমদানি হোৱাত পুৰণি বস্তুৰ ব্যৱহাৰ তথা চাহিদা কমিলেও গ্ৰাম্যাঞ্চলত কৃষি কৰ্মৰ সালসলনি হোৱা নাই। আঘোণ মাহত খেতিয়কসকলৰ ব্যস্ততাৰ ছবিখন উপন্যাসখনিত জীৱন্ত হৈ উঠিছে। ধান কাটি মুঠি বন্ধা, লেছেৰি বোটলা, ডাঙৰি বন্ধা, গধূলি মৰণা মৰা ইত্যাদি কৃষিভিত্তিক গ্ৰাম্য জীৱনৰ ছবি উপন্যাসখনিত জীৱন্ত হৈ উঠিছে। "ধান, ধান ধান চোতালত ধান, ভঁৰালত ধান, চ'ৰাঘৰত ধান, পথাৰে ঘৰে বাহিৰে-ভিতৰে সৰ্বত্ৰতে সোণালী ধানৰ মণি-মুকুতা সিচঁৰতি হৈ পৰিছে। আকাশ-পথাৰ চাৰিও দিশ সোণালী ৰহণে চিকিমিকি কৰিছে। পকা ধানৰ গোন্ধত উত্ৰাৱল হৈ জাকে-জাকে শুকানি ফৰিঙে চিৰিং চিৰিঙকৈ চিঞৰি উৰি ফুৰিছে। মতা-তিৰোতা, ল'ৰা-ছোৱালী কাৰো ক্ষন্তেকৰ বাবে জিৰণি ল'বলৈ আহৰি নাই।"

**অৰ্থনৈতিক অৱস্থা ঃ** উপন্যাসখনিত কৃষিভিত্তিক গাঁৱলীয়া সমাজৰ চিত্ৰ যিহেতু অংকন কৰা হৈছে গতিকে এনেকুৱা সমাজ এখনৰ অৰ্থনৈতিক অৱস্থা বেছি উন্নত বুলি ক'ব নোৱাৰি। সৰহ সংখ্যক লোক খেতিৰ ওপৰত নিৰ্ভৰশীল। বানপানীয়ে খেতি নষ্ট কৰিলে ঘৰে ঘৰে অনাটন হয়। খুউব কম সংখ্যক মানুহেহে বছৰটো জোৰাকৈ খাব পাৰে।

**তাঁতশালৰ ছবি ঃ** অসমীয়া লোক-সংস্কৃতিৰ অনবদ্য উপাদান তাঁতশালে অসমীয়া লোক সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। অসমীয়া জীয়ৰী-বোৱাৰীৰ বাবে তাঁতশালখন উপাৰ্জনৰো থলী। তাঁতৰ কাপোৰত জীৱনৰ ৰঙীন সপো ৰচা জীয়ৰী-বোৱাৰীৰ দৰে বোৱাৰী হৈ তগৰেও ঘৰুৱা কাম-বন সামৰি তাঁতশালত কাপোৰ বৈছে। ঔপন্যাসিকে অসমীয়া সমাজ জীৱনৰ অন্যতম অংগ তাঁতশালৰ ভূমিকাৰ কথাও উপন্যাসখনিত ক'বলৈ পাহৰা নাই।

**খাদ্যপ্ৰণালী ঃ** 'জীৱনৰ বাটত' উপন্যাসখনিত অসমীয়া গাঁৱলীয়া সমাজৰ খাদ্যাভাসৰ কথাও ছেগাচোৰোকাকৈ প্ৰকাশ হৈছে। গাঁৱলীয়া লোকসকলে সীমিত আয়েৰে খুউব আটোমটোকাৰীকৈ ঘৰখন চলায়। লোণ-তেলৰ বাদে বাকী খাদ্য সামগ্ৰী গাঁৱলীয়া মানুহৰ বাৰীতে পোৱা যায়। উপন্যাসখনিত থকা শাক-পাচলি তথা ব্যঞ্জন বৰ্ণনাৰ পৰা অসমীয়া মানুহৰ নিজস্ব খাদ্যাভাসৰ কিছু আভাস পাব পাৰি। অসমীয়া মানুহৰ নিজস্ব ব্যঞ্জন ভেদাইলতাৰ জোল, মাটি কাদুৰিৰ জোল, ভেদাইলতা পাতৰ বৰা, থেকেৰা দিয়া কচু আঞ্জা, মাটি মাহৰ খাৰ দি ৰন্ধা আঞ্জা ইত্যাদিৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়।

**সামূহিক মনোভাৱ ঃ** 'জীৱনৰ বাটত' উপন্যাসৰ এটা অন্যতম উজ্জ্বল দিশ হ'ল গাঁৱলীয়া সমাজৰ সকলোতকৈ আকৰ্ষণীয় দিশ সামূহিক মনোভাৱৰ পৰিচয় দাঙি ধৰাটো। অসমৰ গাঁও অঞ্চলত পৰচৰ্চা, কুৎসা ৰটনা কৰা মানুহ আছে যদিও বিপদৰ সময়ত পৰস্পৰে পৰস্পৰক সহায় কৰা দেখা যায়। উপন্যাসখনৰ আৰম্ভণিতে দেখা যায় যে মৌজাদাৰৰ জীয়েকৰ বিয়াত সকলোৱে একেলগে হাত উজান দিছে। ধৰণীৰ মাকৰ অসুখৰ সময়ত গাঁৱৰ লোকে পৰ দি থকা, ধৰণীক ঘৰত বিচাৰি নাপাই তগৰক থানালৈ নিওঁতে গাঁৱৰ সকলো লোকেই পথলৈ ওলাই আহি প্ৰতিবাদ কৰাৰ কথা ইত্যাদি দৃশ্যবোৰৰ মাজেদি অসমীয়া গ্ৰাম্য সমাজৰ সামূহিক একতাৰ ছবিখন ফুটি উঠিছে। গাঁৱৰ মানুহৰ মাজত মৰম-চেনেহ বেছিকৈ থকা দেখা যায়। অসমীয়া সমাজৰ সহৃদয়তা, মৰম-চেনেহৰ কথা ঔপন্যাসিকে বৰ্ণনা কৰিছে এনেদৰে— "মৌজাদাৰৰ ঘৰত আত্মীয়তাৰ মৰম-চেনেহৰ মাজত কলমাকান্তই দিনকেইটা বঢ়িয়াকৈ উপভোগ কৰিছিল। চাৰিওফালে ককাইদেউ, মোমাইদেউ আদি চিৰ পৰিচিত মধুৰ সম্বোধন শুনি আনন্দ আৰু কৃতজ্ঞতাত কমলাকান্তৰ অন্তৰ উপচি পৰিছিল। এইখনেই আমাৰ চিৰচেনেহী দুখীয়া অসম দেশ য'ত ঘৰে ঘৰে আই-বাই-ভনীৰ অকৃত্ৰিম চেনেহ।"

'জীৱনৰ বাটত' উপন্যাসত গ্ৰাম্য সমাজখনৰ ওপৰত মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষ জুৰি চলা স্বৰাজ আন্দোলনৰ প্ৰভাৱ পৰিছিল। ধৰণীৰ নেতৃত্বত এই আন্দোলনে গাওঁখনকো চুই গৈছিল।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখন অসমীয়া গ্ৰাম্য জীৱনৰ এখন জীৱন্ত দলিল। উপন্যাসখনত গাঁৱলীয়া সমাজ জীৱনৰ সকলো দিশেই ঠাই পাইছে। পৰম্পৰাগত ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান, মৰম-চেনেহৰ বান্ধোন, তাঁতশাল, ঢেঁকীশালৰ কথা, জাত-কুলৰ সংস্কাৰ আদি কোনো কথাই বাদ পৰি যোৱা নাই।

'জীৱনৰ বাটত' উপন্যাসখনক গভীৰ সামাজিক আৰু সাংস্কৃতিক জীৱন বীক্ষাৰে সমৃদ্ধ এখন অসাধাৰণ উপন্যাস বুলি আখ্যা দিব পাৰি। ইংৰাজ শাসনৰ কবলত কেনেকৈ আমাৰ থলুৱা প্ৰমূল্যৰাজিৰ অৱলুপ্তি ঘটিছিল নতুন আভিজাত্যৰ নামত কেনেকৈ জীৱন কৃত্ৰিমতাসৰ্বস্ব হৈ পৰিছিল অথবা অভিজাত শ্ৰেণীলৈ উঠাৰ ব্যৰ্থ প্ৰচেষ্টাত মধ্যবিত্ত জীৱনৰ কি দুৰ্গতি হৈছিল আৰু অৱশেষত তেনে কষ্টাৰ্জিত সভ্যতাৰ ফোপোলা আৰু অন্তঃসাৰশূন্য স্বৰূপ কিদৰে প্ৰকাশ পাই উঠিছিল 'জীৱনৰ বাটত' উপন্যাসত সেই সমাজ জীৱনৰ বাস্তৱ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। এটা শতাব্দীৰ ইতিহাস হিচাপে 'জীৱনৰ বাটত' উপন্যাসত সমকালীন সমাজ জীৱনৰ বাস্তৱ ছবিখন হুবহু ৰূপত চিত্ৰিত হৈছে। অসমীয়া সমাজৰ আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা, বিশ্বাস আদি অন্তৰ্নিৰ্হিত হৈ থকা জীৱনৰ সনাতন সত্যৰ লগতে সমাজখনৰ ইতিহাস বহন কৰি থকা ৰোৱা তোলা, ৰন্ধা-বঢ়া আদি গ্ৰাম্য সমাজৰ পৰা পশ্চিমীয়া আদৰ্শত মোহগ্ৰস্ত নব্য সমাজলৈকে অসমীয়া সমাজৰ সামগ্ৰিক ছবি এখন 'জীৱনৰ বাটত' উপন্যাসত প্ৰতিফলিত হৈছে। আচলতে 'জীৱনৰ বাটত' উপন্যাসত অসমীয়া সমাজৰ সম্পূৰ্ণ চিত্ৰ এখনৰ মাজেদি মানৱ জীৱনৰ সামগ্ৰিক স্বৰূপ বা মূল্যবোধৰ প্ৰকাশ ঘটা বুলি ক'ব পাৰি।

**দূৰভাষ ঃ ৮৮২২০-৮৩১৪৮**

# অসমীয়াৰ দৃষ্টিত কলাগুৰু আৰু বৰ্তমানৰ নৱ প্ৰজন্ম

**ৰুমী ভূঞা**

মহাপুৰুষ শংকৰদেৱৰ পিছত যিসকল বিশেষ ব্যক্তিয়ে অসমৰ সমাজ জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে তেওঁলোকৰ মাজত আমি অন্যতম হিচাবে বিচাৰি পাওঁ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱক। মহাপুৰুষ শংকৰদেৱে আৰু জ্যোতিপ্ৰসাদ আগৰৱালাই কৃষ্টি, সংস্কৃতিৰ বিকাশ আৰু বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰে সাহিত্য সংস্কৃতিৰ বিকাশত যি গুৰুত্ব প্ৰদান কৰি অসমীয়াৰ সংস্কৃতিৰ বিশাল সৃষ্টিৰে সমাজ গঢ় দিছিল, তেখেত সকলৰ পিছতেই আমি কলাগুৰু বিষ্ণু ৰাভাৰ নাম লবই লাগিব।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ জন্ম হৈছিল ১৯০৯ চনৰ ৩১ জানুৱাৰীৰ বৃহস্পতি বাৰে ঢাকাৰ সেনাৰ চাউনীত। বিষ্ণুৰাভা দেৱৰ পিতৃৰ নাম গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম গেথীবালা ৰাভা। পিতৃ গোপাল চন্দ্ৰ ৰাভা আছিল দ্বিতীয় আছাম ৰাইফলচ বাহিনীৰ চুবেদাৰ মেজৰ। বিষ্ণু ৰাভাৰ ককাদেউতাকৰ নাম আছিল শনিৰাম কছাৰী (মুছাহাৰী)। অতি সৰুতে পিতৃ গোপাল দাসৰ মাতৃৰ বিয়োগ হোৱাত ককাদেউতাকৰ সখী চান্দবৰ ৰাভাৰ তত্বাৱধানত দেউতাক গোপাল ৰাভাই তেজপুৰ হাইস্কুলত পঢ়া-শুনা কৰে। সখী চান্দবৰ ৰাভাৰ সন্তান নাছিল। সেই হেতুকে গোপাল ৰাভাক বৰ মৰম কৰিছিল। কাৰণ গোপাল ৰাভা মাউৰা আছিল।
তেজপুৰত পঢ়ি থকাৰ সময়ত তেজপুৰত থকা অসম ৰাইফলচত ভৰ্তি হয়। চুবেদাৰ মেজৰ হৈ গোপাল ৰাভা ঢাকালৈ যায়।আৰু তাতেই বিষ্ণু ৰাভাৰ জন্ম হয়। গোপাল দাস ৰাভাৰ মুঠ সন্তান আঠজন। পুত্ৰ আছিল পাচঁগৰাকী আৰু কন্যা আছিল তিনিগৰাকী।

বিষ্ণু ৰাভাই ঢাকাৰ ছোৱালী প্ৰাইমেৰী স্কুলত বাংলা ভাষাত শিক্ষা গ্ৰহণ কৰে। সেই পৰিবেশৰ মাজত কিছুদিন বিষ্ণু ৰাভাই উৰ্দু ভাষাতো অধ্যয়ন কৰিব লগা হৈছিল।তাৰ পিছত তেজপুৰলৈ আহি তেজপুৰ চৰকাৰী হাইস্কুলত চতুৰ্থ শ্ৰেণীত নাম ভৰ্তি কৰে। সৰুৰে পৰা বাংলা ভাষাত শিক্ষা গ্ৰহণ কৰা বিষ্ণু ৰাভাই পোনছাটেই অসমীয়া মাধ্যমত নাম ভৰ্ত কৰাৰ বাবে বহুত অসুবিধাৰ সন্মুখীন হৈছিল। যাৰ ফলত বিষ্ণু ৰাভাই চতুৰ্থ শ্ৰেণীত উত্তীৰ্ণ হ'ব নোৱাৰিলে। পিছৰ বছৰত উত্তীৰ্ণ হৈ পঞ্চম শ্ৰেণী পায়। এইদৰে ক্ৰমান্বয়ে বিষ্ণু ৰাভাই ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণী খুউৱ সুন্দৰ পাৰদৰ্শিতাৰে উত্তীৰ্ণ হয়। ১৯২৬ চনত প্ৰবেশিকা পৰীক্ষাত দৰং জিলাৰ ভিতৰত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯২৮ চনত কলকতাৰ চেন্টপল কলেজত বিষ্ণু ৰাভাই আই এছ চি শ্ৰেণীত নাম লগায়। কলকতাতে পঢ়ি থাকোতে ৰাভা দেৱে সংগীত কলা, নাটক, খেল-ধেমালী আদিত বিশেষ ভাবে মনোযোগ দিছিল। চেন্টপ'ল কলেজৰ তেওঁ ক্ৰিকেট বিভাগৰ কেপ্তেইন আছিল। কলিকতাৰ ৰিপন কলেজত পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ বি এছ ছি পঢ়িছিল। স্বদেশী আন্দোলনৰ সময়ত পুলিচৰ অত্যাচাৰ নিৰ্যাতন , থানাতালাচ আদি স্বাধীন চিতীয়া বিষ্ণু ৰাভাই সহ্য কৰিব নোৱাৰি ৰিপন কলেজৰ পৰা কোচ বিহাৰৰ ভিক্টোৰিয়া কলেজলৈ আহে। আৰু পুনৰ বি এছ ছিৰ তৃতীয় বাৰ্ষিকত পদাৰ্থ বিজ্ঞানত নাম লগালেগৈ। ১৯৩০ চনত চতুৰ্থ বাৰ্ষিকৰ বাছনি পৰীক্ষাত ৰাভাদেৱে সৰ্বোচ্চ নম্বৰ লাভ কৰে। তাৰ পিছতেই ৰাভাদেৱ তেজপুৰ পায়হি। তেজপুৰত সেই সময়ত অসহযোগ আন্দোলনৰ হুলস্থুল পৰিবেশ। ৰাভাদেৱে অসহযোগ আন্দোলনত সহযোগ দিলে। আন্দোলনত বিশেষ ভাৱে লাগি থকাত তেওঁক কোচবিহাৰৰ পৰা বহিস্কাৰ কৰে। কলিকতা বিশ্ববিদ্যালয়ে বিষ্ণু ৰাভাদেৱক বি এ পৰীক্ষা দিবলৈ অনুমতি নিদিলে। বাধ্য হৈ ৰাভাদেৱ গুৱাহাটী পালেহি।

১৯২৮ চনত বিষ্ণু ৰাভাই নৃত্য শিকিবলৈ সংকল্পবদ্ধ হৈ দেশ বিদেশৰ সংগীত নৃত্যৰ গ্ৰন্থবোৰ অধ্যয়ন কৰিবলৈ লয়।

১৯৪০ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ত নৃত্য প্ৰদৰ্শন কৰি ˊভাৰত শ্ৰেষ্ঠ কলাবিদ' আৰু 'কলাগুৰু' উপাধি লাভ কৰিলে। তেওঁ অসমীয়া ভাষাৰ উপৰিও ১৭ টা বিভিন্ন ভাষা জানিছিল।

অসমৰ সু-সন্তান ৰাভাদেৱক আমি সকলোৱে বিপ্লৱী শিল্পী বুলি জানো

নতুন প্ৰজন্মক অসমীয়া ভাষা সাহিত্যৰ প্ৰতি শ্ৰদ্ধা আৰু আগ্ৰহ প্ৰকাশ কৰা খুবেই কম দেখা পোৱা গৈছে। আজিৰ সমাজৰ নতুন প্ৰজন্মই নিজৰ কলা কৃষ্টি পাহৰি বাহিৰা সংস্কৃতিৰ প্ৰতি ধাবমান হোৱাহে দেখা গৈছে। ' বিষ্ণুপ্ৰসাদ ৰাভা' কোন বুলি সুধিলে বহু ছাত্ৰ ছাত্ৰীয়ে কব নোৱাৰে। ইংৰাজী ভাষা সাহিত্য, সংস্কৃতি আৰু কুৰিয়ান সংস্কৃতিৰ প্ৰতি আজিৰ প্ৰজন্মক বলিয়ান হোৱা পৰিলক্ষিত। এই ক্ষেত্ৰত বিদ্যালয় সমূহৰ শিক্ষা আৰু ঘৰখনৰ পৰিবেশৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে।

ইংৰাজী মাধ্যমৰ বিদ্যালয় সমূহত নিজৰ মাতৃভাষাটোক আগৰে পৰা যদি দশম মান শ্ৰেণী লৈ বাধ্যতামূলক হলহেতেন তেতিয়া হ'লে আজি নৱ-প্ৰজন্মৰ এই অৱস্থা নহ'লহেতেঁন। সৰুৰে পৰা যেতিয়া শিশু সকলে ইংৰাজী আৰু হিন্দী ভাষাটো আন্তৰিকতাৰে গ্ৰহণ কৰিবলৈ লয় তেতিয়া এই নাবালক শিশু সকলে নেজানে নিজৰ মাতৃ ভাষাৰ বিষয়ে। আৰু যেতিয়া তেওঁলোক ক্ৰমান্বয়ে ডাঙৰ হৈ আহে তেতিয়া তেওঁলোকে নিজৰ মাতৃভাষা অসমীয়া বিষয়টো বেয়া পাবলৈ আৰম্ভ কৰে। আচলতে ভয় কৰা হয়, এইক্ষেত্ৰত অভিভাৱকসকল সচেতন হব লাগে। সচেতন নোহোৱাৰ ফলত বা ঘৰখনত অসমীয়া সংস্কৃতিৰ কোনো চৰ্চা নকৰাৰ ফলত নিজৰ সন্তান সকলে বিষয়টো টান পাবলৈ লয়। সেইবাবেই তেওঁলোকে বাহিৰা সংস্কৃতিৰ প্ৰতি আৰ্কষিত হয়।

বৰ্তমান যুগটো ইলেকট্ৰনিকৰ যুগ। সেয়েহে নৱ প্ৰজন্মই জন্ম হৈয়েই বিভিন্ন ধৰণৰ নতুন নতুন পদ্ধতিবোৰ দেখা পাইছে। যাৰ ফলত সেই পদ্ধতিৰ যোগেদি নতুন প্ৰজন্মই বাহিৰা সংস্কৃতিক বেছি প্ৰাধান্য দি আহিছে। সেই ক্ষেত্ৰত আমি লৰা ছোৱালী বোৰক দোষাৰোপ কৰিব নোৱাৰো। যদিও ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰিছে ঘৰখনত অভিভাৱক সকলে নিজৰ জাতিৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি তেওঁলোকক আগ্ৰহ প্ৰকাশ কৰায় পৰিবেশ দিব লাগিব। তেতিয়া নৱ প্ৰজন্মৰ নিজৰ মাতৃ ভূমিৰ প্ৰতি শ্ৰদ্ধা জন্মিব।

ৰাভা দেৱৰ যদিও ঢাকাৰ চাউনিত জন্ম হৈছিল, বাহিৰতে শিক্ষা গ্ৰহণ কৰিছিল তথাপি তেওঁ নিজৰ জাতি, মাটি, ভেঁটি পাহৰি নগৈ দেশৰ কাৰণে সকলো কৰিছিল। প্ৰকৃত শিল্পী তেওঁ জনতাৰ প্ৰাণৰো প্ৰাণৰ। তেওৰ কবিতা ,গীত মাতত হালোৱা, হজুৱা, শ্ৰমিক বনুৱাক বহুত মৰম কৰি তেওঁ লোকৰ দুখৰ সমভাগী হৈছিল।

গীত আৰু কবিতাৰ মাজেৰে অসমৰ লোক সংস্কৃতিৰ প্ৰতি ৰাভাদেৱৰ আস্থা আৰু শ্ৰদ্ধা দুয়োটাই প্ৰকাশ পাইছে। অসমৰ জনজীৱনৰ মাটিৰ গোন্ধ থকা গীত আৰু কবিতাৰে আমাৰ চহকী ঐতিহ্যক তুলি ধৰিছিল। সেয়েহে বিষ্ণু প্ৰসাদ ৰাভাদেৱ অসমৰ ৰাইজৰ হিয়াৰ আমঠু।

# ৰংপুৰ সংগীত মঞ্চৰ উদ্যোগত আৰু হিন্দু ধৰ্ম সভা নামঘৰৰ সহযোগত শাস্ত্ৰীয় সংগীতৰ অনন্য অনুষ্ঠান



**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৬ জুন ঃ** যোৱা ৫জুন তাৰিখে শিৱসাগৰৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান ৰংপুৰ সংগীত মঞ্চৰ উদ্যোগত আৰু হিন্দু ধৰ্ম সভা নামঘৰৰ সহযোগত শিৱসাগৰত শাস্ত্ৰীয় সংগীতৰ এটি উপভোগ্য অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ৰংপুৰ সংগীত মঞ্চৰ সভাপতি সূৰুজ কুমাৰ পাতিৰিয়ে অনুষ্ঠানটিলৈ শ্ৰোতা দৰ্শকক স্বাগতম জনোৱাৰ লগতে সৰ্বভাৰতীয় পৰ্যায়ৰ আমন্ত্ৰিত শিল্পী ড° বিজু কুমাৰ ভাগৱতীৰ বিষয়ে শিৱসাগৰৰ সন্তানৰূপে গৌৰৱান্বিত বুলি প্ৰশংসা কৰি তেখেতলৈ শুভেচ্ছা জনায়। অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল শিৱসাগৰ তথা অসমৰ গৌৰৱ লক্ষ্ণৌ নিবাসী ড° বিজু কুমাৰ ভাগৱতী।মাতৃৰ আশীৰ্বাদ শিৰত লৈ আজি প্ৰায় ৩৫ বছৰ আগতেই বিজু কুমাৰ ভাগৱতীয়ে শাস্ত্ৰীয় সংগীত সাধনাৰ কেন্দ্ৰ লক্ষ্ণৌ ভাতখাণ্ডে বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে গৈ আজি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। পৰিবেশে মানুহ গঢ়ি তোলে। এই কথাৰ সুন্দৰ নিদৰ্শন হ'ল বিজু ভাগৱতীৰ কন্যা অনন্যা মধুভাষিনীয়ে। অনুষ্ঠানটিত ২০২৬ বৰ্ষত CCRT অৰ্থাৎ ৰাষ্ট্ৰীয় পৰ্যায়ত জলপানি লাভ কৰিবলৈ সক্ষম হোৱা অনন্যাই খাম্বাজ ৰাগত খেয়াল ,তাৰানা আৰু এটি ভজন পৰিৱেশনেৰে সকলোকে মন্ত্ৰমুগ্ধ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সমাজৰ আগশাৰীৰ মহিলা ,অৱসৰপ্ৰাপ্ত জ্যেষ্ঠা শিক্ষয়িত্ৰী, সংস্কৃতিপ্ৰেমী ,লেখিকা গৌৰী ভাগৱতীয়ে এগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰি আয়োজক আৰু অংশগ্ৰহণ কাৰী শিল্পীসকলক শুভাশীষ প্ৰদান কৰে। ইয়াৰ পিছতে শিৱসাগৰৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান পাৰিজাত সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল ক্ৰমে জাচিংফা, স্বস্তিকা, ধী শক্তি,নিদৰ্শনা , প্ৰজ্বলিতা আৰু পাপু দাসে এটি গণেশ বন্দনাৰে অনুষ্ঠানৰ আৰম্ভণি কৰে। অনুষ্ঠানৰ পৰৱৰ্তী কাৰ্যসূচীৰূপে পাৰিজাত সংগীত বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষাৰ্থী, ৰংপুৰ সংগীত মঞ্চৰ সদস্য আৰু কলা কেন্দ্ৰ সংগীত বিদ্যালয়ৰ অধ্যক্ষা, ছাত্ৰী ক্ৰমে মৌচুমী ভাগৱতী, আকাংক্ষা, বিদ্যা পাতিৰি,মনীষা গোস্বামী, আৰু প্ৰণতি বৰুৱাই এটি সৰস্বতী বন্দনা পৰিৱেশন কৰে। উল্লেখ্যনীয় যে এই অনুষ্ঠানতে শিৱসাগৰৰ গৌৰৱ ড° বিজু কুমাৰ ভাগৱতীৰ তত্বাৱধানত পৰিৱেশন কৰা পাৰিজাত সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে গুৰু সেৱা কৰি তেখেতক শ্ৰদ্ধা জনায়। লগতে পাৰিজাত সংগীত বিদ্যালয়ৰ তৰফৰ পৰা তেখেতলৈ সম্বৰ্ধনা জনোৱা হয়। এইখিনিতে ৰংপুৰ সংগীত মঞ্চৰ সম্পাদক আৰু সহঃ সম্পাদক শ্যামল দে,ফৰিদ আখতাৰ খান আৰু হিন্দু ধৰ্ম সভা নামঘৰৰ সভাপতি অৰবিন্দ বৰুৱাই শিল্পী গৰাকীক গামোচা আৰু এটি স্মাৰকেৰে আদৰণি জনায়। অনুষ্ঠানটিত তবলা সংগত কৰা শিল্পী কাশ্যপ বুঢ়াগোহাঁই আৰু মালক্ষ্মী বৰঠাকুৰকো সংগীত মঞ্চৰ একোটি স্মাৰক আৰু গামোচাৰে আদৰণি জনোৱা হয়। কণমানি উদীয়মান শিল্পী অনন্যা মধুভাষিনীলৈও পাৰিজাতৰ কণ কণ ছাত্ৰ-ছাত্ৰী সকলে উপহাৰ স্বৰূপে এটি মৰমৰ টোপোলা আগবঢ়াই আন্তৰিকতা প্ৰকাশ কৰে। ইয়াৰ পিছতে সাহিত্য আৰু শাস্ত্ৰীয় সংগীতৰ পথাৰখনত বিচৰণ কৰি সৰ্বভাৰতীয় পৰ্যায়ত সুখ্যাতি অৰ্জন কৰা মালক্ষ্মী বৰঠাকুৰৰ লোকসংগীতৰ শৈলী ঝুলা পৰিৱেশনে শ্ৰোতা দৰ্শকক আপ্লুত কৰে। শেষত ডাঃ অঞ্জনা শৰ্মাৰ বেহেলাত দুৰ্গা ৰাগ পৰিৱেশন আৰু বিজু ভাগৱতীৰ মেঘ ৰাগ পৰিৱেশনে শ্ৰোতা দৰ্শকৰ অন্তৰ স্পৰ্শ কৰি যায়। অনুষ্ঠানটিত শিৱসাগৰৰ সংগীত অনুৰাগী, শিল্পীকে ধৰি প্ৰায় ৭০জনৰো অধিক লোকৰ সমাগম হয়। সমগ্ৰ অনুষ্ঠানটোত শব্দ ব্যৱস্থাপনাত সহায় কৰিলে সংগীত মঞ্চৰ সদস্য ফৰিদ আখতাৰ খানে। অনুষ্ঠানৰ শেষত ৰংপুৰ সংগীত মঞ্চৰ শ্যামল দে আৰু প্ৰণতি বৰুৱাই সকলোৰে সহযোগিতাৰ বাবে আন্তৰিক শলাগ জনায়।

## অনুভূতিৰ বিশ্ব পৰিৱেশ দিৱস উদযাপন

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি কালি পোনজানপথত অৱস্থিত স্বেচ্ছাসেৱী অনুষ্ঠান অনুভূতিৰ মুখ্য কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয় ।অনুভূতি সভাপতি জেহিৰুদ্দিন আহমেদৰ সঞ্চালনাত অনুষ্ঠিত এই অনুষ্ঠানত বিশেষ অতিথি হিচাপে ৰূপে উপস্থিত থাকি অনুভূতিৰ মুখ্য উপদেষ্টা তথা সাংবাদিক পেঞ্চনাৰ খাইৰুদ্দিন আহমেদে বিশ্ব পৰিৱেশ দিৱসৰ ওপৰত চমু বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে বিভিন্ন প্ৰজাতিৰ মূল্যবান গছৰ লগতে ফল মূলৰ পুলি স্থানীয় ৰাইজৰ মাজত বিতৰণ কৰাৰ লগতে এক বৃক্ষৰোপণ কাৰ্যসূচী সমাপন কৰা হয়। আজিৰ এই কাৰ্যসূচীত অনুভূতিৰ পৰিয়ালৰ হৈ অনুভূতিৰ সভাপতি জহিৰউদ্দিন আহমেদ সম্পাদিকা চিম্পী বৰাত বিষয়ববীয়াসকল ক্ৰমে বিকাশ মাটোৱাল, চাহিদুল আহমেদ, ৰাজাক আলি, চুমি বেগম শ্বেহনাজ আহমেদ, ৰীনা বেগম, লতিফা বেগম, মাইনু বেগম, আৰু অনুভূতিৰ উপদেষ্টা নিৰ্মলা দাসকে ধৰি ভাল ভালেকেইগৰাকী সদস্য সদস্যাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

## গ্ৰাম্যাঞ্চলত ডিজিটেল লেনদেন প্ৰসাৰৰ লক্ষ্য

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ৭ জুন ঃ** নগাঁও জিলাৰ গ্ৰাম্যাঞ্চলত ডিজিটেল লেনদেনৰ প্ৰক্ৰিয়া আৰু অধিক প্ৰসাৰ তথা সৰল কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনৰ গ্ৰামীণ অৰ্থনীতিক ডিজিটেল দিশেৰে আগুৱাই নিয়াত উৎকৃষ্ট পাৰদৰ্শিতা প্ৰদৰ্শন কৰা নগাঁও জিলাৰ নিৰ্বাচিত বেংকিং প্ৰতিনিধি (বিচি) সখী আৰু ডিজিটেল লেনদেনকাৰী (ডিজিপে) সখীসকলক আনুষ্ঠানিকভাৱে একোটাকৈ লেপটপ বিতৰণ কৰে। সখীসকলৰ ডিজিটেল সেৱা প্ৰদানৰ ক্ষমতা আৰু অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচীত সৰ্বমুঠ প্ৰুৰ টা লেপটপ প্ৰদান কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ অধীনত জিলাখনত ১৩ টা উন্নয়ন খণ্ডতে অসম গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত গ্ৰাম্যাঞ্চলত মানুহৰ পদুলিতে সহজ বেংক সেৱা প্ৰদান কৰি অহা এই বেংকিং প্ৰতিনিধি সখী আৰু ডিজিপে সখীসকলৰ মাজত লেপটপ বিতৰণৰ লগতে তেওঁলোকৰ সৈতে জিলা আয়ুক্তই মতবিনিময়ো কৰে। এই উপলক্ষে দিয়া ভাষণত জিলা আয়ুক্ত শৰ্মাই কয় যে, এই সখীসকলে দীৰ্ঘদিন ধৰি আমাৰ গ্ৰাম্যাঞ্চলসমূহত সহজ লভ্য বেংকিং সেৱা প্ৰদানৰ লগতে আৰ্থিক সাক্ষৰতা নিশ্চিতকৰণ আৰু ডিজিটেল লেনদেনৰ প্ৰসাৰত এক অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিতৰণ কৰা এই লেপটপসমূহে তেওঁলোকৰ কৰ্মক্ষমতা আৰু সেৱা প্ৰদানৰ মান বহুগুণে বৃদ্ধি কৰিব বুলি তেওঁ দৃঢ় আশা প্ৰকাশ কৰে, যাৰ জৰিয়তে নগাঁও জিলাৰ প্ৰতিটো অৱহেলিত তথা দুৰ্গম অঞ্চললৈ ডিজিটেল আৰু আৰ্থিক সেৱাসমূহ অতি সহজতে বিস্তাৰিত হ'ব। উক্ত অনুষ্ঠানত, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ নগাঁও জিলা প্ৰকল্প পৰিচালক শংখপ্ৰবাল শ্যাণ্ডিল্যৰ লগতে খাগৰিজান উন্নয়ন খণ্ডৰ খণ্ড প্ৰকল্প প্ৰবন্ধক মিন্টু ডেকা, বঢ়মপুৰ উন্নয়ন খণ্ডৰ প্ৰকল্প প্ৰবন্ধক চন্দন বৰবৰা আৰু গড়াজান উন্নয়ন খণ্ডৰ প্ৰকল্প প্ৰবন্ধক ঋতু কলিতাকে প্ৰমুখ্য কৰি জিলাখনৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# ৪৮ ঘন্টাৰ ভিতৰত গ্ৰেপ্তাৰৰ দাবী উজনি অসম মুছলিম কল্যাণ পৰিষদৰ



**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৬ জুন ঃ** ইছলাম ধৰ্মৰ প্ৰৱৰ্তক বিশ্বনবী হজৰত মহম্মদৰ প্ৰতি চুড়ান্ত অপমানসূচক মন্তব্য কৰা হীৰেন হিন্দু অসম, ৰাতুল কলিতা আৰু আছামিজ লাইভ নামৰ ফেচবুক পেজৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে আজি শিৱসাগৰ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে উজনি অসম মুছলিম কল্যাণ পৰিষদে। উজনি অসম মুছলিম কল্যাণ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক নজিবুৰ ৰহমানৰ স্বাক্ষৰিত এই এজাহাৰখন শিৱসাগৰ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বাবুল কুমাৰ মেধিক প্ৰদান কৰে উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই। ইয়াৰ পাছতেই পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে, উজনি অসমৰ মুছলমান সকল টাই আহোম, মৰাণ, মটক, চুতীয়া, কোচ, মেচ, কলিতা আদি জনগোষ্ঠীৰ পৰা ধৰ্মান্তৰিত। আহোম ৰাজশাসনত বড়া, শইকীয়া, হাজৰিকা, দাধৰা, নেওগ, সন্দিকৈ, বৰুৱা, বৰবৰুৱা, তামুলী, শেনচোৱা উপাধিৰ আঠশ বছৰীয়া পুৰণি মুছলমান সকলেহে ঐতিহাসিক শিৱসাগৰকে ধৰি উজনি অসমৰ ৯ খন জিলাত অন্যন্য জাতি জনগোষ্ঠীৰ সৈতে সমিলমিলেৰে বসবাস কৰি আহিছে। কিন্তু হীৰেন হিন্দু, ৰাতুল কলিতাৰ দৰে উগ্ৰ সাম্প্ৰদায়িক এচাম ব্যক্তিয়েহে আমাৰ ধৰ্মগুৰু হজৰত মহম্মদ আৰু ইছলাম ধৰ্মৰ প্ৰতি সামাজিক মাধ্যমত চুড়ান্ত ভাবে অপমান কৰা কাৰ্যক আমি তীব্ৰ মানসিক আঘাত পাইছোঁ। অসমৰ দীৰ্ঘদিনীয়া ঐক্য সম্প্ৰীতি বিনষ্ট কৰি সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টিৰ বাবে এই অশুভ শক্তিসমূহে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। শান্তি শৃংখলা বিঘ্নিত কৰিব পৰা এনে কাৰ্য ভাৰতীয় দণ্ডবিধি আইন অনুসৰি অক্ষমণীয় শাস্তিযোগ্য অপৰাধ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুছলমান ধৰ্ম ভাল আৰু পবিত্ৰ ধৰ্ম। ইয়াত মৌলবাদৰ কোনো স্থান নাই বুলি ৰাজহুৱা ভাৱে স্বীকাৰ কৰাৰ সময়তে হীৰেন হিন্দু অসম, ৰাতুল কলিতা আৰু আছামিজ লাইভৰ দৰে ফেচবুক পেজ পৰিচালনা কৰা সাম্প্ৰদায়িক একাংশ জঘন্য মানসিকতাৰ ব্যক্তিয়ে শান্তিৰ অসমখনক ধৰ্মৰ নামত অশান্ত কৰিব বিচাৰিছে। সেয়েহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক অভিযুক্ত সকলক ৪৮ ঘন্টাৰ ভিতৰত গ্ৰেপ্তাৰ কৰিবলৈ অনুৰোধ জনাইছোঁ। যদি চৰকাৰ আৰু গৃহ বিভাগে এই অভিযুক্ত সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে উজনি অসমৰ মুছলমান সকলে কঠোৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি মনিৰুল ইছলাম বড়াই মন্তব্য কৰে। এই কাৰ্যসূচীত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক দাদুল আলি, শিৱসাগৰ জিলা সমিতিৰ সভাপতি বুবুটি বড়া, মুছলিম মহিলা কল্যাণ পৰিষদৰ সম্পাদিকা মেৰিণা আহমেদ, জীনা আহমেদ, হবিবা বানু কামাল, ৰুকচানা ৰুমী বড়া, সমাজকৰ্মী আলহাজ ৰেহিমুদ্দিন আহমেদ, জাহিদ উল্লা, খুৰচেদ আলি, মেৰাজুল ইছলামৰ উপৰিও শিৱসাগৰ জিলা সমিতিৰ অন্যান্য বিষয়ববীয়া আৰু সদস্য সকল উপস্থিত থাকে।

# বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থাৰ শৈক্ষিক শাখাৰ পদক্ষেপ

## নিয়োগ বাচনি পৰীক্ষাৰ বিনামূলীয়া প্ৰশিক্ষণ আৰম্ভণি

**বাতৰি কাকত, ঘগ্ৰাপাৰ, ৭ জুন ঃ** নলবাৰী জিলাৰ পূৱ নলবাৰী অঞ্চলৰ আগশাৰীৰ বে- চৰকাৰী সামাজিক অনুষ্ঠান বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থাই প্ৰতিষ্ঠা কালৰে পৰা বিভিন্ন সামাজিক কাম - কাজ কৰাৰ উপৰিও এইবেলি সংস্থাটোৰ শৈক্ষিক শাখাই শিক্ষিত যুৱক- যুৱতীৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হয়। অসম চৰকাৰৰ নিয়োগ বাচনিৰ বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ শিক্ষিত যুৱক - যুৱতী সকলক প্ৰস্তুত কৰি তুলিবৰ বাবে ৭ জুনৰ পৰা ৰাজকদমতল হাইস্কুলত প্ৰতি ৰবিবাৰে বিনামূলীয়া প্ৰশিক্ষণ শিৱিৰ আৰম্ভণি কৰা হয় । সংস্থাৰ শৈক্ষিক শাখাৰ সমন্বয়ক অভিজিৎ বৰ্মনে আঁত ধৰা অনুষ্ঠানটি বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থাৰ সভাপতি নৰ কুমাৰ তালুকদাৰে আদৰণি ভাষণ দিয়ে। প্ৰশিক্ষণ শিবিৰটো মুকলি কৰে বিশিষ্ট শিক্ষাবিদ তথা সমল ব্যক্তি সুভাষ বৰ্মনে। বৰ্মনে নিজৰ ভাষণত কয় যে তথ্যৰ প্ৰতি সন্মানেই এটা জাতিৰ প্ৰাপ্তবয়স্কতাৰ লক্ষণ। আগ্ৰহ আৰু নিচা থাকিলে লক্ষ্যত উপনিত হ'ব পাৰি। অনুষ্ঠানত প্ৰশিক্ষক হিচাপে মাধুৰ্য ডেকা, সোণমণি দাস, হিমাংশু দত্ত আৰু ৰাজকদমতল হাইস্কুলৰ প্ৰধান শিক্ষক দ্বিজেন শৰ্মা, বিশিষ্ট সমাজকৰ্মী ৰিজু ভট্ট,উৎপল বৈশ্য, সাংবাদিক দ্বিজেন ডেকা, কালিন্দ্ৰ বৰ্মন আদি উপস্থিত থকা শিবিৰৰ প্ৰথম দিনটোত প্ৰায় অৰ্ধশতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।





# ড° দেৱযানী বকলীয়ালৰ দৃশ্য-শ্ৰব্য-পাঠ্য কাব্য সংকলন উন্মোচন

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৭ জুন ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ত আজি মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বকলীয়ালৰ 'ঠুনুকা তৰাৰ মাত' শীৰ্ষক এখন দৃশ্য-শ্ৰব্য-পাঠ্য কাব্য সংকলন আনুষ্ঠানিকভাৱে উন্মোচন হৈ যায়। গ্ৰন্থখন উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ, কবি, সমালোচক ড° সব্যসাচী মহন্তই। গ্ৰন্থখন উন্মোচন কৰি ড° মহন্তই কয় যে কাব্যগ্ৰন্থখনিত সন্নিৱিষ্ট কবিতাসমূহৰ জৰিয়তে কবি ড° দেৱযানী বকলীয়ালে পৰম্পৰাগত আৰু আধুনিক কবিতাৰ বৈশিষ্ট্যৰ সুসমন্বয়ত স্বকীয় শৈলীৰে অসমীয়া কাব্য-চৰ্চাৰ ক্ষেত্ৰখনত এক নতুন সম্পৰীক্ষা চলোৱাৰ প্ৰয়াস কৰিছে। তদুপৰি কাব্যগ্ৰন্থখনিত QR ক'ডৰ জৰিয়তে কবি-কণ্ঠত আগবঢ়োৱা আবৃত্তিয়ে গ্ৰন্থখনিক অভিনৱত্ব প্ৰদান কৰিছে বুলি অভিমত প্ৰকাশ কৰে। মুদ্ৰিত কাব্যগ্ৰন্থত এনেধৰণৰ দৃশ্য-শ্ৰব্য ব্যৱস্থাৰ সংযোজন অসমীয়া কাব্য-চৰ্চাৰ জগতত নতুন প্ৰয়াস বুলি বিশিষ্ট সাহিত্যিক ড° মহন্তই মন্তব্য কৰে। কবিতাক জনসমাজলৈ লৈ যোৱাৰ এনে প্ৰয়াসৰ বাবে কবিগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে মহাবিদ্যালয়খনৰ উপাধ্যক্ষ দিগন্ত কোঁৱৰে। অনুষ্ঠানটিৰ বিশিষ্ট অতিথি, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক প্ৰণৱ দুৱৰাই কাব্যগ্ৰন্থখনত সন্নিৱিষ্ট কবিতাসমূহত অসমীয়া লোকজীৱনৰ সুবাস বিয়পি আছে বুলি মন্তব্য কৰে তথা গ্ৰন্থখনৰ সফলতা কামনা কৰে। কাব্য সংকলনখনৰ আঁৰৰ কথা বৰ্ণনা কৰি কবি ড° বকলীয়ালে সংশ্লিষ্ট সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰে। ছপা সংস্কৰণৰ লগতে বৈদ্যুতিন ৰূপতো উপলব্ধ গ্ৰন্থখন গুগল প্লে বুকৰ জৰিয়তে আগ্ৰহী পাঠকে ক্ৰয় কৰি পঢ়িব পাৰিব বুলি তেখেতে অৱগত কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ দত্তই আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত কোঁৱৰ, কবিৰ পিতৃ তথা ঔফুলীয়া ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তৰুণ বকলীয়াল আৰু মাতৃ দিব্যজ্যোতি বকলীয়ালৰ লগতে মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, সাহিত্যানুৰাগী তথা শুভাকাংক্ষী উপস্থিত থাকে ।

# দুৰ্নীতিৰ আশ্ৰয় লৈ ঋণ আদায় অ' এন জি চি কৰ্মচাৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ; নাজিৰা, ৬ জুন ঃ** দেশৰ মহাৰত্ন কোম্পানীৰূপে খ্যাত অক্স এন জি চিৰ আসাম এচেটত কৰ্মচাৰীৰ দ্বাৰা সংঘটিত কেতবোৰ কেলেংকাৰীৰ তথ্য পোঁহৰলৈ আহিছে। জালিয়াতিৰ আশ্ৰয় লৈ এইসকল কৰ্মচাৰীয়ে সংঘটিত কৰা কেলেংকাৰীৰ অভিযোগ ইতিমধ্যে অ' এন জি চিৰ বিভিন্ন কেলেংকাৰীৰ তদন্ত কৰা চীফ ভিজিলেঞ্চৰ মজিয়া পাইছেগৈ। প্ৰাপ্ত তথ্য অনুসৰি অ' এন জি চি আসাম এছেটৰ নাজিৰাৰ মুখ্য কাৰ্যালয়ৰ অগ্নিনিৰ্বাপক বাহিনীত কৰ্মৰত জালাল হুছেইন নামৰ কৰ্মচাৰীজনে বিগত সময়ছোৱাত জালিয়াতিৰ আশ্ৰয় লৈ প্ৰতিষ্ঠানটোৰ পৰা কেইবালাখ টকাৰ ঋণ লয়। হুছেইনে ২০১১ বৰ্ষৰ জুলাইমাহৰ চৈধ্য তাৰিখে এইছ বি এ পলিচিৰ আধাৰত মাটি ক্ৰয় আৰু গৃহ নিৰ্মাণৰ বাবে সোতৰ লাখ আঠাইশ হাজাৰ নশ চৌৱান্নৰৈ টকাৰ ঋণ আবেদন জনায়। অ' এন জি চি অসম সম্পদে আগষ্ট মাহৰ ৩০ তাৰিখে এই আবেদন মঞ্জুৰ কৰি হুছেইনক প্ৰথম কিস্তিৰ যোল্ল লাখ টকাৰ ঋণ প্ৰদান কৰে। পৰৱৰ্তী সময়ত চল্লিৰ্ৱ বৰ্ষৰ ৬ আগষ্ট তাৰিখে ঋণৰ বাকী দ্বিতীয় কিস্তিৰ এক লাখ আঠাইশ হাজাৰ নশ চৌৱান্নৰৈ টকা প্ৰদান কৰে। হুছেইনে কেইবছৰ মানৰ পিছত একে পলিচিৰ আধাৰত গৃহ নিৰ্মাণ কাৰ্য আগুৱাই নিবলৈ পুনৰ দহ লাখ টকাৰ ঋণ আবেদন জনায়। অ' এন জি চি অসম সম্পদে উক্ত ঋণ মঞ্জুৰ কৰে ২০১৬ বৰ্ষৰ মাৰ্চ মাহৰ তিনি তাৰিখে। কৰ্মচাৰীজনে অ' এন জি চি অসম সম্পদৰ পৰা ঋণ লয় সৰ্বমুঠ সাতাইশ লাখ আঠাইশ হাজাৰ নশ চৌৱান্নৰৈ টকা। কিন্তু আশ্চৰ্যজনকভাৱে হুছেইনে শিৱসাগৰ জিলাৰ নাজিৰা নগৰৰ ১০ নং ৱাৰ্ডত থকা মাটিত কোনো ধৰণৰ গৃহ নিৰ্মাণ নকৰি উক্ত ঋণৰ ধন অজ্ঞাত কাৰণত ব্যয় কৰে। যিহেতু উক্ত পলিচিৰ আধাৰত কোনো কৰ্মচাৰীয়ে ঋণ ললে প্ৰথম কিস্তি আদায় দিয়াৰ পিছত গৃহ নিৰ্মাণকাৰ্য হোৱাৰ পিছতহে বাকী কিস্তিৰ ধন মুকলি কৰি দিয়া হয় যদিও হুছেইনে জালিয়াতিৰ আশ্ৰয় লৈ ইয়াৰ বাবে দৰকাৰী কাগজে পত্ৰত গৃহ নিৰ্মাণ কাৰ্য চলা বুলি অসম সম্পদক পতিয়ন নিয়াবলৈ সক্ষম হয়। কিন্তু নাজিৰা নগৰৰ ১০ নং ৱাৰ্ডত থকা ৮৩৩ নং দাগ (পট্টা নং ২১২)ৰ মাটিত আজিকোপতি হোৱা নাই কোনো গৃহ নিৰ্মাণৰ কাম। এইদৰে কৰ্মচাৰীজনে অসম সম্পদৰ পৰা জালিয়াতিৰে ঋণ লৈ সেই ধনৰ অপব্যৱহাৰ কৰা বুলি এজন ব্যক্তিয়ে অ' এন জি চিৰ চীফ ভিজিলেঞ্চক দিয়া অভিযোগৰ ভিত্তিত তদন্তকাৰী সংস্থাটোৱে ইতিমধ্যে তদন্ত অব্যাহত ৰাখিছে। অৱশ্যে তদন্তৰ অন্তত কৰ্মচাৰীজনৰ বিৰুদ্ধে অ' এন জি চি অসম সম্পদে কি বিহীত ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে স্পষ্ট হ'ব। আনহাতে এনে জালিয়াতিৰ আশ্ৰয় লোৱা কৰ্মচাৰীজনৰ বিৰুদ্ধে উত্থাপিত হৈছে আন কেতবোৰ গুৰুতৰ অভিযোগ। কৰ্মচাৰীজনৰ বিৰুদ্ধে এনে গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ পিছতো অ' এন জি চিৰ একাংশ বহিৰাগত বিষয়াই ৰক্ষণাবেক্ষণ দিয়া বুলিও জানিবলৈ পোৱা গৈছে। অ' এন জি চিৰ ভিতৰচৰাত চলি থকা এনে অনিয়মৰ বিৰুদ্ধে সংবাদ মাধ্যমত পূৰ্বেও বাতৰি প্ৰকাশ পাই আহিছে। পৰৱৰ্তী দিনসমূহতো নাজিৰা অ' এন জি চি আসাম এচেটত চলি থকা দুৰ্নীতি অনিয়মৰ বাতৰি তথ্যসহ ফাদিল অব্যাহত থাকিব।

# চতুৰ্বিংশতিতম বিশ্ব পক্ষী দিৱসৰ প্ৰস্তুতি সভা




**বাতৰি কাকত, গুৱাহাটী, ৭ জুন ঃ** চতুৰ্বিংশতিতম বিশ্ব পক্ষী দিৱসৰ প্ৰস্তুতি সভা সম্পন্ন। যোৱা ৭ জুন দেওবাৰে বিয়লি ৪ বজাত ৰাজ্যিক পক্ষী সুৰক্ষা সমিতিৰ মূখ্য কাৰ্যালয়ত ২৪ সংখ্যক বিশ্ব পক্ষী দিৱসৰ প্ৰস্তুতি সভা উলহ মালহেৰে সম্পন্ন হৈ যায়। সভাত পৌৰহিত্য কৰে অধ্যাপক ড° মাইনু দেৱীয়ে। সভাৰ আঁত ধৰে বিশ্ব পক্ষী দিৱস উদ্যাপন সমিতিৰ মূখ্য সম্পাদক নগেন চন্দ্ৰ শৰ্মাই। সভাত ৩ জুলাইত হ'ব লগা বিশ্ব পক্ষী দিৱস সম্পৰ্কত খৰচি মাৰি আলোচনা কৰা হয়। সভাৰ মাজতে কাৰ্যকৰী সমিতিৰ সদস্য - সদস্যা সকলৰ এখন ফটো তোলা হয়। সভাত বিভিন্ন সদস্যই গীত মাত, কবিতা আদি পাঠ কৰে। সভাত প্ৰায় ৪০ জন মান সদস্য উপস্থিত থাকে । সভাত সভাপতি ড° অনন্ত ভূঞা, ড° মাইনু দেৱী, পক্ষীবিদ ভুৱনেশ্বৰ শৰ্মা, ডেনিচ হাজৰিকা, ড° খৈয়ামউদ্দিন আহমেদ, হেমেন শৰ্মা, জয় বৰ্মন, ড° দিবাকৰ নাথ, ফুলেশ্বৰ বসুমতাৰী, ৰুমা নাথ, ডাঃ নিলোৎপল বড়া, অমূল্য কুমাৰ দাস, প্ৰমিলা ডেকা, গীতাৰানী ডেকা, দিলীপ কুমাৰ শৰ্মা, পূৰবী শৰ্মা বৰুৱা, জয়ন্ত কুমাৰ কলিতা, নয়নমনি হাজৰিকা, উদ্ধৱ দাস, উজ্জ্বল শৰ্মা, পম্পা শৰ্মা, মিতালী দেৱী, জয়া গোস্বামী, নগেন চন্দ্ৰ শৰ্মা, পৰাশৰ কাশ্যপ, বিবেক সোনাৰ, কংকন ডেকা, ৰঞ্জনা পাঠক, আকাশ নীলিম ৰাভা, ৰ লগতে প্ৰচাৰ সম্পাদক কক্ষজিৎ বৰুৱাই এক প্ৰেছ বিজ্ঞপ্তি যোগে জনাইছে।

# শীতকালত পানী খোৱাৰ প্ৰয়োজনীয়তা



সমগ্ৰ বিশ্বত বিভিন্ন সময়ত বিভিন্ন ঠাইত শীতকাল আৰম্ভ হয়। এই ঋতুৱে এক সুন্দৰ পৰিৱেশ আৰু লগতে আকৰ্ষণীয় জৈৱ বিচিত্ৰতা আনে। এইটো ঋতু হৈছে যিটো ঋতুত আমি ঠাণ্ডা অনুভৱ কৰো আৰু শীতকালত পিন্ধিবলগীয়া কাপোৰ উলিয়াও। যি কি নহওঁক, এক সুন্দৰ বাতাবৰণৰ আমেজ উঠাব লাগে। সুন্দৰ পৰিৱেশৰ আমেজ লবলৈ সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো দৰকাৰ। যদিও শীত ঋতুৱে বিভিন্ন প্ৰকাৰে আনন্দদায়ক অনুভৱ প্ৰদান কৰে, এই ঋতুত বিভিন্ন ধৰণৰ ৰোগে দেখা দিয়ে। এনে পৰিস্থিতিত স্বাস্থ্য সমস্যাবোৰ সমাধান কৰিবলৈ এজন ব্যক্তিৰ প্ৰতিৰক্ষাপ্ৰণালী উচিত আৰু সক্ষম হোৱা দৰকাৰ। এইক্ষেত্ৰত পানীয়ে. এক মহত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভিন্ন কাৰণে পানীক এক মহত্বপূৰ্ণ তৰল পদাৰ্থ হিচাপে স্বীকৃতি দিছে, যিয়ে স্বাস্থ্য সমস্যাবোৰ নিয়মিতভাৱে সমাধান কৰিব পাৰে। শীতকালীন নিৰ্জলীকৰণ প্ৰতিৰোধ আজিৰ যুৱ প্ৰজন্মৰ মাজত নিৰ্জলীকৰণ এক ব্যাপক সমস্যা। গৰমৰ দিনত দেহৰ পানী নিষ্কাশনৰ সমস্যা সোনকালে চকুত পৰে, কিন্তু শীতকালত ইয়াক ধৰা পেলোৱা সহজ নহয়। গ্ৰীষ্মকালত এইটো বুজিব পৰা যায় যে শৰীৰৰ জলযোজন সমস্যাটো ঘাম আৰু ভাগৰ অনুভৱৰ দৰে লক্ষণৰ পৰা প্ৰভাৱিত হৈ আছে। শীতকালত এজন ব্যক্তি নিৰ্জলীকৰণৰ লক্ষণ চাবৰ কাৰণে একে স্থিতিতে নাথাকে, কিয়নো ব্যক্তিৰ বেছি ঘাম নোলায় আৰু জিৰণি কমকৈ লোৱা দেখা যায়।

পানী অত্যধিক মহত্বপূৰ্ণ কিয়নো পানীৰ নিয়মিত সেৱনে নিৰ্জলীকৰণৰ সমস্যা সমাধান কৰে। পানীৰ নিয়মিত সেৱনে ৰক্তপ্ৰবাহ ভাল কৰি ৰাখে, যিয়ে মানুহৰ শৰীৰত নিৰ্জলীকৰণৰ সমস্যাৰ সন্মুখীন নহবলৈ সহায়ক হয়।

**শ্ৰেয়ছাল**

এইটো জনা যায় যে ফটা ছালৰ কাৰণ হৈছে শীতকালৰ পৰিৱেশ। শীতকালৰ শুকান পৰিৱেশে ব্যক্তিৰ ছালৰ ওপৰত নিজৰ প্ৰভাব পেলায়। ফটা আৰু শুকান ছালৰ সমস্যাৰ পৰা হাত সাৰিবলৈ বিভিন্ন প্ৰকাৰৰ ক্ৰীম আৰু লোচন পোৱা যায় যদিও দীঘল সময়ৰ বাবে ইয়াক ভাল কৰিবলৈ পোৱা বস্তুবোৰ দামী হৈ আৰু ইয়াৰ প্ৰভাৱো বেয়া হোৱাৰ সম্ভাৱনা নাথাকে।

পানীৰ সেৱন ছালৰ সমস্যাসমূহ সমাধান কৰাৰ উৎকৃষ্ট পথ হব পাৰে। পানীৰ সেৱনে ছালৰ ভালদৰে চোৱা-চিতাত সহায কৰিব পাৰে আৰু লগতেই ব্যক্তিৰ ছালক বিভিন্ন ধৰণেৰে উৎকৃষ্ট কৰি তুলিব পাৰে। ইয়ে. পানীক বিভিন্ন ধৰণে লাভকাৰী তৰল পদাৰ্থ হিচাপে বনাব পাৰি।


প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰা শীতকালে প্ৰথমেই ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত সমস্যা আনি দিয়ে। বহুমানুহে শীতকালৰ বেছিভাগ সময় অসুখত ভুগি থাকিবলগীয়া হয়। শীতকালত দেখা দিয়া স্বাস্থ্যৰ অসুবিধাসমূহ প্ৰতিৰোধ কৰিব পৰাৰ ক্ষমতা সকলোৰে নাথাকে। ইয়াতেই পানীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**ডাঃ ভবেন চৌধুৰী**

শৰীৰৰ প্ৰতিৰক্ষা প্ৰণালীটোক নিৰ্মান কৰা আৰু শীতকালত ইয়াক অধিক শক্তিশালী কৰি তোলাত পানীয়ে. মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শীতকালৰ সমস্যাসমূহক প্ৰতিৰক্ষা প্ৰণালীৰ দৃঢ়তাৰ সান্নিধ্যত ৰখা হয় আৰু পানী সেৱনৰ লগত পিছত বাঢ়ি যায়। পানীৰ সেৱনে প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰি তোলে, যাৰ জৰিয়তে ব্যক্তিয়ে সুন্দৰ পৰিৱেশৰ আমেজ লব পাৰে আৰু এই প্ৰক্ৰিয়াত ঠাণ্ডা লগা বা জ্বৰ আদি হোৱা দেখা নাযায়। পানী এক অনিবাৰ্য তৰল পদাৰ্থ যি জীৱনৰ বাবে আৱশ্যক। ই ঔষধৰ দৰে কাম কৰে আৰু বহুসংখ্যক স্বাস্থ্য সমস্যাৰ সমাধান কৰে। সেয়ে অতি কম সমস্যাৰ সৈতে শীতকালৰ পৰিবেশৰ আমেজ লবলৈ নিয়মিতভাৱে পানী সেৱন কৰিব লাগে।

**পানীৰ সেৱন ছালৰ সমস্যাসমূহ সমাধান কৰাৰ উৎকৃষ্ট পথ হ'ব পাৰে। পানীৰ সেৱনে ছালৰ ভালদৰে চোৱা-চিতাত সহায় কৰিব পাৰে আৰু লগতেই ব্যক্তিৰ ছালক বিভিন্ন ধৰণেৰে উৎকৃষ্ট কৰি তুলিব পাৰে। ইয়ে পানীক বিভিন্ন ধৰণে লাভকাৰী তৰল পদাৰ্থ হিচাপে বনাব পাৰি। প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰা শীতকালে প্ৰথমেই ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত সমস্যা আনি দিয়ে। বহুমানুহে শীতকালৰ বেছিভাগ সময় অসুখত ভুগি থাকিবলগীয়া হয়। শীতকালত দেখা দিয়া স্বাস্থ্যৰ অসুবিধাসমূহ প্ৰতিৰোধ কৰিব পৰাৰ ক্ষমতা সকলোৰে নাথাকে। ইয়াতেই পানীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শৰীৰৰ প্ৰতিৰক্ষা প্ৰণালীটোক নিৰ্মান কৰা আৰু শীতকালত ইয়াক অধিক শক্তিশালী কৰি তোলাত পানীয়ে মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।**

# টোপনিয়ে বিষৰ যন্ত্ৰণা কমায়



নিশাৰ ভাগত গভীৰ টোপনি হ'লে দিনটোলৈ মানুহজন সপ্ৰতীভ হৈ থাকে আৰু যিকোনো কথাৰ প্ৰতি সতৰ্কতা বৃদ্ধি পায়। লগতে শৰীৰত যিকোনো ধৰণৰ বিষৰ অনুভূতি হ্ৰাস পায়। 'শ্লীপ' নামৰ জাৰ্ণেলখনত এই তথ্য শেহতীয়াকৈ প্ৰকাশ পাইছে। সামান্য পৰিমাণে টোপনিত ব্যাঘাত জন্মা কিছুসংখ্যক স্বেচ্ছাসেৱীৰ ওপৰত টোপনিৰ প্ৰভাৱৰ বিষয়ে পৰীক্ষা চলোৱা হৈছিল। তেওঁলোকক একেৰাহে চাৰিটাকৈ নিশা স্বাভাৱিকভাৱে টোপনি যাবলৈ দিয়া হৈছিল অথবা দহ ঘণ্টালৈকে শুবলৈ দিয়া হৈছিল। এই লোকসকলক এটা উত্তপ্ত সঁজুলিৰ ওপৰত হাত ৰাখিবলৈ দিয়া হৈছিল। তেওঁলোকে কমকৈ টোপনি যোৱা লোকতকৈ ২৫ শতাংশ বেছিসময় তেনে সঁজুলিৰ ওপৰত হাত ৰাখি থবলৈ সক্ষম হৈছিল। কিন্তু এনে ধৰণৰ বিষ সহ্য কৰিব পৰা পূৰ্বৰ পৰীক্ষাবোৰত এই কামৰ বাবে স্বেচ্ছাসেৱকসকলে ৬০ মিলিগ্ৰামকৈ 'কোডেইন' নামৰ বিষনাশক ঔষধবিধ খাই ল'বলগা হৈছিল। এইপৰীক্ষাৰ পৰা প্ৰমাণ পোৱা গ'ল যে, ভাল টোপনি হ'লে মানুহৰ বিষ সহ্য কৰিব পৰা ক্ষমতা প্ৰায় ২৫ শতাংশ বৃদ্ধি পায়। বিষ সহ্য কৰিবৰ বাবে পেইনকিলাৰ খোৱাৰ তুলনাত ভালকৈ গভীৰ টোপনি গ'লে দিনৰ ভাগত বিষ সহিব পৰা ক্ষমতা বৃদ্ধি পায়।

# ঢেকীয়াৰ উপকাৰিতা

ঢেঁকীয়াত প্ৰোটিন, ভিটামিন-'এ', ভিটামিন-'বি-কমপ্লেক্স', ভিটামিন-'চি', ভিটামিন-'ই', বিতাকেৰোটিন, এণ্টিঅক্সিডেণ্ট, কেলচিয়াম, আয়ৰণ, ফচফৰাচ ইত্যাদি পোৱা যায়।

১। নিৰামিষভোজীসকলৰ বাবে ই খুব উপকাৰী কাৰণ ইয়াত প্ৰোটিন আছে আৰু লগতে লাগতিয়াল ভিটামিন আৰু খনিজ পদাৰ্থ আছে।

২। কেলচিয়াম, ফচফৰাছ থকা হাড়ৰ গঠনৰ বাবে উপকাৰী।

৩। জীৱণুনাশক গুণ থকা আৰু স্বভাৱত শীতল হোৱা বাবে পেচাবৰ সমস্যা যেন মূত্ৰনলীৰ সংক্ৰমণ বা ইউৰিনাৰী ট্ৰেক্ট ইনফেক্সন (UTI)ত উপকাৰী।

৪। বিতাকেৰোটিন, ভিটামিন-'চি' থকা বাবে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাত সহায় কৰে।

৫। ৰুচি বৰ্ধক, আৰু কোষ্ঠাকাঠিন্য দূৰ কৰে।

৬। পেলুৰ সমস্যাত ঢেঁকীয়া শাক উপকাৰী।

৭। লিভাৰৰ কাৰ্যক্ষমতা বৃদ্ধি কৰে। ইয়াৰ উপৰিও জণ্ডিছ, ফেটি লিভাৰত উত্তম পথ্য।

৮। ডায়েবেটিছ ৰোগীৰ বাবে ঢেঁকীয়া সুপথ্য।

৯। ভিটামিন-'এ' থকা বাবে দৃষ্টিশক্তিৰ বাবে উপকাৰী।

**ডাঃৰেইনী দেৱী**

# দাঁতৰ বিষৰ যন্ত্ৰণা



**মানুহজনে পাৰলৈ আনি দাসক খুব প্ৰশংসা কৰিলে। সকলোতকৈ ডাঙৰ মাছটো তয়ে ধৰিলি বুলি তাক ঘৰলৈ যাবলৈ দিলে। দাসে বোলে আপোনাৰ প'লৰে মাছ ধৰিলো আপুনিও অলপ কাটি লওক বুলি ক'লে। মানুহজনে তেওঁৰ মাছ থকাৰ কথাটো জনালে। দাস ঘৰ অভিমুখে ৰাওনা হ'ল। মনত খুৱ আনন্দ।**

কি অসুখে মানুহক সকলোতকৈ বেছি আমনি দিয়ে। জ্বৰ, পানী লগা, পেটৰ বিষ, মূৰৰ বিষ, গাৰ বিষে। আনে কি কয় নাজানো এই সকলোতকৈ মই কিন্তু দাঁতৰ বিষক অধিক বিষদায়ক, যন্ত্ৰণাদায়ক অসুখ বুলি ভাবো। মোৰ দাঁতৰ বিষ আছিল। অসহ্য বিষত ৰ'ব নোৱাৰি ইতিমধ্যে চাৰিটামান দাঁত উঠালো। বিষ উঠিলে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ কাকো নামানো। সকলোকে গালি দিও। সদ্যহতে যোৱা দু বছৰ মানৰ পৰা এই যন্ত্ৰণাৰ

**দিপেন ভৰালী**

পৰা সকাহ পাইছো তথাপিও দাঁতৰ বিষৰ যন্ত্ৰণাৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰো। ট্ৰেইনত প্ৰতিদিনে একেলগে যাত্ৰা কৰা বাইহাটা ষ্টেচনৰ যাত্ৰী কেশৱ কাকতিয়ে এদিন দাঁতৰ বিষৰ কথা উলিয়ালে। বিষত হেনো তেওঁ পেটৰ ভোক পেটতে ৰাখি কৰ্ম কৰিছে। বিষত টোপনিতো দূৰৰে কথা থিৰেৰেও থাকিব পৰা নাই। হপহপকৈ মূৰলৈ টানি আছে বিষে। তেওঁৰ কথা শেষ হ'বলৈ নাপালেই বিএছএনএলত কাম কৰা হলাধৰ দাসে কম দিনত পোৱা দাঁতৰ বিষৰ যন্ত্ৰণা, চিকিৎসকৰ পৰা পোৱা অভিজ্ঞতাৰ কথা ক'লে। তেওঁ কথা ক'লে সকলোৱে হাঁহে। খুৱ ৰসিক দাস মানুহজন। ট্ৰেইনত আহিলে তেওঁৰ সঁচা ৰসাল কথাবোৰ উলিয়াবলৈ লগৰবোৰে সোধে। এবাৰ হ'ল কি -দাসে বোলে নামপাৰ্টি দল এটাৰ লগত নাম গাবলৈ গৈছিল। তেওঁ নামদলটোত ডাঙৰ তাল বজায়। নাম গোৱাৰ পিছত তাল মৰা সময়ত তেওঁ উঠি তাল মাৰোতে তালত লগোৱা ৰচীডাল চিঙি ওচৰতে নাম চাই থকা আধাবয়সীয়া লোক এজনৰ মূৰত পৰি হাহাকাৰ। মানুহজন তেজেৰে ৰঙালি হ'ল। নাম মতা আয়োজকসকলে লগে লগে আঘাটপ্ৰাপ্ত লোকজনক হাস্পতাললৈ নিলে। এনে এটা দুখজনক ঘটনা দাসৰ হাতেৰে ঘটা বাবে দাসৰ বিৰাট দুখ লাগিল। হাস্পতালত লোকজন কিছু সুস্থ হৈ লগত যোৱা সকলক হেনো কৈছিল- মানুহজনক মাৰধৰ নকৰিবা। আৰু নাম যাতে বন্ধ নহয়। সৰু থাকোতে দাসে হেনো দুপৰীয়া দৰখ দি থোৱা গৰু চাবলৈ গৈছিল। ওচৰৰে জান এটাত বহু মানুহে সমূহীয়াভাৱে প'লৰে মাছ ধৰিছিল। বহুতেও ডাঙৰ ডাঙৰ বৰালি মাছ ধৰি পাৰত জিৰণি লৈছিল। দেখি দাসৰ লোভ লাগিল। বহি থকা মানুহবোৰক অনুৰোধ জনালে অলপ সময়ৰ বাবে কাৰোবাৰ প'ল এটা দিলে তেওঁ মাছ ধৰিলেহেঁতেন। বহুজনে যা তই সৰু ল'ৰা, প'ল দাঙিব নোৱাৰে মাছ ধৰে আদি কৈ তাক ঘৰলৈ যাবলৈ ক'লে। বহু সময়ত সি সেমেনা সেমেনি কৰি থকাত বয়সস্থ লোক এজনে ক'লে- যা, মোৰ প'লৰে এবাৰ চেষ্টা কৰ বুলি ক'বহে পালে দাসে পানীলৈ নামি গৈ জানটোৰ পাৰে পাৰে চাৰি-পাঁচ চাব মান মৰাৰ পিছত প'লত কিবা মাছ এটা সোমাই ধৰ ফৰ কৰিবলৈ ধৰিলে। তজবজিয়া দাসে পেটটোৰে প'লটোৰ ওপৰত গাৰ সমস্ত ভৰ দি দাদা, মাছ এটা লাগিছে ধৰি দিয়ক চোন বুলি মাতিবলৈ ধৰিলে। প'ল দিয়া মানুহজন গৈ মাছটো ধৰিলে। ডাঙৰ বৰালিটো মূৰৰ ফালে কিছু প'লত সোমাই বাকী অংশ প'লৰ বাহিৰত আছিল। মানুহজনে পাৰলৈ আনি দাসক খুব প্ৰশংসা কৰিলে। সকলোতকৈ ডাঙৰ মাছটো তয়ে ধৰিলি বুলি তাক ঘৰলৈ যাবলৈ দিলে। দাসে বোলে আপোনাৰ প'লৰে মাছ ধৰিলো আপুনিও অলপ কাটি লওক বুলি ক'লে। মানুহজনে তেওঁৰ মাছ থকাৰ কথাটো জনালে। দাস ঘৰ অভিমুখে ৰাওনা হ'ল। মনত খুৱ আনন্দ। পিঠিত ওলোমাই আনিলে ডাঙৰ বৰালি মাছটো। বৰালি মাছটোৰ ফিছা অংশৰে দাসৰ ভৰি হেনো কোবাই গৈছিল। আন এবাৰ ওচৰৰে গাঁও এখনত দাস বিয়া খাবলৈ গ'ল। বিয়া খাই চোতালৰ এচুকত বেণ্ড দল এটাই ধুনীয়া গান এটাই বজাই আছিল। বিয়াঘৰত উপস্থিত লোকসকলে চাৰিওফালে বেণ্ড দলটোক ঘেৰি ধৰি বজোৱা গান শুনি আছে। দাসেও গান শুনিবলৈ ৰৈ গ'ল। বেণ্ড দলটো বিৰাট ভাল দল আছিল। দাসে ৰ'ব নোৱাৰিলে। ড্ৰাম বজোৱা লোকজনক ক'লে- ময়ো অলপ বজাও দিয়ক। মানুহজনে দাসলৈ চালে। মনত কি ভাবিলে জানো। নিজে উঠি দাসক বজাবলৈ দিলে। তেওঁলোকে হিন্দী গীত এটি বজাই আছিল 'জিলে জিলে আয়ৈ আয়ৈ জিলে'। দাসক পাই কোনে পুৰাদমে গীতৰ তালে তালে বজাই গৈছে ড্ৰাম চেট। পুৰা ফুল স্পীডট বজাই থাকোতে ড্ৰামটো গ'ল নহয় ফাটি। দাসৰ সেমেনা সেমেনি লাগিল। ড্ৰাম বজোৱাজনক কথাটো ক'লে।মানুহজন আচৰিত আজি অ'ত বছৰে মই বজালো একো নহয়, আপুনি বজাই ফটাই দিলেহে। দাসৰ আৰু এনে মজাৰ কথা অনেক আছে। পিছে এতিয়া দাঁতৰ বিষত দাসে যন্ত্ৰণা পোৱাৰ কথালৈ আহো। এছ বি আইৰ ঘনশ্যাম দাসে হেনো তেওঁক কাছাৰীত ফুটফাটত বহা দাঁত সৰোৱা লোক এজনৰ তালৈ যাবলৈ পৰামৰ্শ দিলে। কথামতে কাম। কছাৰীৰ পথৰ কাষত থকা এজন লোকৰ সন্মুখত ৰৈ দাসে মানুহজনক মুখখন মেলি বিষাই থকা দাঁতটো দেখুৱাই ক'লে-এইটো দাঁতৰ খুৱ দাঁতৰ বিষ। চাওকচোন। পাৰিলে সৰোৱাইয়ে দিয়ক। বিহাৰী সম্প্ৰদায়ৰ মানুহজনে শিল এচতাত বহি আছিল। তেওঁ লৰি থকা দাঁতটো হাতেৰে চুই চালে আৰু ক'লে-হ'ব পাৰিম। ত্ৰিশ টকা লাগিব। দাসে হ'ব বুলি কোৱাত দাঁত সৰোৱাৰলৈ সাজু হ'ল মানুহজন। কাষত থকা ডাঙৰ বেগ এটাৰ পৰা প্লাছ, কেচীকে ধৰি আন বহু সঁজুলি উলিয়াই ল'লে। সৰ্বনাশ। দাঁত কি এইবোৰেৰে সৰুৱাব? মানুহজন অ' বুলি কোৱাত একেজাপে দাস বহাৰ পৰা উঠিল। বেজি, চেজি নিদিয়াকৈ বিষায় থকা দাঁত এটা এনেকৈ সৰুৱাব নোৱাৰো মই। ভাল পাল্লাত পৰিলো বুলি ভোৰভোৰাই তাৰ পৰা আহিল। তেওঁৰ দাঁত সৰোৱা নহ'ল। অফিচলৈ আহি লগৰকেইজনৰ লগত এই লৈ সৰৱ আলোচনা। সিহঁতে হাঁহি হাঁহি পেটৰ নাড়ী সৰোৱালে যদিও দাঁত বিষত দাসৰ অৱস্থা কাহিল। এজনে অফিচাৰক গৈ ক'লে-ছাৰ, দাসৰ দাঁতৰ বিষ। কামকে কৰিব পৰা নাই। আপুনি অনুমতি দিলে পানবজাৰ হৰিসভাৰ ফালে থকা ডেণ্টেল ক্লিনিক এখনলৈ লৈ গ'লোহেঁতেন। দাসৰ দুৰ্দশাৰ কথা চিন্তা কৰি যাবলৈ অনুমতি দিলে। ডাক্তৰৰ ওচৰ পাই দীৰ্ঘদিন ধৰি পাই অহা যন্ত্ৰণাৰ কথা ক'লে। বিষাই থকা দাঁত সচৰাচৰ ডাক্তৰে নসৰোৱাই যদিও দাসৰ অনুৰোধত দাঁত সৰোৱাবলৈ মান্তি হ'ল ডাক্তৰজন। ক'লে- আপোনাৰ দাঁত সৰোৱাৰ আগতে বেজি এটা দিব লাগিব। বেজিটো দিলে আপুনি গমকে নাপাব। কথামতে কাম। 'এছ' ভাজৰ বেজি এটা উলিয়াই বেজি দিবলৈ নৌপাওতেই দাসে নমস্কাৰৰ ভংগিত বেঙা মানুহৰ দৰে বেং বেং কৰি কিবা ক'বলৈ ধৰিলে। তেওঁৰ অংগী ভংগীত ডাক্তৰজনে ধৰিব পাৰিলে-মানে তেওঁ আৰু দাঁত নসৰায়। দাসে পিছত আমাক জানিবলৈ দিয়া মতে ডাক্তৰে বেজি দিব লওতেই চিৰিঞ্জটোৰ আগটোত থকা জুলীয়া ঔষধৰ টোপাল এটোপ ওঁঠত পৰাত মুহূৰ্ততে ওঁঠটো লৰাব নোৱাৰা হ'ল। তেওঁ কিবা ক'ব খোজে ক'ব নোৱাৰে। কিবা সুধিব খোজে মুখৰ কথা ওলাই নপৰে। ওঁঠটো টানি টানি নিয়ে। একাংগী হ'লে মুখ বেঁকা হোৱাৰ দৰে দাসৰ ওঁঠটো বেঁকা হ'বলৈ ধৰিলে। তেওঁ ডাক্তৰক অংগি ভংগি কৰি ক'লে- ছাৰ, মই আৰু দাঁত নসৰাওঁ, দাঁত নসৰোওতেই মোৰ এনে অৱস্থা। সৰালে কি হ'ব। মোক যাবলৈ দিয়ক। বিএছএনএল দাসৰ দাঁত আৰু সৰোৱা নহ'ল।

# ওজন নিয়ন্ত্ৰণত সহায় কৰে আলমণ্ডে



আপুনি ডায়েবেটিছ ৰোগত ভুগিছে নেকি? বহুত চেষ্টা কৰিও তেজত ছুগাৰৰ মাত্ৰা নিয়ন্ত্ৰণ হোৱা নাই নেকি? তেন্তে চিন্তা নকৰিব। নিয়মিত আলমণ্ড বাদাম খালে নিয়ন্ত্ৰণ থাকিব আপোনাৰ ছুগাৰৰ পৰিমাণ, একাধিক ৰোগৰ সমস্যাত আলমণ্ডে অত্যন্ত গুৰুত্বপূৰ্ণ পালন কৰে। বিশেষ গুণেৰে সমৃদ্ধ আলমণ্ডৰ গুণাগুণৰ বিষয়ে জানো আহক -

(ক) আলমণ্ডত থকা মনো স্যাচুৰেটেত ফেটি এচিডে তেজত বৃদ্ধি পোৱা ছুগাৰৰ মাত্ৰা নিয়ন্ত্ৰণত সহায় কৰে। ইয়াৰ ফলত ডয়েবেটিছ ৰোগৰ সম্ভাৱনা বহুখিনি কমি থাকে।

(খ) আলমণ্ডত থকা ফেট আৰু ডায়েটাৰি ফাইবাৰ শৰীৰৰ বাবে অতি উপকাৰী। লগতে শৰীৰৰ ওজন নিয়ন্ত্ৰণ কৰে।

(গ) আলমণ্ডত থকা ফেট আৰু প্ৰচুৰ পৰিমাণে থকা প্ৰ'টিনে খাদ্য হজম কৰাত সহায় কৰে। শৰীৰত বেক্টেৰিয়াৰ প্ৰভাৱ প্ৰশমিত কৰে।

(ঘ) ইয়াত থকা পৰ্যাপ্ত পৰিমাণৰ মেগনেচিয়াম, কপাৰ, ফেটি এচিড, মেগনেচি, এন্টি অক্সিডেন্ট, পটাচিয়াম, কেলচিয়ামে হাৰ্টৰ স্বাস্থ্য ভালে ৰখাত সহায় কৰে। ইয়াৰ ফলত হাৰ্ট এটেকৰ সম্ভাৱনা কম হয়।

(ঙ) স্বাস্থ্যৱান ছালৰ বাবেও আলমণ্ড অতি উপকাৰী। আলমণ্ডত প্ৰচুৰ পৰিমাণে থকা ভিটামিন -ই আৰু এন্টি অক্সিডেন্টে ছাল সুস্থ আৰু উজ্জ্বলতা ৰক্ষাত সহায় কৰে।

## আয়ুবেদিক চিকিৎসাত বেঙেনাৰ ব্যৱহাৰ সম্পৰ্কে জানেনে?

পুষ্টিবিদসকলৰ মতে বেঙেনা পুষ্টি গুণেৰে ভৰা এবিধ পাচলি। পুষ্টিগুণ সমৃদ্ধ বেঙেনা আমাৰ সুস্বাস্থ্যৰ বাবে অতি উপকাৰী। অতি প্ৰাচীন কালৰে পৰাই আয়ুবেদিক শাস্ত্ৰত বেঙেনাৰ ব্যৱহাৰ হৈ আহিছে। আহকচোন বেঙেনাৰ একাধিক আয়ুবেদিক ব্যৱহাৰ সম্পৰ্কে জানো --

(ক) প্ৰতিদিনে ৰাতিপুৱা খালী পেটত কেঁচা বেঙেনা পুৰি তাৰ লগত গুড় মিহলাই খালে লিভাৰৰ সমস্যা নিৰাময় হয়।

(খ) অনিদ্ৰাৰ সমস্যা দূৰ কৰাত বেঙেনাই যথেষ্ট সহায় কৰে। বেঙেনা খালে ভাল টোপনি হয়। যি সকলৰ



অনিদ্ৰাৰ সমস্যা আছে সেইসকল ব্যক্তিয়ে সন্ধিয়া সময়ত কেঁচা বেঙেনা পুৰি মৌৰ লগত মিহলাই খালে ৰাতি ভাল টোপনি হয়।

(গ) নিয়মিত বেঙেনা খালে প্ৰসাৰৰ সময়ত জ্বলা পোৱা সমস্যা বা কোনো ধৰণৰ অসন্তুষ্টি পালে সেই সমস্যা দূৰ কৰে।

(ঘ) বেঙেনা কিডনীৰ বিভিন্ন সমস্যা ৰোধত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

(ঙ) মহিলাৰ অনিয়মিত ঋতুৰ সমস্যা দূৰ কৰাত বেঙেনা অত্যন্ত উপকাৰী।

(চ) হজমৰ সমস্যা থাকিলে নিয়মিত বেঙেনা খালে অতি সোনকালে উপকাৰ পায়। প্ৰচুৰ গুণেৰে ভৰা বেঙেনা নিয়মিত খাদ্যৰ তালিকাত অন্তভূৰ্ক্ত কৰা উচিত। ই শৰীৰ সুস্থ ৰক্ষাত সহায় কৰিব।

# পুৰণিগুদামত ৰুদ্ৰ বৰুৱা সংগীত একাডেমীৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান উদযাপনৰ ব্যাপক আয়োজন

**বাতৰি কাকত, পুৰণিগুদাম, ৭ জুনঃ** নগাঁও জিলাৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান অবিনশ্বৰ গোষ্ঠীৰ দ্বাৰা পৰিচালিত ‘ ৰুদ্ৰ বৰুৱা সংগীত একাডেমী,পুৰণিগুদাম’ ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান উদযাপন সন্দৰ্ভত পুৰণিগুদামস্থিত ভবেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহত এখন সংবাদমেল অনুষ্ঠিত হৈ যায়। উক্ত সংবাদমেলত উদযাপন সমিতিৰ সভাপতি তথা পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰণৱ বৰঠাকুৰ আৰু নাট্যকাৰ, পৰিচালক তথা অবিনশ্বৰ গোষ্ঠীৰ সম্পাদক দীপক বৰাই সংবাদমেল সম্বোধন কৰি ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সকলো দিশৰ সন্দৰ্ভত অৱগত কৰে। উল্লেখ্য যে, বিগত ২০০০ চনৰ ১৮ জুনত অবিনশ্বৰ গোষ্ঠীৰ দ্বাৰা প্ৰতিষ্ঠা লাভ কৰা ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমীৰ বিগত বৰ্ষৰ পৰাই ৰূপালী জয়ন্তী বৰ্ষ হিচাপে পালন কৰি অহা হৈছে। উদ্যোক্তাসকলে জানিবলৈ দিয়ে যে, বিগত বৰ্ষৰ ১২ জুলাইত শুভাৰম্ভ হোৱা ৰূপালী জয়ন্তী বৰ্ষটিৰ কাৰ্যক্ৰমণিকাৰ অংশ হিচাপে যোৱা মাৰ্চ মাহত ৰুদ্ৰ বৰুৱা গীতৰ কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। অহা ৪ আৰু ৫ জুলাইত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা বুলি জানিবলৈ দিয়ে।কাৰ্যসূচী অনুসৰি, অহা ৪ জুলাইত পুৱা ক্ৰমে পতাকা উত্তোলন, ছহিদৰ স্মৃতিত বন্তি প্ৰজ্বলন, লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা, জুবিন গাৰ্গ, একাডেমীৰ প্ৰয়াত অধ্যক্ষ, কৃতী শিক্ষক তথা অবিনশ্বৰ গোষ্ঠীৰ গীতিকাৰ গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, প্ৰাক্তন শিক্ষকবৰ্গ আৰু অভ্যাগত সকলক আদৰণি অনুষ্ঠান ৰূপায়ণ কৰিব। পুৱা সদৌ অসম ভিত্তিত ৰুদ্ৰ বৰুৱা গীতৰ প্ৰতিযোগিতাখনি দুটা শাখাত অনুষ্ঠিত হ’ব। জ্যেষ্ঠ আৰু কণিষ্ঠ শাখাত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা প্ৰতিযোগিতাখনিৰ দুয়োটা শাখাতে ক্ৰমে প্ৰথম বিজয়ী ১০ হাজাৰ, দ্বিতীয় বিজয়ী ৭ হাজাৰ, তৃতীয় বিজয়ী ৫ হাজাৰ, চতুৰ্থ বিজয়ী ৪ হাজাৰ আৰু পঞ্চম বিজয়ী প্ৰতিযোগীক ৩ হাজাৰ নগদ টকা,মানপত্ৰ আৰু ট্ৰফী পুৰস্কাৰ হিচাপে আগবঢ়াব। জ্যেষ্ঠ শাখাৰ প্ৰতিযোগীসকলৰ নিম্নতম বয়স পোন্ধৰ বছৰ আৰু উৰ্দ্ধতন বয়সৰ কোনো সীমা নিৰ্দ্ধাৰণ কৰা হোৱা নাই। আনহাতে, কণিষ্ঠ শাখাৰ প্ৰতিযোগীসকলৰ বয়স ৮ বছৰৰ পৰা ১৪ বছৰ পৰ্যন্ত নিৰ্দ্ধাৰিণ কৰা হৈছে। দুদিনীয়া কাৰ্যসূচীৰ অন্তিমদিন ৫ জুলাইত পুৱা ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমী, পুৰণিগুদামৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন অনুষ্ঠিত হ’ব। বিয়লি সাংস্কৃতিক অনুষ্ঠান আৰু লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ’ব। এই বঁটা ২০২৫-২৬ বৰ্ষৰ বাবে যশস্বী শিল্পী সূৰ্য কুমাৰ ৰাজা আৰু ২০২৬-২৭ বৰ্ষৰ বাবে যশস্বী শিল্পী মনজ্যোৎস্না মহন্তলৈ আগবঢ়োৱা হৈছে বুলি সংবাদমেলত সম্পাদক দীপক বৰাই সদৰী কৰে। আজিৰ সংবাদমেলত উদযাপন সমিতিৰ সাংস্কৃতিক বিভাগৰ সভাপতি অনিল চন্দ্ৰ দাস, প্ৰতিযোগিতা সমিতিৰ সভাপতি প্ৰিয়ঙ্কু শইকীয়া, সম্পাদক মিন্টু কলিতা, উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক কুকিল চন্দ্ৰ বৰা আৰু দ্বীপেন দাস উপস্থিত থাকে। উদ্যোক্তাসকলে জানিবলৈ দিয়া অনুসৰি ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান উৎসৱ উদ্‌যাপনৰ পৃষ্ঠপোষকৰূপে অসম বিধান সভাৰ সন্মানীয় বিধায়ক জিতু গোস্বামী, ৰূপক শৰ্মা আৰু দিপ্লুৰঞ্জন শৰ্মা থকাৰ লগতে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা, মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত ময়ুৰপঙ্খী বৰা, চামগুৰি ৰাজহ চক্ৰ বিষয়া ক্ৰমে ৰাজেশ সিং আৰু ৰাণাদীপ চুতীয়া, অৱসৰ প্ৰাপ্ত অভিযন্তা পূৰ্ণানন্দ ভূঞা আৰু অভিযন্তা মৌচুমী কাকতি আছে। প্ৰতিযোগিতাত অংশগ্ৰহণৰ কৰাৰ বাবে যোগাযোগ নম্বৰ ৭৬৩৮০৫৯২০১ আৰু ৮৮২২৪৬৩২১৯ । সংবাদমেলৰ জৰিয়তে উদযাপন সমিতিয়ে কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে সমূহ ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।




# বঙাইগাঁৱৰ বীৰঝৰা চাহ বাগিছা আদৰ্শ বিদ্যালয়ত ধঁপাত বিৰোধী সজাগতা সভা

**বঙাইগাঁও৭ জুনঃ** বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে মঙলবাৰে বঙাইগাঁও বীৰঝৰা চাহ বাগিছা আদৰ্শ বিদ্যালয়ৰ প্ৰাংগণত এখন ধঁপাত বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। বঙাইগাঁও শাখা ৰ’টাৰী ক্লাবৰ উদ্যোগত আৰু বঙাইগাঁও থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সহযোগত আয়োজিত এই সভাৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰধান শিক্ষক কিশোৰ কুমাৰ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। প্ৰধান শিক্ষকৰ উদ্দেশ্য ব্যাখ্যাৰ পাছত ৰ’টাৰী ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ বৰ্মনৰ পৌৰোহিত্যত সভাৰ আনুষ্ঠানিক কাৰ্যসূচী আৰম্ভ হয়। সভাত বঙাইগাঁও থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সভাপতি পৰেশ কুমাৰ ৰায়, অৱসৰপ্ৰাপ্ত অধ্যাপক পি কে ধৰ, বঙাইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দন গোস্বামী, অসম মহিলা আয়োগৰ প্ৰাক্তন অধ্যক্ষা বৰোদা কলিতা আৰু স্বাস্থ্য বিষয়া বিভূতি নাথে বক্তব্য প্ৰদান কৰে। বক্তাসকলে ধঁপাত, গুটখা, চিগাৰেট আদি সেৱনৰ ফলত হোৱা মুখৰ কৰ্কট, হাওঁফাওঁৰ ৰোগ, হৃদৰোগৰ দৰে মাৰাত্মক ব্যাধিৰ বিষয়ে তথ্যসহকাৰে বিতংভাৱে ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলক ধঁপাতৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। এই সজাগতা সভাত ৰ’টাৰী ক্লাবৰ সম্পাদক দিলীপ ব্ৰহ্ম, সদস্য পি কে দাস, শোভন চক্ৰৱৰ্তী, আছাৰ বঙাইগাঁও জিলা সভাপতি তথা চাহ জনজাতি জাতীয় সন্মিলনী অসমৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি অমৃত জ’জো, আছা’ৰ বঙাইগাঁও জিলা সম্পাদক বুদ্ধনাথ চাৰাসী, আদিবাসী কল্যাণ সমিতিৰ বঙাইগাঁও-চিৰাং জিলাৰ অধ্যক্ষ প্ৰকাশ লাক্ৰা, পঞ্চায়ত সদস্য ৰবি দাস, দীনেশ শৰণীয়া আৰু সমাজকৰ্মী মছিদাস জ’জো প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ভালেসংখ্যক অভিভাৱকেও অংশগ্ৰহণ কৰে। উল্লেখ্য যে প্ৰতি বছৰে বিশ্ব ধঁপাত বিৰোধী দিৱস পালন কৰা হয় যদিও যোৱা দেওবাৰ আৰু সোমবাৰ চৰকাৰী বন্ধ থকাৰ বাবে এই দিৱস উপলক্ষে অনুষ্ঠিত কৰা হয় সজাগতা সভাৰ । ইপিনে সভাৰ সভাপতিৰ ভাষণত সভাপতি ৰঞ্জিত কুমাৰ বৰ্মনে কয় যে সমাজত ধঁপাত সেৱনৰ হাৰ তুলনামূলকভাৱে বেছি হোৱা বাবে নতুন প্ৰজন্মক সজাগ কৰাৰ উদ্দেশ্যেই বিদ্যালয়খনত এই সভা পতা হৈছে আৰু অনাগত দিনত সমাজখনক ধপাতমুক্ত হিচাপে গঢ়ি তোলাৰ বাবেও পদক্ষেপ লোৱা হ’ব বুলি তেঁও জনায় ।

# ডিব্ৰুগড়ৰ থানা চাৰিআলি আৰ অ’ বিৰ কাষৰ নলা বন্ধ হৈ পৰাত বৰষুণৰ পূৰ্বেই কৃত্ৰিম বানৰ আশংকা

**ডিব্ৰুগড় ৭ জুনঃ** আগন্তুক বৰ্ষা ঋতুক কেন্দ্ৰ কৰি ডিব্ৰুগড়ৰ মানকটা ৰোডস্থিত থানা চাৰিআলি ৰোড অভাৰ ব্ৰীজৰ ওচৰ-চুবুৰীয়াৰ বাসিন্দাসকলৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। দীৰ্ঘদিন ধৰি ব্ৰীজখনৰ দুয়োকাষৰ পথৰকাষৰ নলাসমূহ অযত্নত পৰি থকাৰ ফলত ইয়াৰ অৱস্থা অত্যন্ত শোচনীয় হৈ পৰিছে। ৰেলপথৰ পৰা মানকটা ৰোডলৈকে আৰ অ’ বিৰ দুয়োকাষে থকা নলাসমূহ সম্পূৰ্ণৰূপে অচল হৈ পৰিছে। মাটি, বোকা আৰু ঘন জংঘল গছ-গছনি জমা হৈ নলাবোৰ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াত পানী স্বাভাৱিকভাৱে বৈ যাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। ফলস্বৰূপে, বৰষুণ আৰম্ভ হ’লেই কৃত্ৰিম বান আৰু বন্যাসদৃশ পৰিস্থিতিৰ আশংকা বৃদ্ধি পাইছে। স্থানীয় লোকে জানিবলৈ দিয়া মতে, এই সমস্যাই কেইবামাহ ধৰি গা কৰি আহিছে যদিও সংশ্লিষ্ট কৰ্তৃপক্ষই নলাসমূহ পৰিষ্কাৰ বা ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত তেনেধৰণৰ কোনো বৃহৎ পদক্ষেপ গ্ৰহণ কৰা নাই। বালিমাটি আৰু হাবি-বননি, গছ-গছনি আদি জমা হোৱাত পানীৰ স্বাভাৱিক নিষ্কাষণৰ ব্যৱস্থা ব্যাহত হোৱাৰ লগতে অঞ্চলটো এক অস্বাস্থ্যকৰ পৰিৱেশ হৈ পৰিছে। বিশেষকৈ, ব্যস্ত এই পথচোৱা নিয়মীয়াকৈ ব্যৱহাৰ কৰা পথচাৰী আৰু যাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ’বলগীয়া হৈছে। বৰষুণৰ ঋতু সমাগত হোৱাৰ পৰিপ্ৰেক্ষিতত স্থানীয় লোকসকলে আশংকা প্ৰকাশ কৰিছে যে সামান্য বৰষুণ হ’লেও এই অঞ্চলত তীব্ৰ কৃত্ৰিম বানৰ সৃষ্টি হ’ব পাৰে, যাৰ ফলত যান-বাহনৰ চলাচল ব্যাহত হোৱাৰ লগতে স্থানীয় বাসিন্দা আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহো সমস্যাৰ সন্মুখীন হ’ব। সেয়ে, স্থানীয় ৰাইজে ডিব্ৰুগড় পৌৰ নিগমক বিষয়টোত তৎক্ষণাত গুৰুত্ব আৰোপ কৰি বৰষুণ সম্পূৰ্ণৰূপে আৰম্ভ হোৱাৰ আগতেই নলাসমূহৰ বালিমাটি আঁতৰোৱা আৰু পৰিষ্কাৰ কৰাৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাইছে।

# তামুলপুৰৰ কুমাৰীকাটাত সৰ্বভাৰতীয় পৰ্যায়ৰ অসমীয়া গীতৰ প্ৰতিযোগিতা প্ৰথম পুৰস্কাৰ ২৫ লাখ টকা

**বাতৰি কাকত, তামুলপুৰ,৭ জুনঃ** সংগীতপ্ৰেমীসকলৰ বাবে এক অত্যন্ত সুখবৰ যে তামুলপুৰ জিলাৰ কুমাৰীকাটাত অতি আকৰ্ষণীয় তথা বৃহৎ ধনৰাশিৰ এক সৰ্বভাৰতীয় পৰ্যায়ৰ অসমীয়া গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ‘গীতাঞ্জলি সুৰ সন্ধিয়া’ নামৰ এই সৰ্বভাৰতীয় ভিত্তিত অনুষ্ঠিত হ’বলগীয়া অসমীয়া গীতৰ প্ৰতিযোগিতাখনি অহা ১ জুলাইত বিটিচিৰ অন্তৰ্গত তামুলপুৰৰ কুমাৰীকাটাস্থিত ‘গীতাঞ্জলি সংগীত মহাবিদ্যালয়’ প্ৰাংগণত অনুষ্ঠিত হ’ব। এই ব্যতিক্ৰমী সংগীত প্ৰতিযোগিতাখনত প্ৰথম পুৰস্কাৰ হিচাপে নগদ ২৫ লাখ টকা আগবঢ়োৱা হ’ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। সমগ্ৰ দেশৰ প্ৰতিভাৱান শিল্পীসকলক আকৰ্ষণ কৰিব পৰা এই প্ৰতিযোগিতাখনিত মুখ্য বিচাৰক হিচাপে উপস্থিত থাকিব বিশিষ্ট কণ্ঠশিল্পী, গীতিকাৰ, সংগীত পৰিচালক, সুৰকাৰ, প্ৰযোজক তথা গীতাঞ্জলি সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ ৰাজু কৰ্মকাৰ। এই বৃহৎ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ইচ্ছুক প্ৰতিযোগীসকলৰ বাবে যোগদানৰ মাছুল ১০,০০১ টকা ধাৰ্য কৰা হৈছে। আয়োজক সমিতিয়ে জনোৱা নিয়ম তথা চৰ্তাৱলী অনুসৰি, প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী প্ৰতিযোগীৰ সংখ্যা যদি ২৫ লাখতকৈ কম হয়, তেন্তে পুৰস্কাৰৰ ধনৰাশিৰ সালসলনি হ’ব পাৰে আৰু এই ক্ষেত্ৰত উদযাপন কমিটিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰা হ’ব। উল্লেখযোগ্য যে সমগ্ৰ অসম তথা ভাৰতৰ বিভিন্ন প্ৰান্তৰ সংগীত অনুৰাগী ৰাইজে ঘৰতে বহি এই আকৰ্ষণীয় কাৰ্যসূচী উপভোগ কৰিব পৰাকৈ সমগ্ৰ প্ৰতিযোগিতাখনি ‘Raju Karmakar Song’ নামৰ ইউটিউব চেনেলৰ জৰিয়তে পোনপটীয়াভাৱে উপলব্ধ কৰা হ’ব। এই সন্দৰ্ভত অধিক জানিবলৈ বা নাম পঞ্জীয়নৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলক ৭০৯৯১৫৯৬৮৯ আৰু ৮৮২২৭৯৮০৬৬ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজকৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে।

# ডেৰ বছৰে ভেণ্ডুৰৰ বিল পৰিশোধ কৰা নাই জিলা পৰিষদ আৰু উন্নয়ন খণ্ডই



**বাতৰি কাকত, ডবকা, ৭ জুনঃ**হোজাই জিলা পৰিষদৰ অন্তৰ্গত বিন্নাকান্দি উন্নয়ণ খণ্ডত অনিয়ম হোৱাৰ এক খবৰ পোহৰলৈ আহিছে। প্ৰাপ্ত খবৰ অনুসৰি উন্নয়ণ খণ্ডৰ অধীনৰ পঞ্চায়ত ২০২৪-২৫ বিত্তীয় বৰ্ষত MGNREGA আঁচনীৰ অধীনত ডবকা-যমুনামূখ লোকনিৰ্মাণ পথৰ পৰা চৌধুৰী হাউচলৈকে এটি কৃষি বান্ধ ও পথ নিৰ্মাণৰ কাৰণে নিবিদা আহ্বান কৰা হৈছিল। Work Code No. 0413094004/WC/GIS/225656 Ê. Construction of bundh from PWD Rd to Chowdhury নামেৰে আহ্বান কৰা নিবিদাটো বিভাগীয় নিয়ম অনুসাৰে TALUKDAR TRADERS নামৰ ভেণ্ডৰ তথা যোগনীয়াৰ প্ৰতিষ্ঠানক অৰ্পন কৰা হয়। তালুকদাৰ ক্ৰেডাৰ্চ নামৰ যোগনীয়াৰ প্ৰতিষ্ঠানে সেই বছৰতে কামৰ আনুষ্ঠানিক শুভাৰম্ভ কৰি তিনি মাহৰ ভিতৰতে কাম সম্পূৰ্ণ কৰে। প্ৰাপ্ত তথ্য অনুসৰি প্ৰতিদিনে কামৰ অগ্ৰগতিৰ খতিয়ান আৰু গ্ৰাউণ্ড পচিশ্বনিং ফটো আৰু ভিডিঅ’ বিভাগীয় কৰ্তৃপক্ষক দাখিল কৰে। সময়ে সময়ে বিভাগীয় অভিযন্তা আৰু খণ্ড উন্নয়ণ বিষয়ায়ো কামৰ ক্ষেত্ৰভিত্তিত পৰিদৰ্শন কৰে। তাৰ পিছতে যোগনীয়াৰ প্ৰতিষ্ঠানটোৱে বিল আদায় কৰিবলৈ বিলপত্ৰ দাখিল কৰে। ইয়াৰ কিছুদিন পিছতে হোজাই জিলাপৰিষদৰ ফালৰ পৰা হালৈ উপাধীৰ সহকাৰী কাৰ্যবাহী অভিন্তাইও একে একে তিনিবাৰকৈ ক্ষেত্ৰভিত্তিত পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে। ইমানৰ পিছতো আজি ডেৰটা পছৰে যোগনীয়াৰ প্ৰতিষ্ঠানটোৱে পাবলগা ধন উন্নয়ণখণ্ডই মোকলাই নিদিয়া বুলি অভিযোগ উঠিছে। নিজৰ গাঠিৰ ধন খৰছ কৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ পিছতো ভেণ্ডৰ তথা যোগনীয়াৰ প্ৰতিষ্ঠানটোক নিজৰ পাবলগা ধন আদায় নিদিয়াত প্ৰতিষ্ঠানটোৱে আক্ষেপ প্ৰকাশ কৰে। উল্লেখ্য যে এই পথটো তথা কৃষিবান্ধটো নিৰ্মাণৰ কাৰণে অঞ্চলটোৰ কেইবা শতাধিক কৃষক ৰাইজ যথেষ্ট উপকৃত হোৱা বুলিও স্থানীয় লোকে মত প্ৰকাশ কৰিছে। এনে দৃষ্টিকোণৰ পৰা যোগনীয়াৰ প্ৰতিষ্ঠান তথা ভেণ্ডৰক তেওঁৰ প্ৰাপ্য আদায় দিবলৈ স্থানীয় ৰাইজেওঁ দাবী উত্থাপন কৰিছে।

# মীন আইন ভংগ কৰি ব্ৰহ্মপুত্ৰ নদীত পোনা-গাভিনী মাছ ধৰি অহা মাছমৰীয়াৰ বিৰুদ্ধে কামৰূপ জিলা মীন বিভাগৰ অভিযান

**বাতৰি কাকত,সোণতলী ৭ জুনঃ** ব্ৰহ্মপুত্ৰ নদীত চৰকাৰৰ মীন বিভাগৰ অভিযান। মীন আইন ভংগ কৰি ব্ৰহ্মপুত্ৰত অবৈধ বাবে মাছ ধৰা মাছমৰীয়া বিৰুদ্ধে



অভিযান। কামৰূপ জিলাৰ মীন উন্নয়ন বিষয়া সঞ্জয় শৰ্মাৰ নিৰ্দেশত চলে এই অভিযান। ছমৰীয়া সমষ্টিৰ গৰৈমাৰীৰ উন্নয়ন খণ্ডৰ আচলপাৰা জিৰোৰ পৰা ব্ৰহ্মপুত্ৰ নদীত চলে অভিযান । উল্লেখ্য, ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে কঠোৰ নিষেধাজ্ঞাৰে মীন আইন বলৱৎত থকা অৱস্থাতো নদ-নদীত এচাম অসাধু মাছমৰীয়াই মীন আইন ভংগ কৰি নিধন কৰি আহিছে গাভিনী আৰু পোনামাছ । ইফালে, মীন আইন কাৰ্যকৰীকৰণৰ ওপৰত চৰকাৰৰ মীন বিভাগে এই সময়ছোৱাত মাছমৰীয়াই গাভিনী আৰু পোনামাছ নিধন কৰি অহা কাৰ্যৰ বিৰুদ্ধে নদ- নদীত সময়ে সময়ে চলাই আহিছে অভিযান । এই অভিযানৰ অংশ হিচাবেহ কামৰূপ জিলা মীন বিভাগে ব্ৰহ্মপুত্ৰ নদীত চলায় অভিযান । গৰৈমাৰী আৰক্ষীৰ সহযোগত চলোৱা এই অভিযানত জব্দ হয় পোনা আৰু গাভিনী মাছ ধৰাৰ বাবে মাছমৰীয়াই নদীত মেলি দিয়া বিভিন্ন প্ৰকাৰৰ বহুকেইখন জালৰ লগতে ১০৫খন চেপা । উল্লেখ্য, ব্ৰহ্মপুত্ৰ নদীত এচাম অসাধু মাছমৰীয়াই ৰাজ্যত মীন আইন বলৱৎ থকা অৱস্থাতো মুচুৰি জালৰ পৰা আৰম্ভ কৰি বিভিন্ন প্ৰকাৰৰ জাল আৰু চেপা মেলি দি নিধন কৰি আহিছে পোনা আৰু কণীযুক্ত মাছ । এচাম সচেতন ৰাইজৰ অভিযোগৰ ভিত্তিত কামৰূপ জিলা মীন বিভাগে চলায় এই অভিযান । আচলপাৰা জিৰোৰ পৰা যন্ত্ৰচালিত ভুটভুটী নাৱেৰে চলোৱা অভিযানত অভিযানকাৰী মীন বিভাগৰ দলটোৱে মাছমৰীয়াই মেলি দিয়া জালত লাগি ধৰা ব্ৰহ্মপুত্ৰ নদীৰ বিভিন্ন প্ৰজাতিৰ পোনা আৰু গাভিনী মাছ পুণৰাই নদীৰ বুকুত মেলি দিয়ে । মীন বিভাগৰ এই অভিযানত কামৰূপ জিলা সহকাৰী মীন বিষয়া ৰাজেন দাস, ছয়গাঁৱ উন্নয়ন খণ্ডৰ মীন প্ৰদৰ্শক হিমাংশু বৰুৱা, মৎস মিত্ৰ প্ৰদীপ কুমাৰ নাথ,গৰৈমাৰী উন্নয়ন খণ্ডৰ মৎস মিত্ৰ আব্দুচ ছাত্তাৰ প্ৰমূখ্যে কেবাজনো সচেতন ৰাইজে অংশ লয় ।

# তামুলপুৰত লোকপিয়ল-২০২৭-ৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ

**বাতৰি কাকত, তামুলপুৰ,৭ জুনঃ** তামুলপুৰ জিলাত ২০২৭ বৰ্ষৰ লোকপিয়ল কাৰ্যসূচীৰ সফল ৰূপায়ণৰ লক্ষ্যৰে জিলা পৰ্যায়ৰ গৃহ তালিকাভুক্তি আৰু গৃহ গণনা সম্পৰ্কীয় প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ হয়। তামুলপুৰস্থিত পিএমশ্ৰী কেন্দ্ৰীয় বিদ্যালয়ত ৪ জুন,লৈ অনুষ্ঠিত হোৱা এই তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে তামুলপুৰ জিলাৰ জিলা আয়ুক্ত তথা মুখ্য লোকপিয়ল বিষয়া চিমি কৰণ (আইএএছ)-এ। তেওঁ সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত কয়, তামুলপুৰ জিলাত দুটাকৈ চাৰ্কোল আৰু দুটাকৈ মিউনিচিপালিটী ব’ৰ্ড আছে— তামুলপুৰ আৰু গোৰেশ্বৰ। তাৰ উপৰি লোকপিয়লৰ নিয়মানুসৰি যিবিলাক পৰে, সেইবিলাকো লোৱা হৈছে। গতিকে চক্ৰ বিষয়া, কাৰ্যবাহী বিষয়া আদিক লৈ লোকপিয়লৰ কাৰ্যসূচীটো নিয়াৰিকৈ আগবঢ়াই নিয়া হ’ব। জিলাখনত লোকপিয়লৰ সঠিক, সময়োপযোগী আৰু সফলভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক আৱশ্যকীয় জ্ঞান, কাৰিকৰী দক্ষতা আৰু ব্যৱহাৰিক অভিজ্ঞতাৰে সমৃদ্ধ কৰি তোলাটোৱেই এই প্ৰশিক্ষণ কাৰ্যসূচীৰ মূল উদ্দেশ্য। এই কাৰ্যসূচীৰ জৰিয়তে গৃহ তালিকাভুক্তি, গৃহ গণনা, তথ্য সংগ্ৰহ, তথ্য পৰীক্ষণ আৰু ডিজিটেল মাধ্যমৰ ব্যৱহাৰ সম্পৰ্কে অংশগ্ৰহণকাৰীসকলক বিস্তৃত ধাৰণা প্ৰদান কৰা হ’ব। উদ্বোধনী অনুষ্ঠানত জিলা লোকপিয়ল বিষয়া ডঃ দীপাংকৰ নাথকে ধৰি অতিৰিক্ত জিলা লোকপিয়ল বিষয়া, চাৰ্জ অফিচাৰ, পৌৰসভাৰ গণনা দায়িত্বত থকা বিষয়া আৰু অন্যান্য অংশীদাৰসকল উপস্থিত থাকে। এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে ৰাজ্যিক পৰ্যায়ৰ পৰা নিযুক্ত হৈছে প্ৰাক্তন যুটীয়া সঞ্চালক তথা পৰামৰ্শদাতা ডঃ কে এছ সিং আৰু পৰিসংখ্যা অন্বেষক সিদ্ধাৰ্থ কুমাৰ। তেওঁলোকে অংশগ্ৰহণকাৰীসকলক লোকপিয়ল প্ৰক্ৰিয়াৰ বিভিন্ন কাৰিকৰী আৰু ব্যৱহাৰিক দিশৰ ওপৰত বিশদভাৱে প্ৰশিক্ষণ প্ৰদান কৰিব। এই তিনিদিনীয়া প্ৰশিক্ষণত গণনাকাৰীয়ে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰাৰ পদ্ধতি, স্মাৰ্টফোনভিত্তিক ম’বাইল এপ্লিকেছনৰ ব্যৱহাৰ, ৱেব প’ৰ্টেলৰ জৰিয়তে পৰিয়ালসমূহে নিজে তথ্য পঞ্জীয়ন কৰাৰ সুবিধা, সংগৃহীত তথ্যৰ সত্যতা নিৰূপণ ব্যৱস্থা, কেন্দ্ৰীয় তথ্য ব্যৱস্থাপনা আৰু নিৰীক্ষণ প্ৰণালী, লগতে ভৌগোলিক সংকেতযুক্ত গৃহ তালিকাভুক্তি খণ্ড গঠনৰ দৰে আধুনিক প্ৰযুক্তিনিৰ্ভৰ বিষয়সমূহৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হ’ব। উল্লেখ্য যে ভাৰতৰ আগন্তুক লোকপিয়লত ডিজিটেল প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই নতুন ব্যৱস্থাৰ সৈতে বিষয়া-কৰ্মচাৰীসকলক সুপৰিচিত কৰি তুলিবলৈ এনে প্ৰশিক্ষণ কাৰ্যসূচী বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি সংশ্লিষ্ট মহলে মতপ্ৰকাশ কৰিছে। প্ৰশিক্ষণৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে লাভ কৰা জ্ঞান আৰু দক্ষতাই তামুলপুৰ জিলাত লোকপিয়ল-২০২৭ সফলভাৱে সম্পাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# চামগুৰিত অগ্নিকাণ্ডত কেইবা লক্ষাধিক টকাৰ সামগ্ৰী জুইত ভস্মীভূত

**বাতৰি কাকত, চামগুৰি,৭ জুনঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বৰমা অঞ্চলত পুৱতি নিশা সংঘটিত হয় এক বিধ্বংসী অগ্নিকাণ্ড । জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বৰমাস্থিত লাভলী এণ্টাৰপ্ৰাইজ নামৰ ইলেক্ট্ৰনিক দোকান খনৰ গুদামত আজি পুৱতি নিশা জুইৰ সুত্ৰপাত হয়। ইলেক্ট্ৰনিক দোকান খনৰ গুদামত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ফলত গুদামত মজুত কৰি ৰখা কেইবা লক্ষাধিক টকাৰ ইলেক্ট্ৰনিক সামগ্ৰী জুইত ভস্মীভূত হয় । উক্ত অগ্নিকাণ্ড বৈদ্যুতিক শ্বৰ্টচাকিটৰ ফলতেই সংঘটিত হোৱা বুলি স্থানীয় একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে । বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত একাংশ স্থানীয় লোকৰ সহযোগত আৰক্ষী আৰু অগ্নি নিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে ।

# ট্ৰান্সমিছন কৰিডৰ ঃ ভাৰতৰ অৰ্থনৈতিক বিকাশৰ গোপন চালিকা শক্তি



**বৰুণ ভাটিয়া**

ভাৰতৰ অৰ্থনৈতিক উত্থান কেৱল কাৰখানা আৰু স্মাৰ্টফোনৰ ওপৰত নিৰ্ভৰশীল নহয়, বৰঞ্চ উচ্চ ভল্টেজ ট্ৰান্সমিছন লাইনৰ এক অদৃশ্য জালৰ ওপৰতো নিৰ্ভৰ কৰে, যিয়ে মৰুভূমিৰ পৰা চহৰলৈ বিদ্যুৎ কঢ়িয়াই নিয়ে। শেহতীয়া তথ্য অনুসৰি, ভাৰতৰ বিদ্যুৎ গ্ৰিডে এতিয়া ৫,০০,০০০ চাৰ্কিট-কিলোমিটাৰৰো অধিক উচ্চ-ভল্টেজ লাইন অতিক্ৰম কৰিছে-যি আমাৰ অৰ্থনীতিৰ প্ৰতিটো গিগাবাইট ডাটা, প্ৰতিটো উদ্যোগিক যন্ত্ৰ আৰু প্ৰতিটো বাল্বক নীৰৱে শক্তি যোগায়। কিন্তু নবীকৰণযোগ্য শক্তিৰ ১৫-১৬শতাংশ বাৰ্ষিক বৃদ্ধিৰ তুলনাত ট্ৰান্সমিছন ব্যৱস্থাৰ বিস্তাৰ বহু পিছ পৰি আছে। এই বৈষম্যই বটলনেক সৃষ্টি কৰি অৰ্থনৈতিক বৃদ্ধিক বাধাগ্ৰস্ত কৰিব পাৰে। সেয়ে ভাৰতৰ গ্ৰিড ব্যৱস্থাৰ এক নতুন দৃষ্টিভংগীৰে মূল্যায়ন অত্যন্ত প্ৰয়োজনীয়। ট্ৰান্সমিছন কৰিডৰ কেৱল তাঁৰ নহয়, ই ভাৰতৰ পৰিকাঠামোগত বিপ্লৱৰ মূল আধাৰ। বিকাশৰ মেৰুদণ্ড ভাৰতৰ অৰ্থনৈতিক অগ্ৰগতি নিৰ্ভৰ কৰে এক নিৰ্ভৰযোগ্য বিদ্যুৎ যোগান ব্যৱস্থাৰ ওপৰত। ইস্পাত কাৰখানা হওক বা ডাটা চেণ্টাৰ - সকলো উদ্যোগেই অবিৰত বিদ্যুৎ প্ৰবাহৰ ওপৰত নিৰ্ভৰশীল। ট্ৰান্সমিছন কৰিডৰে ভাৰতৰ বিপুল শক্তি উৎপাদন। বিশেষকৈ নবীকৰণযোগ্য শক্তিক, দ্ৰুত বিকাশশীল চাহিদা কেন্দ্ৰৰ সৈতে সংযোগ কৰে। উদাহৰণস্বৰূপে, ৰাজস্থানৰ ভাদলা ছ'লাৰ কমপ্লেক্সৰ পৰা উত্তৰ ভাৰতৰ সাবষ্টেচনলৈ নতুনকৈ সংযোগ কৰা ৭৬৫ কেভি লিংকে অতিৰিক্ত ১,১০০ মেগাৱাট সৌৰ শক্তি বহন কৰিব পাৰে। ইয়াৰ ফলত দিল্লী আৰু পাঞ্জাবৰ উদ্যোগসমূহে কয়লাৰ পৰিৱৰ্তে সৌৰ শক্তি ব্যৱহাৰ কৰিব পাৰে। যদি এনে কৰিডৰ নাথাকে, তেন্তে উৎপাদিত শক্তি অপচয় হ'ব।একেদৰে, নগৰায়নো বিদ্যুৎ গ্ৰিডৰ ওপৰত নিৰ্ভৰশীল। ভাৰতত স্মাৰ্ট চিটি আৰু ডাটা প্ৰচেছিং কেন্দ্ৰৰ সংখ্যা বৃদ্ধি পাবলৈ গৈ আছে। প্ৰতিটো ৫জি টাৱাৰ আৰু ডাটা ৰেকে মেগাৱাট পৰিমাণৰ শক্তি প্ৰয়োজন। যোৱা বছৰত ৰাজস্থান আৰু গুজৰাটত সৌৰ আৰু বায়ু শক্তিৰ ব্যাপক 'কাৰ্টেইলমেণ্ট' হৈছিল, কাৰণ সূৰ্যৰ পোহৰ কম নাছিল, বৰঞ্চ বিদ্যুৎ কঢ়িয়াই নিবলৈ যথেষ্ট লাইন নাছিল। প্ৰতিটো নষ্ট হোৱা মেগাৱাটৰ অৰ্থ হ'ল - উৎপাদন বন্ধ হোৱা কাৰখানা, চাপত পৰা সৌৰ বিনিয়োগ, আৰু অধিক বিদ্যুৎ মূল্য। সেয়েহে, ট্ৰান্সমিছন হৈছে ডিজিটেল, উৎপাদন আৰু সেৱা খণ্ডৰ 'অদৃশ্য হাইৱে'। শক্তিৰ ভৌগোলিক বৈষম্যভাৰতৰ শক্তি উৎপাদন আৰু ব্যৱহাৰৰ মাজত এক মৌলিক ভৌগোলিক অসামঞ্জস্য আছে। নবীকৰণযোগ্য শক্তিৰ অধিকাংশ সম্ভাৱনা পশ্চিমৰ মৰুভূমি আৰু দক্ষিণৰ উপকূলীয় অঞ্চলত কেন্দ্ৰীভূত। আনহাতে উদ্যোগিক কেন্দ্ৰ আৰু বৃহৎ চহৰসমূহ উত্তৰ আৰু পূব ভাৰতত অৱস্থিত। এই দূৰত্ব পূৰণ কৰাৰ মূল মাধ্যম হৈছে ট্ৰান্সমিছন। মাৰ্চ ২০২৬লৈকে ভাৰতৰ নবীকৰণযোগ্য শক্তি উৎপাদন ক্ষমতা ২২০ গিগাৱাট অতিক্ৰম কৰিছে। ই এক বিশাল সফলতা, কিন্তু ইয়াৰ সৈতে এক নতুন প্ৰযুক্তিগত সমস্যা জড়িত- অনিয়মিত উৎপাদন। কয়লা ভিত্তিক বিদ্যুৎকেন্দ্ৰৰ দৰে স্থিৰ শক্তি উৎপাদনৰ বিপৰীতে, সৌৰ আৰু বায়ু শক্তি প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। সেয়ে গ্ৰিডে অঞ্চলসমূহৰ মাজত তৎক্ষণাত বিদ্যুৎ স্থানান্তৰ কৰিব পৰাটো অত্যন্ত জৰুৰী। শক্তিশালী আন্তঃআঞ্চলিক কৰিডৰ অবিহনে বহু নবীকৰণযোগ্য শক্তি 'stranded asset' হৈ পৰিব পাৰে। ডিজিটেল আৰু উদ্যোগিক বিপ্লৱক শক্তি যোগান ভাৰতীয় উদ্যোগসমূহ এতিয়া অধিক শক্তি-নিৰ্ভৰ ক্ষেত্ৰলৈ অগ্ৰসৰ হৈছে। কৃত্ৰিম বুদ্ধিমত্তা আৰু বৃহৎ ডাটা চেণ্টাৰৰ উত্থানে বিদ্যুতৰ চাহিদা বহুগুণে বৃদ্ধি কৰিছে। এটা এআই ডাটা চেণ্টাৰে এটা মধ্যমীয়া চহৰৰ সমান বিদ্যুৎ ব্যৱহাৰ কৰিব পাৰে আৰু ইয়াত এক মুহূৰ্তৰ বিদ্যুৎ বিভ্ৰাটও সহ্যযোগ্য নহয়। অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাৰ দৰে ৰাজ্যত, যিবোৰে নিজকে বৈশ্বিক এআই হাব হিচাপে গঢ়ি তুলিব বিচাৰে, তাত ট্ৰান্সমিছন টাৱাৰ ফাইবাৰ অপ্টিক কেব'লৰ সমানেই গুৰুত্বপূৰ্ণ হৈ পৰিছে। এই সুবিধাসমূহৰ বাবে 'five nines' নিৰ্ভৰযোগ্যতা প্ৰয়োজন। ইয়াৰ বাবে বহুস্তৰীয় বেকআপ থকা শক্তিশালী গ্ৰিড নিৰ্মাণ কৰা হৈছে। যদি এটা ৭৬৫ কেভি লাইনত ত্ৰুটি হয়, তেন্তে বিদ্যুৎ অন্য সমান্তৰাল লাইনেৰে স্বয়ংক্ৰিয়ভাৱে সৰবৰাহ হয় আৰু ব্যৱহাৰকাৰীয়ে কোনো বিঘ্ন অনুভৱ নকৰে। একেদৰে, 'Make in India' অভিযানে গ্ৰীণ ষ্টীল আৰু ছেমিকণ্ডাক্টৰ উৎপাদনৰ দৰে শক্তি-নিৰ্ভৰ ক্ষেত্ৰত গুৰুত্ব দিছে। এই উদ্যোগসমূহে কেৱল বিদ্যুৎ নহয়, স্থিৰ আৰু পৰিষ্কাৰ বিদ্যুৎ বিচাৰে। ট্ৰান্সমিছন নেটৱৰ্কে ভল্টেজ স্থিৰ ৰাখি সংবেদনশীল যান্ত্ৰিক ব্যৱস্থাক সুৰক্ষিত ৰাখে।বটলনেক আৰু চেলেঞ্জ ৫ লাখ চাৰ্কিট-কিলোমিটাৰৰ মাইলষ্টোন অতিক্ৰম কৰাৰ পিছতো ২০২৫-২৬ বৰ্ষত নতুন কৰিডৰ নিৰ্মাণ লক্ষ্যতকৈ বহু কম হৈছে। ১৫,৩৮২ চাৰ্কিট-কিলোমিটাৰ নতুন লাইন নিৰ্মাণৰ লক্ষ্য থাকিলেও ডিচেম্বৰলৈকে ইয়াৰ আধাও সম্পূৰ্ণ হোৱা নাছিল। ইয়াৰ ফলত ৰাজস্থানৰ দৰে নবীকৰণযোগ্য শক্তি অঞ্চলত বহু সৌৰ আৰু বায়ু প্ৰকল্প স্থবিৰ হৈ পৰিছে। দেশজুৰি ৫০ গিগাৱাটতকৈ অধিক নবীকৰণযোগ্য শক্তি প্ৰকল্প ট্ৰান্সমিছন অভাৱত ৰৈ আছে। ইয়াৰ অৰ্থনৈতিক মূল্যও বিপুল। বিলম্ব আৰু গ্ৰিড জটিলতাই উদ্যোগসমূহৰ খৰচ বৃদ্ধি কৰে। গ্ৰাহকসকলে অধিক মূল্যৰ বিদ্যুৎ ব্যৱহাৰ কৰিবলগীয়া হয়। বেংগালুৰু আৰু হায়দৰাবাদৰ ডাটা চেণ্টাৰসমূহে নতুন ট্ৰান্সমিছন লাইন সংযোগৰ পিছত অধিক নিৰ্ভৰযোগ্য বিদ্যুৎ লাভ কৰিছে। এই সকলো উদাহৰণে দেখুৱাই যে ট্ৰান্সমিছন কৰিডৰ কিমান গুৰুত্বপূৰ্ণ।অঞ্চল আৰু উদ্যোগসমূহৰ সংযোগনীতি নিৰ্ধাৰকসকলৰ বাবে বাৰ্তাটো স্পষ্ট - আন্তঃআঞ্চলিক সংযোগে লাভ বহুগুণে বৃদ্ধি কৰে। পশ্চিম ৰাজস্থান-দিল্লী কৰিডৰে গুজৰাটৰ বায়ু শক্তি আৰু ৰাজস্থানৰ সৌৰ শক্তিক উত্তৰ ভাৰতৰ গ্ৰিডলৈ সংযোগ কৰি বিদ্যুৎ মূল্য স্থিৰ কৰাত সহায় কৰিছে। নতুন উদ্যোগিক অঞ্চলসমূহেও নিৰবচ্ছিন্ন বিদ্যুৎ লাভৰ বাবে নিজস্ব ফিডাৰৰ দাবী জনাইছে। কৃষি আধুনিকীকৰণো ইয়াৰ সৈতে জড়িত। সৌৰচালিত পাম্প আৰু ক'ল্ড ষ্ট'ৰেজ ব্যৱস্থা চলাবলৈ উপ-ট্ৰান্সমিছন লাইনসমূহ উন্নত কৰাটো প্ৰয়োজনীয়। শক্তিশালী মূল গ্ৰিডে তলস্তৰৰ নিৰ্ভৰযোগ্যতাও বৃদ্ধি কৰে।ভৱিষ্যতৰ আহ্বান ভাৰত ৫ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতি আৰু বৈশ্বিক জলবায়ু নেতৃত্বৰ দিশে আগবাঢ়িছে। এই লক্ষ্য পূৰণ কৰিবলৈ ট্ৰান্সমিছন কৰিডৰক কৌশলগত সম্পদ হিচাপে গণ্য কৰিব লাগিব। ভূমি আৰু বন অনুমোদন ব্যৱস্থা সহজীকৰণ, গ্ৰিড আৰু শক্তি উৎপাদনৰ যৌথ পৰিকল্পনা, দূৰৱৰ্তী নবীকৰণযোগ্য শক্তিৰ বাবে এইচভিডিচি বেকব'ন, ডায়নামিক লাইন মনিটৰিং আৰু ব্যক্তিগত বিনিয়োগ উৎসাহিত কৰা অত্যন্ত প্ৰয়োজনীয়। সৰ্বোপৰি, জনমানসত দৃষ্টিভংগী সলনি হ'ব লাগিব। ট্ৰান্সমিছন কোনো অপচয় নহয়, ই এক গুণক। প্ৰতিটো বিনিয়োগে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰে, বিদ্যুতৰ মূল্য হ্ৰাস কৰে, আৰু নবীকৰণযোগ্য শক্তিৰ সম্ভাৱনা উন্মোচন কৰে। যিদৰে ৰাষ্ট্ৰীয় সড়ক আৰু ৰেলপথে সন্মান পায়, তেনেদৰে বিদ্যুৎ গ্ৰিডেও পোৱা উচিত। ভাৰতৰ উত্থান কেৱল কাৰখানা বা সৌৰ পেনেলৰ ওপৰত নহয়, সেই শক্তি বহন কৰা কৰিডৰৰ ওপৰতো নিৰ্ভৰশীল। ভৱিষ্যতে এই ট্ৰান্সমিছন লাইনসমূহকেই ভাৰতৰ বিকাশৰ অদৃশ্য পথ হিচাপে স্মৰণ কৰা হ'ব।

**লেখক- প্ৰজেক্ট এণ্ড লাৰ্নিং ছ'লিউশ্যনছ**
**ইলেকট্ৰনিক্স ছেক্টৰ স্কিলছ কাউন্সিল অৱ ইণ্ডিয়াৰ ভাইচ প্ৰেচিডেণ্ট**

## সন্ত্ৰাস

**প্ৰভাত বণিয়া**

মৰুময় পৃথিৱী ধোৱা ধূলিৰ
আচ্ছাদন
বিভীষিকাময় পৰিবেশ
স্থান কাল
বিপদাপন্ন
কোনেও টলকিলব নোৱৰাকৈ
ছানি ধৰিছে অশুভ বিষবাষ্প
অসহিষ্ণুতাৰ তীব্ৰ উষ্ণতাই
জোকাৰিছে জীৱন,মন-মগজু
হাই-উৰুমি, হাহাকাৰ , অভাৱ,
অনাটন, তৰ্জন গৰ্জন কিমান
প্ৰত্যক্ষ কৰিম আভিজাত্যৰ
দপদপনি
ধামখুমীয়া সমাজ,
জীৱনদায়িনী ঔষধ
খাদ্য সামগ্ৰীৰ মূল্য
আকাশলংঘী
সন্ত্ৰস্ত জনতা
প্ৰতিবাদৰ ভাষা কোনেও
নুবুজে
ক্ষণভংগুৰ সুখ শান্তিৰ স্বপ্ন
অভাৱগ্ৰস্তৰ অবিৰত চকুপানী
কি হ'ব অনাগত দিন
দেখা নাই আশাৰ ৰেঙনি নাই
সুচিন্তিত পৰিকল্পনা
অৰাজকতাৰ দাবানল
দুৰ্দিন দুঃস্বপ্নৰ নহ'ব নেকি
অৱসান
কৰাল দুৰ্ভিক্ষৰ আগ্ৰাসন
দুখ কষ্ট লাজে অপমানে
জৰ্জৰিত
দুচিন্তাত অস্থিৰ জন জীৱন
সময় আজি দুঃসময় সমস্যাৰ
নাই সমাধান।

## সত্যম শিৱম সুন্দৰম

**চঞ্চল দেবনাথ**

সত্য মানেই শিৱ
শিৱ সদায় সুন্দৰ ...
ধৰ্ম কেতিয়াও বহুত নহয়
ধৰ্ম একেই হয়,
নিজে বাচি আনক বচোৱা
এইয়াই ধৰ্মৰ মূল কথা
ধৰ্মত জীৱন দীপ্ত হয়
সম্প্ৰদায়বোৰ ধৰ্ম নহয়।
ওৱাটাৰ পানী জল বস্তু একেটাই
ভাষাৰ ভেদত নাম বেলেগ হয়,
তেনেকৈ আচলতে নাম পৰমপিতা
গড্ ঈশ্বৰ বা আল্লাহ মাথোঁ ভাষাৰ ভিন্নতা।
ধৰ্মপ্ৰাণ আৰু ধৰ্মান্ধ একেই নহয়
ৰাতি আৰু দিনৰ দৰে বিপৰীতমুখী হয়,
ধৰ্মপ্ৰাণ ব্যক্তি সদায় মানৱতাৰ পূজাৰী
ধৰ্মান্ধ ব্যক্তি দেশ সমাজ জাতি ধ্বংসকাৰী।
সেয়ে ক'ব পাৰি পৰমপিতা অদ্বিতীয়ম
সত্যম শিবম সুন্দৰম।

(চুটি গল্প)

# বিয়াখন নহ'ল ভালেই হ'ল

**ডাঃ বিলায়েত হুছেইন**

বহু দিন হ'ল বৰ্ণালী বৰুৱাই কলেজীয়া বন্ধু কামাল হাচানক লগ পোৱা নাই। আজি হঠাৎ মনত পৰিছে, সেয়ে ফোন এটা কৰিছে - হেল্লো কামাল নেকি, ভালে আছা? কামাল - অ' হয় ইমান দিনৰ মূৰত হঠাৎ ফোন কৰিলা যে, ভাল মনত পৰিল আজি। বৰ্ণালী - মনত পৰিল মানে কথা এটা বৰ বেয়াকৈ মনত পৰিছে, সেয়ে বোলোঁ ফোন এটা কৰি কওঁ। ভালে আছাতো? কামাল - আছোঁ আৰু কিবাকৈ, পিছে তোমাৰ? বৰ্ণালী - ভাল বাৰু, তুমি বৰ ভালে ভালে বাচি গ'লা, নহ'লে বৰ বেয়া পৰিস্থিতি হ'লহেঁতেন? কামাল- কিনো কোৱাহে কি বাচি গ'লো, কোৱা না খোলা কৈ, কি হৈছে ? বৰ্ণালী - মানে আমাৰ যে বিয়াখন অৱশেষত নহ'ল গৈ, বৰ ভাল হ'ল জানা, নহ'লে কিযে আলৈ আহুকালৰ সন্মুখীন হ'বলগীয়া হ'লহেঁতেন। কামাল - ধেই কিবোৰ যে কৈ থাকা নহয়, গ'ল কথা গুচিল, এইবোৰ আকৌ পাগুলি থকা কথা নেকি? বৰ্ণালী - কথাবোৰ ভাবি মোৰ ভয় ভয় লাগি আছে, কিমান যে ডাঙৰ বিপদ হ'লহেঁতেন তোমাৰ। মই কিবাকৈ কাৰোবাৰ ফুচলনিত হয়তো কৈ দিলোঁহেঁতেন তোমাৰ কিমান বিপজ্জনক অৱস্থা হ'লহেঁতেন। জানা দহ- বাৰ বছৰ পিছতো যদি আমাৰ মাইনা পোনাকণৰ কথা চিন্তা নকৰি মাথোঁ এটা বিবৃতিযোগে ৰাইজৰ ওচৰত জনালোঁ হেঁতেন যে কামালে মোক ভুৱা পৰিচয়েৰে বিয়া পাতি মোৰ জীৱনটো শেষ কৰিলে। তেন্তে আজি তোমাৰ কি হ'লহেঁতেন। কামাল - কি পাগলৰ প্ৰলাপ বকিবলৈ লৈছা, বন্ধ কৰা এইবোৰ, মই কিন্তু ফোন ৰাখিলোঁ। বৰ্ণালী - নহয় ধেমালি নহয়, মাইকী মানুহৰ মুখ কি ঠিক আছে, যদি কৈ দিলোঁহেঁতেন তেন্তে তোমাৰ কি গতি হ'লহেঁতেন! তোমাক পুলিচে লৈ গ'লহেতেন, মাইনাহঁত মোৰ লগতে থাকি কিযে লটি ঘটি হ'লহেঁতেন। ইহঁতৰ পঢ়া-শুনা খোৱা বোৱাৰ কিযে হ'লহেঁতেন। আৰু তুমি কেতিয়াবা পুলিচৰ কোবত অৰ্ধমৃত হৈ হাস্পতালৰ বিছনাত কেঁকাই থাকিবলগীয়া হ'লহেঁতেন। নতুবা জেলৰ কোনোবা অন্ধকাৰ কোঠালিৰ খিৰিকীৰ কাষত বহি কান্দি থাকিলাহেঁতেন। এদিন হয়তো পুলিচে ফুৰাবলৈ নি এনকাউণ্টাৰ সংঘটিত কৰি কোনোবা নৈৰ পাৰত পেলাই থ'লেহেঁতেন।

কামাল - অহ' কিযে বিৰক্তিকৰ কথাবোৰ কোৱা নহয়, এৰিছোঁ আজি লে ..! বৰ্ণালী - ৰ'বাচোন শুনা, সঁচাকৈয়ে ঈশ্বৰে যি কৰে ভালে কৰে, আমাৰ বিয়া নহ!ল ভালেই হ'ল। নহ'লে যি পৰিস্থিতি কল্পনা কৰাচোন মোৰ দৰে দুৰ্বল চিতীয়াজনীৰ দ্বাৰা তোমাৰ কমতি কষ্ট নহ'লহেঁতেন নে ? কামাল - সেইবোৰ বাদ দিয়া, তোমাৰ সংসাৰ কেনে চলিছে এতিয়া? বৰ্ণালী - কিনো ক'বা, জ্বৰে এৰিলেও কৰপতিয়ে নেৰাৰ দৰে বিয়াখন হ'ল ঠিকেই ধৰ্ম একে কিন্তু কুল গোত্ৰ বেলেগ, কথাৰ কথাই ভুল। আমাৰ এনেকৈ চলে, তেনেকৈ চলে। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি লৈ কিমান যে অমিল, জীৱনটো এক অমিত্ৰাক্ষৰ ছন্দত চলি আছে আৰু। পিছে তোমাৰ কেনে ? কামাল- - আইৰো যি গতি বাইৰো একে। বিয়াখন পাতিলোঁ, ধৰ্মও একে, পিছে ভাষা আৰু সংস্কৃতিৰ ভিন্নতাই জীৱনটো তেজপাতৰ দৰে হৈছে। আঞ্জা সোৱাদ হওঁক বুলি তিনি ঘণ্টা সিজাই পিছত দিয়ে দলিয়ায়। নেখায় নলয়, চেলেক এটাও নেমাৰে পাই, চিধাই ডাষ্টবিনলৈ দলিয়ায়। বৰ্ণালী- আচলতে কি বিধিৰ লিখন নেযায় খণ্ডন। কপালত যি আছে সেয়াই হ'ব। কথাত আছে নহয় - ক'তেনো লুকাবি গোপাল, লগতে যাব কপাল। বাৰু আজিলৈ এৰিছোঁ, ভালে থাকিবা। গুড নাইট। কামাল - অ'কে, গুড নাইট। কিহে যে পাইছিলে মোক এতিয়াও আমনি কৰে এইডালে , ভাগ্য ভাল শ্ৰীমতী সৈতে ল'ৰা ছোৱালীহাল মোমায়েকৰ ঘৰলৈ গৈছিল। ৰাতি এঘাৰটা বাজিল দালি আৰু আলু পিটিকা ভাত খাই কামালে এচি চুইচটো দি বিছনাত পৰিল।

## ডঃ ইকবাল হোচেইন খানৰ দুটা কবিতা

### বিষাদৰ কাহিনী

বিষাদ মোৰ ভিতৰৰ যেন মৃত সন্তান
ক'লৈই কলগ্ৰহ জীৱনৰ ব্যথা
চিঞৰি উঠোঁ
হিংসাৰ বেত্ৰাঘাতত।
ইমান যন্ত্ৰণা কিয়?
ইমান হাহাকাৰ, ইমান হুমুনিয়াহ কিয় ?
বাৰে বাৰে কিয়?
ধিক জনমত
ধিক গণতন্ত্ৰ
ধিক শাসন!
তথাপিও সিহঁতে সাম্যৰ গান গায়
এতিয়াও সিহঁতে ধৰ্মনিৰপেক্ষতাৰ কথা কয়
স্বাধীনতা আন্দোলনৰ কথা কয়
সম- বিকাশৰ কথা কয়
সম-বিতৰণৰ কথা কয়
আৰু অনেক
তথাপি ৰৈ থাকে ব্যাথা,ভিতৰি ভিতৰি যন্ত্ৰণা
কঢ়িয়াই আছোঁ বিষাদৰ বোজা
দিন দিন প্ৰতিদিন
আনন্দহীন
বিষাদৰ কাহিনী।

### ভয়

ভয় কেৱল আৰু কেৱল ভয়
দুমুঠি অন্ন, সভ্যতাৰ ছন্দপতন
ভোক কবিতাৰ শব্দ হৈ পৰিছে
কেৱল আৰু কেৱল মানুহ ধৰ্ম লৈ খেলিছে
ধ্বংসৰ আগলি- বতৰা
মানৱতাহীন মানুহ
জীৱনহীন জীৱন , হুমুনিয়াহ
তথাপি ধৰ্ম হাতিয়াৰ হৈ আছে
ছানি ধৰিছে অন্ধকাৰে, ঘোৰ অন্ধকাৰে
কালগ্ৰস্ত অৰ্থনীতি ৰাজনীতি শিক্ষানীতি ধৰ্মনীতি
ভয়ংকৰ দিন
আগবাঢ়িছে সময়
দৰ্শনহীন হৈ পৰিছে মানুহ
আগ্ৰাসন দানৱৰ
হিংসাৰ বাৰুদেৰে আক্ৰান্ত কৰিছে সকলো
সংকীৰ্ণতা সিহঁতৰ সংগীত
ঘৃণা সিহঁতৰ মন্ত্ৰ
শাসন সিহঁতৰ
জনমত বিকৃত
কৌশল সিহঁতৰ
জীৱন সিহঁতৰ
হুমুনিয়াহ ৰাইজৰ
কান্দোন ভোকৰ
যন্ত্ৰণা কবিতাৰ
এয়াই যেন সময়ৰ কথা
নিস্তব্ধ জীৱন

# উদীয়মান ওপেন ৱাটাৰ তাৰকা কমল কৃষ্ণ দাসে গঢ়িছে নতুন ইতিহাস




**মুকুটেশ্বৰ গোস্বামী**

ল'ৰাজনৰ ঘৰ উত্তৰ গুৱাহাটী মধ্যম খণ্ডত, বয়স মাত্ৰ ১৮ বছৰ। কিন্তু এই ১৮বছৰীয়া যুৱকজনে ইতিমধ্যে নিজৰ অদম্য সাহস, অধ্যৱসায় আৰু সহনশীলতাৰে অসমৰ লগতে দেশৰ ক্ৰীড়া জগতত বিশেষ পৰিচয় গঢ়িবলৈ সক্ষম হৈছে কমল কৃষ্ণ দাস নামৰ সাহসী যুৱকজনে। দীঘলীয়া দূৰত্বৰ ছুইমিং আৰু ওপেন ৱাটাৰ ইভেণ্টত অসাধাৰণ সাফল্য লাভ কৰি কমল এতিয়া অসমৰ উদীয়মান ক্ৰীড়া ব্যক্তিত্বসকলৰ ভিতৰত অন্যতম। ২০০৭ চনৰ ৩ অক্টোবৰত জন্মগ্ৰহণ কৰা কমলে শৈশৱৰ পৰাই সাঁতোৰৰ প্ৰতি গভীৰ আগ্ৰহ আৰু দক্ষতা প্ৰদৰ্শন কৰিছিল। তেওঁ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ শিক্ষাগ্ৰহণ কৰে চেন্ট এন্থনীচ স্কুল, উত্তৰ গুৱাহাটী, অভয়পুৰত। তাৰ পিছত উচ্চতৰ মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰে কটন বিশ্ববিদ্যালয়ত। বৰ্তমান তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত বি এ দ্বিতীয় ষান্মাসিকৰ ছাত্ৰ। অসম ৰাজ্যিক জলক্ৰীড়া প্ৰতিযোগিতাসমূহত ৪০০ মিটাৰ, ৮০০মিটাৰ আৰু ১৫০০ মিটাৰ ফ্ৰীষ্টাইল ইভেণ্টত একাধিক পদক জয় কৰি কমলে সৰু বয়সতেই নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছিল। কিন্তু ওপেন ৱাটাৰ ছুইমিঙত তেওঁৰ অসাধাৰণ পাৰদৰ্শিতাই তেওঁক বিশেষভাৱে জনপ্ৰিয় কৰি তোলে। ২০২২ চনত তেওঁ প্ৰায় ১৪ কিলোমিটাৰ দূৰত্ব গংগা নদীত সাঁতুৰি ব্ৰঞ্জৰ পদক লাভ কৰে। ২০২৩ চনতো একে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি চতুৰ্থ স্থান দখল কৰে। ইয়াৰ উপৰিও কমলে কুৰুৱাৰ পৰা উত্তৰ গুৱাহাটীলৈ প্ৰায় ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰ নদীত সাঁতুৰি সফলতাৰে সম্পূৰ্ণ কৰি নিজৰ মানসিক দৃঢ়তা আৰু শাৰীৰিক সক্ষমতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। ৰাষ্ট্ৰীয় পৰ্যায়তো কমলে অসমৰ হৈ গৌৰৱ কঢ়িয়াই আনিছে। খেলো ইণ্ডিয়া ইয়ুথ গেমছত অংশগ্ৰহণ কৰি তেওঁ ৫কিলোমিটাৰ ওপেন ৱাটাৰ ইভেণ্টত সপ্তম আৰু ১০ কিলোমিটাৰ শাখাত নৱম স্থান লাভ কৰে। তেওঁৰ ক্ৰীড়া জীৱনৰ আটাইতকৈ উল্লেখযোগ্য সাফল্যসমূহৰ ভিতৰত অন্যতম হৈছে ২০২৬ চনৰ ৫ মে'ত সম্পন্ন কৰা আন্তঃৰাষ্ট্ৰীয় Palk Strait সাঁতোৰ অভিযান। শ্ৰীলংকাৰ পৰা তামিলনাডুলৈ প্ৰায় ৩৫ কিলোমিটাৰ দূৰত্ব তেওঁ প্ৰায় ১১ ঘণ্টাৰ ভিতৰত সফলভাৱে সম্পূৰ্ণ কৰে। নিশা ২.১০ বজাত আৰম্ভ হোৱা এই অভিযান দুপৰীয়া ১.১০ বজাত সমাপ্ত হয়। এই সাফল্যই কমলৰ শাৰীৰিক সক্ষমতাৰ লগতে মানসিক দৃঢ়তাকো নতুন উচ্চতালৈ লৈ যায়। ইয়াৰ উপৰিও ২০২০ চনৰ ২৮ অক্টোবৰত তেওঁ ভয়ংকৰ সোঁতৰ মাজেৰে ব্ৰহ্মপুত্ৰ নদী সফলভাৱে পাৰ হৈ বিশেষ সন্মান লাভ কৰিছিল। ক্ৰীড়াৰ উপৰিও সাহসিকতাৰ বাবেও কমল দেশজুৰি সমাদৃত। ২০১৯ চনৰ ৫ ছেপ্টেম্বৰত ব্ৰহ্মপুত্ৰৰ বুকুত ভয়াৱহ মেচিন নাও দুৰ্ঘটনা হোৱা সেই অভিশপ্ত নাওখনত তেৰোঁ এগৰাকী যাত্ৰী আছিল। তেতিয়া তেওঁৰ বয়স মাত্ৰ ১১ বছৰ। সেই ১১ বছৰ বয়সতে দুৰ্ঘটনাগ্ৰস্ত নাওখনৰ পৰা তেওঁ নিজে সাঁতুৰি ৰক্ষা পৰাৰ উপৰি আন দুজন যাত্ৰীৰো প্ৰাণ ৰক্ষা কৰে। তেতিয়া তেওঁক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সন্মানজনক ৰাষ্ট্ৰীয় সাহসিকতা বঁটাৰে সন্মানিত কৰে।তেতিয়াৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ পৰা এই সন্মান গ্ৰহণ কৰি তেওঁ নিজৰ সাহস আৰু আত্মবিশ্বাসৰ এক উজ্জ্বল নিদৰ্শন স্থাপন কৰে। কমলৰ এই সফল যাত্ৰাৰ আঁৰত আছে এন আই এছ প্ৰশিক্ষক বাবুল গুৰুঙৰ নিৰ্দেশনা। লগতে প্ৰাক্তন ৰাষ্ট্ৰীয় সাঁতোৰবিদ আৰু ওপেন ৱাটাৰ প্ৰশিক্ষক মুকুটেশ্বৰ গোস্বামীয়েও কমলক ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰশিক্ষণ দি আহিছে। অসম সাঁতোৰ সন্থাৰ সাধাৰণ সম্পাদক, ভাস্কৰ ৰঞ্জন দাসৰো বিশেষ দিশ-নিৰ্দেশনা লাভ কৰি আহিছে। সৰ্বোপৰি পিতৃ উত্তৰ গুৱাহাটী মধ্যম খণ্ড নিবাসী ধনঞ্জয় দাস আৰু মাতৃ জিতু মণি দাসৰ ত্যাগ, নীৰৱ সাধনা আৰু উৎসাহৰ ফলত আজি তেওঁৰ প্ৰতিভা সফল ৰূপত বিকাশিত হৈছে । উল্লেখযোগ্য যে দেউতাক ধনঞ্জয় দাস অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ এটা চতুৰ্থ বৰ্গৰ সৰু চাকৰি কৰি পৰিয়ালটো কিবাকৈ চলাই আছে। গতিকে আৰ্থিক অনাটনৰ বাবে বহু ক্ষেত্ৰত তেওঁ পিছপৰি থাকিবলগীয়াত পৰিছে। আনকি শ্ৰীলংকালৈ যাওঁতে দেউতাক ধনঞ্জয় দাসে নিজৰ মাটি বিক্ৰী কৰি হ'লেও কমলক পঠোৱাৰ ব্যৱস্থা কৰিছিল। অদম্য ইচ্ছাশক্তি, কঠোৰ পৰিশ্ৰম আৰু লক্ষ্যৰ প্ৰতি অবিচল স্থিতিৰ কাৰণে কমল কৃষ্ণ দাসে ইতিমধ্যে বহু যুৱ ক্ৰীড়াবিদৰ বাবে প্ৰেৰণাৰ উৎস হৈ উঠিছে। অসমৰ এই উদীয়মান সাঁতোৰবিদ গৰাকীয়ে আগন্তুক দিনত দেশৰ নাম উজ্জ্বল কৰিব পাৰিব বুলি ক্ৰীড়া মহল বহুত আশাবাদী। কিন্তু পৰিতাপৰ বিষয় এই গৰাকী প্ৰতিভাবান সাঁতোৰবিদে এতিয়ালৈ চৰকাৰ নতুবা কোনো সামাজিক সংগঠনৰ পৰা কোনো ধৰণৰ আৰ্থিক সাহায্য লাভ কৰা নাই। চৰকাৰ, সামাজিক সংগঠন নতুবা কোনোবা সদাশয় ব্যক্তিয়ে যদি তেওঁলৈ সহায়ৰ হাত আগবঢ়ায় তেনেহ'লে ভৱিষ্যতে অসমে এগৰাকী ভাল সাঁতোৰবিদ সৃষ্টি কৰিব পাৰিব বুলি আমি আশাবাদী।

## নিজৰ ছাঁয়াৰ সন্ধানত

**মণিমালা বৰুৱা দত্ত**

ভিৰৰ মাজতো এক গভীৰ
নিৰৱতা।
অসংখ্য শব্দৰ ভাঁজত হেৰাই
যোৱা এটি আবেলি।
ধীৰে ধীৰে নামি অহা সন্ধিয়াৰ
অস্পষ্ট ছাত,
নীৰৱ হুমুনিয়াহত
আত্মাই যেন নিজৰ ছাঁয়াকেই
বিচাৰি ফুৰে।

# ডবকাৰ ৰাজীৱ ভৱনত নিৰ্বাচনী পৰাজয়ৰ পৰ্যালোচনা সভাত উত্তপ্ত পৰিস্থিতি

**বাতৰি কাকত, ডবকা, ৭ জুনঃ**হোজাই জিলাৰ ডবকা চহৰত অৱস্থিত কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱনত বিন্নাকান্দি সমষ্টিৰ যোৱা বিধানসভা নিৰ্বাচনৰ ফলাফলক কেন্দ্ৰ কৰি অনুষ্ঠিত এক পৰ্যালোচনা সভাত উত্তেজনাৰ সৃষ্টি হোৱা ঘটনাই ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কংগ্ৰেছে সমৰ্থন আগবঢ়োৱা অজাপ ৰ প্ৰাৰ্থীৰ শোচনীয় পৰাজয়ৰ কাৰণ বিশ্লেষণ কৰিবলৈ আহ্বান কৰা সভাখনত একাংশ কংগ্ৰেছ কৰ্মী আৰু নেতাৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয় ।জানিব পৰা মতে, সভাৰ আৰম্ভণিৰে পৰা একাংশ কংগ্ৰেছ কৰ্মীয়ে বিন্নাকান্দি সমষ্টিত কংগ্ৰেছৰ নিজা প্ৰাৰ্থীক টিকট প্ৰদান নকৰি অজাপক সমৰ্থন জনোৱাৰ সিদ্ধান্তক লৈ ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে দলীয় নেতৃত্বৰ ওচৰত এই সিদ্ধান্তৰ যুক্তিসংগত ব্যাখ্যা বিচাৰি প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ ফলত সভাস্থলীত পৰিস্থিতি ক্ৰমাৎ উত্তপ্ত হৈ উঠে। প্ৰত্যক্ষদৰ্শীৰ মতে, আলোচনা চলি থকা অৱস্থাত একাংশ ক্ষুব্ধ কৰ্মী আৰু নেতৃত্বৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয়। পৰিস্থিতি এনে পৰ্যায়লৈ যায় যে, ক্ষুব্ধ কৰ্মীসকলে জোতা-চেণ্ডেল হাতত লৈ নেতৃত্বৰ ফালে ধাবমান হোৱাৰ চেষ্টা কৰে। অৱশ্যে উপস্থিত জ্যেষ্ঠ নেতা আৰু কিছু কৰ্মীৰ হস্তক্ষেপত পৰিস্থিতি অধিক অৱনতি হোৱাৰ পৰা ৰক্ষা পৰে। সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থকা ৰূপহী সমষ্টিৰ বিধায়ক নুৰুল হুদাৰ প্ৰতিও ক্ষোভ প্ৰকাশ কৰে কৰ্মী সকলে। অভিযোগ অনুসৰি, সভা সমাপ্ত হোৱাৰ পিছত একাংশ ক্ষুব্ধ কৰ্মীয়ে বিধায়ক গৰাকীৰ ফালে ধাৱিত হয় আৰু তেওঁৰ বাহনক লক্ষ্য কৰিও আক্ৰমণৰ চেষ্টা চলায়। বিধায়কৰ বাহনত থকা পূৰ্বৰ ইছমলাম নগৰ জিলা পৰিষদৰ প্ৰাক্তন সদস্য নুৰ আহমেদক জোতা চেণ্ডেলৰে চোচা লৈ দৌৰি যায় উত্তেজিত কংগ্ৰেছ কৰ্মী সকলে। পৰিস্থিতি জটিল ৰূপ ধাৰণ কৰাৰ আশংকাত নুৰুল হুদা আৰু নুৰ আহমেদে স্থান ত্যাগ কৰি পলায়ন কৰিবলৈ বাধ্য হয়। অৱশ্যে কংগ্ৰেছ নেতৃত্বই কোনো ধৰণৰ শাৰীৰিক আক্ৰমণ বা অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই বুলি মন্তব্য কৰে। ব্লক কংগ্ৰেছৰ নেতৃবৃন্দই কয় যে, দলীয় প্ৰাৰ্থী নিদিয়া বিষয়টোক লৈ একাংশ কৰ্মী ক্ষোভিত আছিল আৰু সেই ক্ষোভৰ বহিঃপ্ৰকাশ হিচাপেই কিছু সময়ৰ বাবে উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হৈছিল। কিন্তু কোনো ধৰণৰ আক্ৰমণ সংঘটিত হোৱা নাই বুলি তেওঁলোকে দাবী কৰে। উল্লেখ্য যে, এইবাৰৰ বিধানসভা নিৰ্বাচনত বিন্নাকান্দি সমষ্টিত কংগ্ৰেছে নিজা প্ৰাৰ্থী প্ৰক্ষেপণ নকৰি অজাপক সমৰ্থন জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই সিদ্ধান্তক লৈ তৃণমূল পৰ্যায়ৰ বহু কংগ্ৰেছ কৰ্মীৰ মাজত অসন্তুষ্টি দেখা গৈছিল। নিৰ্বাচনত সমৰ্থিত প্ৰাৰ্থীৰ পৰাজয়ৰ পিছত সেই ক্ষোভ পুনৰ প্ৰকাশ পোৱাত ডবকাৰ ৰাজীৱ ভৱনৰ সভাখন উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলজুৰি ব্যাপক আলোচনা আৰম্ভ হৈছে আৰু আগন্তুক দিনত কংগ্ৰেছৰ সাংগঠনিক পৰিস্থিতিৰ ওপৰত প্ৰভাৱ পৰে সেয়া সময়ত লক্ষ্যণীয় হ!ব।



# অভয়াপুৰীত সাহিত্য চ'ৰাৰ বৈঠকত লেখিকা মনোৰমা দেৱীৰ 'স্মৃতিৰ মিঠা শিহৰণ' শীৰ্ষক ভ্ৰমণ কাহিনী উন্মোচন

**বঙাইগাঁও,৭ জুনঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত চিলাৰায় ভৱনত সাহিত্য চ'ৰাৰ বিশেষ বৈঠক অনুষ্ঠিত হয় । বৈঠকখন ইটালিয়ান গীতিকবি পেট্ৰাৰ্কৰ আৰ্হিত অসমীয়াত প্ৰথম ছ'নেট লিখা বিশিষ্ট কবি-সাহিত্যিক হেমচন্দ্ৰ গোস্বামীৰ স্মৃতিচাৰনেৰে আৰম্ভ হয় । বৈঠকত অৱসৰী শিক্ষয়িত্ৰী তথা লেখিকা মনোৰমা দেৱীৰ "স্মৃতিৰ মিঠা শিহৰণ" শীৰ্ষক এখনি ভ্ৰমণ কাহিনী উন্মোচন কৰা হয় । গ্ৰন্থখন উন্মোচন কৰে সাহিত্য চ'ৰাৰ সভাপতি সীমান্ত কুমাৰ কলিতাই । উন্মোচনী বক্তব্যত ভ্ৰমণকালত হোৱা মিশ্ৰিত অভি:তাৰ কথা উল্লেখ কৰি সভাপতি কলিতাই চ'ৰাৰ অন্যতম সদস্যা তথা সুলেখিকা মনোৰমা দেৱীৰ এনে প্ৰচেষ্টাই সকলোকে অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে । আনহাতে লেখিকা মনোৰমা দেৱীয়ে বিদেশ ভ্ৰমণৰ সময়ত বিদেশীসকলে অসমীয়া সাজ-পোছাকৰ প্ৰতি দেখুৱা বিশেষ আকৰ্ষণৰ কথা দোহাৰে ।

# অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু সন্মিলিত সেৱা, শিৱসাগৰৰ যৌথ উদ্যোগত চিত্ৰাংকণ প্ৰতিযোগিতা




**খাইৰুদ্দিন আহমেদ ৭ জুনঃ**অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয় আৰু শিৱসাগৰ সন্মিলিত ৰঙালী বিহু সন্মিলনৰ স্বেচ্ছাসেৱী অনুষ্ঠান সন্মিলিত সেৱা, শিৱসাগৰৰ যৌথ উদ্যোগত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত এক চিত্ৰাঙ্কণ প্ৰতিযোগিতা সফলভাৱে অনুষ্ঠিত কৰা হয়। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সোণালী জয়ন্তীৰ লগতে বিশ্ব পৰিবেশ দিৱস লগত সংগতি ৰাখি আয়োজিত এই চিত্ৰাঙ্কণ প্ৰতিযোগিতাত জিলাখনৰ ভিন্ন প্ৰান্তৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়। সাম্প্ৰতিক সময়ৰ এক অতি গুৰুত্বপূৰ্ণ বিষয় ৰূপে বিবেচিত তথা যোৱা ৫ জুনৰ বিশ্ব পৰিৱেশ দিৱসৰ বাবে ৰাষ্ট্ৰ সংঘৰ পৰিবেশ কাৰ্যসূচী (UNEP)-1 Theme Inspired by Nature. For Climate. For Our Future.-ৰ আধাৰত এই প্ৰতিযোগিতাখন আয়োজিত হয়। প্ৰতিযোগিতাৰ মূল বিষয়বস্তু আছিল জলবায়ু পৰিবৰ্তন । প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভৱিষ্যতৰ সুস্থ পৰিবেশ বাবে বৰ্তমানক কেনেদৰে ব্যৱহাৰ কৰিব লাগে ।এই ধাৰণাক ছবিৰ আকাৰে প্ৰতিযোগীসকলে প্ৰকাশ কৰি চিত্ৰ অংকন কৰে। আজিৰ এই প্ৰতিযোগিতাখন অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ মুৰব্বী বিষয়া জয়ন্ত দত্তই উদ্বোধন কৰে।। তেওঁ উদ্বোধনী বক্তব্যত উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতিৰ সৈতে সংপৃক্ত কৰি বৰ্তমানত পৰিবেশৰ অনুকূল কাম-কাজত তেওঁলোকক জড়িত কৰিব পাৰিলেই ভৱিষ্যতৰ সুস্থ পৰিবেশ নিৰ্মাণৰ বীজ ৰোপণ হ'ব আৰু সেই উদ্দেশ্যৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা অনাই এই প্ৰতিযোগিতাৰ মূল উদ্দেশ্য বুলি উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানত সন্মিলিত সেৱাৰ সভাপতি তথা শিৱসাগৰ বিশ্ববিদ্যালয়ৰ বিজ্ঞান বিভাগৰ ডীন উৎপল দত্তই শুভেচ্ছামূলক বক্তব্য আগবঢ়াই পৰিবেশ প্ৰদূষণ আমাৰ বাবে যে অতি বিপদজনক আৰু ইয়াক যিমান পাৰি নিৰ্মূল কৰিব লাগে সেই কথা ছাত্ৰ-ছাত্ৰীসকলক বুজোৱাৰ প্ৰয়াস কৰে। সন্মিলিত সেৱা, শিৱসাগৰৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকাই কয় যে এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে সময়ে সময়ে গ্ৰহণ কৰা জন-কল্যাণমূলক কাম-কাজৰ ভিতৰত এই অনুষ্ঠানো অন্যতম। ইতিমধ্যে সন্মিলিত সেৱা, শিৱসাগৰে এটি বয়ন উদ্যোগ স্থাপনৰ কৰি থলুৱা শিপিনীৰ যোগেদি গামোচা আদিৰ উৎপাদন, কপৌফুলৰ দৰে অৰ্কিড জাতীয় উদ্ভিদৰ বিজ্ঞানসন্মতভাৱে সংৰক্ষণৰ কৰ্মশালা আৰু ৰোপণ, বান পীড়িত ৰাইজক সাহাৰ্য প্ৰদান, সংহত কৃষি কৰ্ম আদি কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। প্ৰতিযোগিতাখনত বিচাৰক ৰূপে উপস্থিত থাকে শিৱসাগৰৰে বিশিষ্ট চিত্ৰ শিল্পী মুকুল গগৈ, আফতাবুদ্দিন আহমেদ আৰু প্ৰশান্ত গগৈ। তিনিটা শাখাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাৰ ক' শাখাত লিয়ান জ্যোতি গগৈ প্ৰথম, এনায়া হুছেইন দ্বিতীয় আৰু প্ৰিয়াংশু মণ্ডল তৃতীয়; খ' শাখাত অনিৰ্বাণ গগৈ প্ৰথম, ৰূপাংকৃতা বৰুৱা দ্বিতীয় আৰু অত্ৰেয়ী শৰ্মা তৃতীয়; গ' শাখাত লুই বৰুৱা প্ৰথম, তামান্না আহমেদ দ্বিতীয় আৰু চাৰফাৰাজ আমিন ৰহমানে তৃতীয় স্থান লাভ কৰে। বটা বিতৰণী অনুষ্ঠানত ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়া, প্ৰদীপ কান্তি দাস, মনোজ কুমাৰ ভাগৱতী, বিভূতি চেতিয়া, জাকিৰ হুছেইন, জ্যোতি প্ৰসাদ কলিতা,সুৰজিত বৰুৱাৰ লগতে শিৱসাগৰ প্ৰেছক্লাবৰ সম্পাদক হিমাংশু নেওগ উপস্থিত আছিল। প্ৰতিযোগিতাখনৰ স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ লগতে সৰ্বমুঠ পোন্ধৰ হাজাৰ টকাৰে পুৰস্কৃত কৰা হয়।

# ভগ্নীৰ প্ৰাণ ৰক্ষা কৰি মৃত্যুবৰণ কৰা মাধুৰ্য বৰ্মন সকলোৰে বাবে আদৰ্শ হৈ ৰ'বঃ ৰাজ্যিক বিজেপি

**পুলক মেধি,৭জুনঃ** নলবাৰী জিলাৰ চামতা ভকতপাৰা নিবাসী উদীয়মান যুৱক, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক মাধুৰ্য বৰ্মনক ক্ৰমে ৰ'জ আলী ওৰফে আছিক আলী আৰু হিতেশ আলীয়ে বৰ্বৰভাৱে আক্ৰমণ কৰি হত্যা কৰা কাৰ্যই সমগ্ৰ অসম জোকাৰি গৈছে। লাভ জেহাদৰ বলি হৈ মাধুৰ্যৰ ভগ্নী মৃদুমুদ্ৰা ডেকা এই আক্ৰমণৰ ফলত গুৰুতৰ ভাৱে আহত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যুৰ সৈতে মৰণপন যুঁজ দিছে। একাংশ মিঞালোকে সুপৰিকল্পিত ভাৱে লাভ জেহাদৰ দৰে বিষবাষ্প বিয়পাই ক্ৰমে অসমৰ উঠি অহা প্ৰজন্মক চলে বলে কৌশলে জৰ্জৰিত কৰি ভাৰতীয় সনাতন সভ্যতাক কোঙা কৰাৰ কূট-কৌশল ৰচনা কৰিছে। নলবাৰীৰৰ, চামতাত সংঘতিত এই ঘটনাই পুনৰ প্ৰমাণ কৰিছে যে হিন্দু যুৱক-যুৱতীক আক্ৰমণ কৰি একাংশ মিঞালোকে আসুৰিক তৃপ্তি লাভ কৰে। অসম ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনৰ পৰা এক প্ৰেছ বিবৃতি যোগে দলৰ মুখপাত্ৰ প্ৰাঞ্জল কলিতাই কয় যে ৰাজ্যৰ একাংশ তথাকথিত কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, বামপন্থী আদৰ্শৰ হিন্দু নেতাবোৰে মিঞাৰ সুৰক্ষাৰ হকে দিন ৰাতি কৰা ওকালতিৰ বাবেই মিঞাবোৰৰ সাহস দিনক দিনে অধিক বৃদ্ধি পাইছে। প্ৰয়োজনত মিঞাৰ পদলেহনকাৰী এই নেতাবোৰে মিঞাৰ সুৰক্ষাৰ বাবে আন্দোলনত নামি পৰে কিন্তু মিঞা দুষ্কৃতিকাৰীৰ বিৰুদ্ধে কথা কোৱাৰ সাহস নকৰে। যাৰ বাবে প্ৰতিদিনে ৰাজ্যৰ যুৱতীসকল লাভ জেহাদৰ দৰে নিকৃষ্ট ঘটনাৰ বলি হোৱাই নহয় অসমীয়া যুৱকসকলো মিঞাৰ হাতত অকালতে প্ৰাণ হেৰুৱাব লগা হৈছে। আনহাতে, আ!ছ আলী নামৰ আন এগৰাকী মিঞা পাষণ্ডই ছয়গাঁওত এগৰাকী হিন্দু কিশোৰীক ধৰ্ষণ কৰি আৰক্ষীৰ গুলীত আহত হয়। অসমীয়া সমাজ জীৱনক সুৰক্ষিত কৰাৰ স্বাৰ্থত এই পিশাচৰূপী মিঞাসকলৰ বিৰুদ্ধে কঠোৰতম পদক্ষেপ লোৱাৰ সময় আহি পৰিছে। এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক নজীৰবিহীন শাস্তিমূলক পদক্ষেপ লোৱাৰ লগতে কঠোৰ আইন প্ৰণয়নৰ জৰিয়তে মিঞা আৰু মিঞাৰ দুষ্কাৰ্যৰ সমৰ্থনকাৰী সকলৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিবলৈ ৰাজ্যিক বিজেপিয়ে অনুৰোধ কৰে। লগতে প্ৰয়াত মাধুৰ্য বৰ্মনৰ হত্যাকাৰী ৰক্সজ আলীয়ে পলাবলৈ লওঁতে এনকাউণ্টাৰৰ জৰিয়তে শাস্তি প্ৰদান কৰাৰ কাৰ্যৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তথা অসম আৰক্ষীক ৰাজ্যিক বিজেপিয়ে ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি ভনীয়েকৰ জীৱন ৰক্ষাৰে সাহসীকতাৰ পৰিচয় দিয়া প্ৰয়াত মাধুৰ্য বৰ্মনৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে ৰাজ্যিক বিজেপিয়ে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ এই বিবৃতিটোৰ জৰিয়তে গভীৰ সমবেদনা জ্ঞাপন কৰে। ভগ্নীৰ প্ৰাণ ৰক্ষা কৰি মৃত্যুবৰণ কৰা মাধুৰ্য বৰ্মন সকলোৰে বাবে আদৰ্শ হৈ ৰ'ব। লগতে চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা ভুক্তভোগী কিশোৰী গৰাকীৰো দ্ৰুত আৰোগ্য কামনা কৰে।

# জাগীৰোড কেন্দ্ৰীয় বিদ্যালয়ত নামভৰ্তিৰ বাবে ভিৰ অভিভাৱকৰ

**বাতৰি কাকত, জাগী ভকতগাঁও, ৭ জুনঃ** ভাৰত চৰকাৰৰ কেন্দ্ৰীয় কেবিনেটৰ দ্বাৰা অনুমোদিত আৰু কেন্দ্ৰীয় বিদ্যালয় সংগঠন, নতুন দিল্লীৰ দ্বাৰা পৰিচালিত জাগীৰোডস্থিত কেন্দ্ৰীয় বিদ্যালয়ত নতুন ছাত্ৰ ছাত্ৰীৰ নামভৰ্তি প্ৰক্ৰিয়াত আজি শিক্ষাৰ্থী, অভিভাৱকৰ ভিৰ পৰিলক্ষিত হৈছে । এই লৈ বিদ্যালয় কৰ্তৃপক্ষ আৰু বিদ্যালয় পৰিচালনা আৰু অভিভাৱক সমিতিৰ বিষয়ববীয়া সকলে অধিক তৎপৰতাৰে এই প্ৰক্ৰিয়াক আগবঢ়াই নিয়ে । উল্লেখযোগ্য যে এইনামভৰ্তিৰ পঞ্জীয়ন প্ৰ-পত্ৰ প্ৰদান কৰা হৈছিল । প্ৰথম অৱস্থাত এই নতুন নামভৰ্তিৰ বাবে প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ অন্তৰ্ভুক্ত কৰা হৈছে । উল্লেখযোগ্য যে নামভৰ্তি ছাত্ৰ-ছাত্ৰীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ বাবে নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ মাধ্যমেৰে শিক্ষাৰ্থী নিৰ্বাচিত কৰা হৈছে । প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ শিক্ষাৰ্থী সকলক সীমিত আসনৰ তুলনাত আবেদন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক হোৱাত মুকলি লটাৰীৰ জৰিয়তে নিৰ্বাচন কৰে। কাইলৈ চতুৰ্থ আৰু পঞ্চম শ্ৰেণী ছাত্ৰ ছাত্ৰীসকলক উক্ত প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব বুলি জানিবলৈ দিলে বিদ্যালয় পৰিয়ালে। উল্লেখযোগ্য যে এইবেলি প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ মুঠ ৪৮৭ গৰাকী শিক্ষাৰ্থীয়ে নামভৰ্তিৰ আবেদন প্ৰ-পত্ৰ জমা দিছে যদিও ইয়াৰ পৰা লটাৰী যোগে বিভিন্ন কেটেগৰীত প্ৰতিটো শ্ৰেণীত চল্লিশ জনকৈ মুঠ ২০০ জন ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত কৰা হ'ব । আজি এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীত জাগীৰোড কেন্দ্ৰীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰীৰ হৈ প্ৰতিনিধি হিচাপে জাগীৰোড সমজিলাৰ আয়ুক্ত হৃদয় কুমাৰ দাস , বিদ্যালয় খনৰ অধ্যক্ষ ডলী দাস, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অতনু প্ৰসাদ বৰা, বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক বুলবুল চৌধুৰী, উপাধ্যক্ষ নেপোলিয়ন মাজ্জি আদি উপস্থিতি থাকে ।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও জিলা শাখাৰ প্ৰাক্তন সভাপতি মাধৱ ৰাভাৰ সোঁৱৰণত গ্ৰন্থ উন্মোচন

**টংলা ৭ জুনঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও প্ৰাথমিক শাখাৰ উদ্যোগত পুৰণি ভেৰগাঁৱৰ নামঘৰত দিনজোৱা কাৰ্যসূচীৰে মহাপুৰুষ মাধৱদেৱৰ ৫৩৮ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উদযাপন কৰাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাংস্কৃতিক কৰ্মী মাধৱ ৰাভাৰ স্মৃতিত গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা নামঘৰত ধৰ্ম ধ্বজা উত্তোলন, শৰাই অৰ্পণ, নাম প্ৰসংগ , কৃতী শিক্ষাৰ্থীৰ সম্বৰ্ধনা আদি অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিচত যোৱা ২৪ অক্টোবৰত মৃত্যু বৰণ কৰা ভেৰগাঁও জিলা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সভাপতি মাধৱ ৰাভাৰ স্মৃতিত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও জিলা সমিতিৰ সভাপতি মাধৱ চন্দ্ৰ বৰুৱাই। শ্ৰীমন্ত শংকৰদেৱ সঙংঘৰ সদস্য সন্তো হাজৰিকাই উদ্বোধন কৰা সভাত ভেৰগাঁও জিলা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সভাপতি প্ৰয়াত মাধৱ ৰাভাৰ সোঁৱৰণত প্ৰকাশ কৰি উলিওৱা গ্ৰন্থ দীঘ আৰু বাণি উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল সমিতিৰ সদস্য ৰাম চন্দ্ৰ ডেকাই। গ্ৰন্থ উন্মোচন কৰি তেওঁ জীৱন ভিত্তিক এই গ্ৰন্থখনৰ জৰিয়তে মাধৱ ৰাভাৰ স্মৃতি সকলোৰে মনত সজীৱ হৈ থাকিব বুলি কয়। তেওঁ মাধৱ ৰাভাৰ সৈতে লাভ কৰা সান্নিধ্যৰ কথাও স্মৰণ কৰে। দীঘ আৰু বাণি গ্ৰন্থ খনৰ মুখ্য সম্পাদক অপ্ৰতিম বড়া আৰু সম্পাদক নিলীমা ৰাভায়ো গ্ৰন্থখন প্ৰকাশৰ জৰিয়তে হোৱা মনৰ অনুভৱ সন্দৰ্ভত চমুকৈ ব্যাখ্যা কৰে ।সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে দৰং জিলা শ্ৰীমন্ত শংকৰদেৱ সংঘ,দৰং জিলা শাখা সভাপতি ভাৰত চন্দ্ৰ ডেকাই। তেওঁ মহাপুৰুষ মাধৱদেৱৰ সৃষ্টি ৰাজিৰ বিশদ ব্যাখ্যা কৰে। তেওঁ একশৰণ নামধৰ্মৰ নিষ্ঠাবান কৰ্মী মাধৱ ৰাভাৰ অকাল বিয়োগত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও আৰু দৰং জিলা সমিতিৰ অপূৰণীয় ক্ষতি হোৱা বুলিও লগতে কয়। আনহাতে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন উপ- পদাধিকাৰ বসুন্ধৰ ডেকাই তেওঁৰ সাংস্কৃতিক আৰু আধ্যাত্মিক বিভিন্ন কৰ্ম ক্ষেত্ৰত মাধৱ ৰাভাই আগবঢ়োৱা সহযোগিতাৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। সমাজ হিতৈষী মাধৱ ৰাভাই এগৰাকী সুদক্ষ ফুটবল খেলুৱৈ হিচাপেও নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰা তেওঁ কয় ।আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিলোক সংস্কৃতিৰ সাধক, লেখক তৰুণ আজাদ ডেকাই মাধৱ ৰাভাক এগৰাকী সঁচা অৰ্থত মাটিৰ মানুহ বুলি উল্লেখ কৰে। আনহাতে তেখেতে মাধৱ ৰাভাৰ পবিত্ৰ স্মৃতিত এটি বঁটা প্ৰদান কৰিবলৈ পৰিয়ালটোক আৰু সংঘক আহ্বান জনায় ।দীঘ আৰু বাণি গ্ৰন্থৰ সম্পাদনা সমিতিৰ সহকাৰী সম্পাদক মোহন ৰাভাই আঁত ধৰা সভাত ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰী শংকৰ দাসেও মাধৱ ৰাভাৰ সৈতে হোৱা সান্নিধ্যৰ বিষয়ে দুআষাৰ কয় ।সভাত ভেৰগাঁও জিলা শাখাৰ উপদেষ্টা বীৰেন লহৰীয়া,সম্পাদক নবীন ডেকা, ৰঙিয়া জিলা শাখাৰ সম্পাদক বসন্ত ডেকা, অনাৰ্তাৰ নাট্যকাৰ পুলিন তালুকদাৰ, সাহিত্যিক পুনুৰাম কলিতা, নৰ মল্লিকা সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা মনোৰমা বড়া, জীৱন বীমাৰ অৱসৰী কৰ্মচাৰী মুকল বৈশ্য, অভিনয় শিল্পী উজ্বল শইকীয়া, শিল্পী পেন্সনাৰ হৰিচৰণ ৰাজবংশী, ৰাভা শিল্পী আৰু লেখক মঞ্চ অসমৰ সম্পাদক সুৰেন্দ্ৰ মোহন ৰাভা, তক্ষশীলা নাট, সংগীতই বিশ্ববিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নাৰায়ণ ৰাভা, সম্পাদক জোনা ৰাভাৰ লগতে বিপিন বৰুৱা, নিত্যানন্দ ডেকা, অতুল চন্দ্ৰ নাথ, গোপাল নাথ, খগেন চহৰীয়া, টিকেন্দ্ৰ চহৰীয়া, ইন্দ্ৰেশ্বৰ চহৰীয়া, মুকুন্দ ডেকা, কমলা কান্ত ডেকা, মিলিক কুমাৰ, প্ৰফুল্ল দাস, মহিমাময়ী বড়ো কছাৰী আদি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিভিন্ন বিষয়ববীয়াৰ লগতে ধৰ্মপ্ৰাণ মাধৱ ৰাভাৰ পৰিয়ালৰ সদস্য, আত্মীয় আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘ , ভেৰগাঁও প্ৰাথমিক শাখা আৰু জিলা শাখাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# কলেজীয়া ছাত্ৰীক ব্যৱসায় চলোৱাত বাধা দিয়াৰ অভিযোগ

**বাতৰি কাকত বিশেষ,ৰঙিয়া,৭ জুনঃ** স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী তুলসীবাৰীৰ দিক্ষিতাই পঢ়া-শুনাৰ খৰচ বহন কৰিবলৈ ঘৰতে কেক বনাই ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰিছিল। কামেশ্বৰ আৰু সঞ্জয় নামৰ পিতা-পুত্ৰই দোকান চলোৱাত বাধাৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰিছে দিক্ষিতাই। অভিযোগ অনুসৰি, দিক্ষিতাক অকথ্য ভাষাৰে গালি-গালাজ কৰাৰ লগতে বিভিন্ন ধৰণৰ ভাবুকি প্ৰদান কৰা হৈছে।দোকানৰ সন্মুখত টেম্প' ৰখাই আৰু চকী বহুৱাই ব্যৱসায়ত বাধা সৃষ্টি কৰি আহিছিল । ইতিমধ্যে সামাজিক মাধ্যমযোগে গোটেই ঘটনা উল্লেখ কৰিছে দিক্ষিতা কলিতাই সমগ্ৰ ঘটনাৰ তদন্ত কৰি দোষীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ভুক্তভোগী দিক্ষিতা কলিতাই। দিক্ষিতাই কেক বনোৱা প্ৰশিক্ষণ লৈ নিজৰ পঢ়া খৰছ উলিয়াবলৈ সক্ষম হোৱা ছাত্ৰীজনীক এনে ধৰণৰ ব্যৱহাৰ কৰাক লৈ ৰাইজৰ মাজত অশান্তিৰ সৃষ্টি হৈছে। ইতিমধ্যে তেওঁক তুলসীবাৰী আৰক্ষীয়ে আটক কৰিছে। লগতে তেওঁৰ এই কাৰ্যক ৰাইজে গৰিহণা দিছে। কেতিয়াও কোনো ধৰণৰ ছোৱালীক এনে ধৰণৰ ব্যৱহাৰ নকৰিবলৈ আহ্বান জনাইছে অঞ্চলটোৰ লোকসকলে লগতে ছোৱালীৰ জনীৰ ভৱিষ্যতে উজ্জ্বল কামনা কৰিছে। তেওঁৰ লক্ষ্য আৰু এখোজ আগুৱাই যাওক সকলোয়ে আশা কৰিছে। তেওঁ নিজে কেক বনোৱা প্ৰশিক্ষণ লৈ আহি নতুন প্ৰজন্মক উৎসাহিত কৰিছে তেওঁ ঘৰতে বহি নাথাকি নিজৰ কামত ব্যস্ত হৈ এক নিদৰ্শন দাঙি ধৰিছে। ৰাইজে এনেধৰণৰ ব্যক্তিক শাস্তি দিয়াৰ কাৰণে দাবী জনায়।

# গুৱাহাটী এইমছৰ পৰা সফলতাৰে এমবিবি এছ উত্তীৰ্ণ বৰপেটাৰোডৰ সত্য প্ৰকাশ সূত্ৰধৰ

**বাতৰি কাকত, বৰপেটাৰোড ৭ জুনঃ** নামনি অসমৰ বাণিজ্যিক প্ৰধান চহৰ বৰপেটাৰোডলৈ এক গৌৰৱোজ্বল খবৰ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে স্থানীয় যুৱক সত্য প্ৰকাশ সূত্ৰধৰে। দেশৰ সবাতোকৈ আগশাৰীৰ চিকিৎসা বিজ্ঞানৰ শিক্ষানুষ্ঠান গুৱাহাটীস্থিত 'অল ইণ্ডিয়া ইনষ্টিটিউট অৱ মেডিকেল চায়েন্সেছ' ৰ পৰা মেধাৱী ছাত্ৰজনে সফলতাৰে এমবিবিএছ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। আজি ঘোষিত হোৱা চূড়ান্ত ফলাফলত তেওঁৰ এই সফলতাৰ খবৰ লাভ কৰাৰ পিছতেই সমগ্ৰ অঞ্চলটোত এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে, অসম তথা বৰপেটা জিলাৰ পৰা অতি সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে গুৱাহাটী এইমছত অধ্যয়নৰ সুযোগ লাভ কৰে। এইকঠিন প্ৰতিযোগিতাৰ মাজতো সত্য প্ৰকাশে নিজৰ মেধা আৰু কঠোৰ পৰিশ্ৰমৰ বলত এই কৃতিত্ব অৰ্জন কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে।সত্য প্ৰকাশ সূত্ৰধৰ বৰপেটাৰোডৰ শিমলাগুৰী সৎসংগ মন্দিৰৰ সমীপৰ ফৰেষ্ট কলনী নিবাসী, হাউলী নৰ্মাল স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুভাষ সূত্ৰধৰ আৰু কৰুণা সূত্ৰধৰৰ জ্যেষ্ঠ পুত্ৰ। সত্য প্ৰকাশৰ এই অনবদ্য সফলতাত এতিয়া বৰপেটা ৰোডৰ ভিন্ন দল-সংগঠনৰ লগতে স্থানীয় ৰাইজে সত্য প্ৰকাশৰ গৃহত উপস্থিত হৈ আন্তৰিক অভিনন্দন জনায়।

# ৰঙিয়াৰ কেমব্ৰিজ পাব্লিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত বিশ্ব পৰিবেশ দিৱস উদযাপন

**বাতৰি কাকত বিশেষ,ৰঙিয়া,৭ জুনঃ** ৰঙিয়াৰ কেমব্ৰিজ পাব্লিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন পৰা কৰাহয়। অনুষ্ঠিত কৰা হয়। বিশ্ব পৰিৱেশ দিৱসত ছাত্ৰ- ছাত্ৰীৰ লগতে শিক্ষক -শিক্ষয়িত্ৰীসকলে গছপুলি ৰোপণ কৰা হয়। লগতে ছাত্ৰ- ছাত্ৰীক গছপুলি ৰোপণৰ উপকাৰসমূহ বুজাই দিয়ে। গছে মানুহক বিভিন্ন দিশত সহায় কৰে আৰু জলবায়ুৰ লগতে বেমাৰৰ পৰা ৰক্ষা পাবলৈ সক্ষম হয়। ছাত্ৰ- ছাত্ৰীক সকলোকে ঘৰত গছ ৰোপণ কৰিবলৈ শিক্ষক আৰু শিক্ষাৰ্থী আহ্বান জনায়। লগতে কেমব্ৰিজ পাব্লিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালন সঞ্চালক ৰমনী ৰাজবংশীয়ে সকলোকে আহ্বান জনায় গছ থাকিলেহে মানুহ থাকিব। বৰ্তমান সময়ত সকলোৱে ঘৰত একোজোপা গছ ৰোপণ কৰিব লাগে। বৰ্তমান সময়ত বেমাৰৰ পৰা হাত সাৰিবলৈ হ'লে গছজোপা ৰোপণ কৰাৰ লগতে সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব লাগে। বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে কেমব্ৰিজ পাব্লিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ কল্যাণ বিষয়া মহেন্দ্ৰ কলিতাই ছাত্ৰ-ছাত্ৰীক ঘৰত গছ ৰোপণ কৰিবলৈ আহ্বান জনায়।

# ৰাজ্যৰ নৱ নিযুক্ত মন্ত্ৰীসকলক জিলাসমূহৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব অৰ্পন

হোজাই, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, ডাঃ ৰণোজ পেগুক বিশ্বনাথ, গোলাঘাট আৰু সুশান্ত বৰগোঁহাইক মাজুলী আৰু ডিব্ৰুগড় জিলাৰ দায়িত্ব অৰ্পন কৰা হৈছে। মন্ত্ৰীসকলে সংশ্লিষ্ট জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি উন্নয়ন, সুশাসন আৰু সমৃদ্ধিৰ যাত্ৰাক অধিক গতিশীল কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

# ৰাজ্যত ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে বিভিন্ন জিলাৰ প্ৰস্তুতি সম্পন্ন

গণনাকাৰী বিষয়া নিয়োগ কৰা হ'ব। এই বিষয়াসকলক পৰহিলৈৰ পৰা প্ৰশিক্ষণ দিয়া হ'ব। উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ দ্বিতীয় সংস্কৰণৰ অধীনত অসমে ২২০ কোটি ১২ লাখ টকাৰ আৱণ্টন লাভ কৰাৰ লগতে ১৬,৮১০ টা ঘৰৰ অনুমোদন লাভ কৰিছে। আনহাতে ২৭ হাজাৰ ৫৪৪টা গৃহ অনুমোদন পৰ্যায়ত আছে। ইপিনে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কৃতজ্ঞতা জ্ঞাপন কৰি কয়, যে এই গৃহ নিৰ্মাণ আঁচনিখনে সমগ্ৰ অসমতে স্থায়ী গৃহ প্ৰদানৰ লগতে গৃহহীন হিতাধিকাৰীসকলক উপকৃত কৰিব। বিগত বৰ্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তিনি লাখ ২৫ হাজাৰ ২৩৪টা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ হিতাধিকাৰীক প্ৰদান কৰিছিল। কেন্দ্ৰই ২০২২ চনত অসমৰ বাবে পাঁচ লাখ গৃহৰ অনুমোদন জনাইছিল। সেই লক্ষ্য পূৰণ কৰাৰ পিছত চলিত বিত্তীয় কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

# ৰাজ্য চৰকাৰৰ ২ লাখ চৰকাৰী চাকৰিৰ বাবে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ

২ লাখ চাকৰী সৃষ্টিৰ বিষয়টো তুৰান্বিত কৰাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত টাস্কফোৰ্চ গঠন কৰিছে। মুখ্য সচিব ড° ৰবী কোটাৰ নেতৃত্বত ২৭ মে'ত টাস্কফোৰ্চত প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অহা ৫ বছৰত ২ লাখ চৰকাৰী চাকৰি সৃষ্টিৰ ৰূপৰেখা প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়।

# গুৱাহাটীত প্ৰথমবাৰৰ বাবে ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** গুৱাহাটীত প্ৰথমবাৰৰ বাবে ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব। অহা জুলাইৰ মাজভাগত হ'বলগীয়া এই সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি ভাৰত ভ্ৰমণলৈ আহিব। এই সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। দুয়ো দেশৰ এই সন্মিলনক লৈ ইতিমধ্যে দিল্লীৰ লগতে দিছপুৰতো বিশেষ তৎপৰতা আৰম্ভ হৈছে। কেন্দ্ৰৰ পৰা এই সন্দৰ্ভত অনুমোদন লাভ কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰে ভাৰত-জাপান আন্তঃৰাষ্ট্ৰীয় মৈত্ৰী সন্মিলনখন সুচাৰুৰূপে আয়োজন কৰাৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় পৰিকল্পনা যুগুত কৰিছে। এই লৈ কালি লোক ভৱনত মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অসম মন্ত্ৰী পৰিষদৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, এই সন্মিলনত প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনৈতিক সুৰক্ষা আদি কেইবাটাও বিষয়ত উভয় দেশৰ মাজত বুজাবুজিৰ চুক্তি সম্পাদন হোৱাৰ সম্ভাৱনা আছে।

# স্বামী বিবেকানন্দ বিশ্ববিদ্যালয়ৰ অধ্যক্ষ মনীষ সিং আৰু আচাৰ্য ড° অজয় কৰণৰ সাক্ষাৎ মুখ্যমন্ত্ৰীক

ইনকুৱেশ্যন (প্ৰাৰম্ভিক ব্যৱসায়িক লালন-পালন) আৰু উদ্যোগী মনোভাব গঢ়ি তোলাৰ লগতে এক প্ৰগতিশীল অসমৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি গৱেষণা আৰু উন্নয়নমূলক পদক্ষেপসমূহ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশ্ববিদ্যালয়ৰ নেতৃত্বই অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নত অৰিহণা যোগোৱা, প্ৰতিভা বিকাশ আৰু উদ্ভাৱনী শক্তিক প্ৰসাৰিত কৰাৰ প্ৰতি তেওঁলোকৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বামী বিবেকানন্দ বিশ্ববিদ্যালয়ে এক শক্তিশালী শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত চলোৱা প্ৰচেষ্টাক প্ৰশংসা কৰে। ইয়াৰ লগতে তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশ, উদ্যোগখণ্ডৰ সৈতে সহযোগিতা আৰু গোলকীয় পৰিচিতিৰ সুযোগ অধিক সম্প্ৰসাৰিত কৰিবলৈ বিশ্ববিদ্যালয়ৰ নেতৃত্বক উৎসাহিত কৰে। অধ্যক্ষ শ্ৰীমনীষ সিং আৰু আচাৰ্য ড° অজয় কৰণে পৰম্পৰাগত মূল্যবোধ আৰু আধুনিক শিক্ষা পদ্ধতিৰ সংমিশ্ৰণেৰে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশ সুনিশ্চিত কৰিব পৰা এক সজীৱ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ প্ৰতি বিশ্ববিদ্যালয়খনৰ উৎসৰ্গিত মনোভাৱ পুনৰ প্ৰকাশ কৰে। এই কৌশলগত আলোচনাই স্বামী বিবেকানন্দ বিশ্ববিদ্যালয়ক অসম তথা সমগ্ৰ অঞ্চলটোত গুণগত শিক্ষা, উদ্ভাৱন আৰু প্ৰভাৱশালী গৱেষণাৰ এক প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত কৰিছে।

# ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ

শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক কাইলৈ আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ইয়াৰ ভিত্তিত আদালতে কাইলৈৰ পৰা প্ৰতিদিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত সাক্ষীৰ সাক্ষ্যগ্ৰহণ কৰিব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৩৯৪ গৰাকী ব্যক্তি সাক্ষী আছে।

# তেজপুৰ লিচু উৎসৱৰ সামৰণি

বুলি তেওঁ কয়। উল্লেখযোগ্য যে তেজপুৰৰ বিশ্ববিখ্যাত লিচুক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় কৰিবলৈ আৰু নতুন প্ৰজন্মক লিচু খেতি কৰাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে এই উৎসৱৰ আয়োজন কৰা হৈছে। শোণিতপুৰ জিলা প্ৰশাসনে ভৌগোলিক স্বীকৃতি লাভ কৰা তেজপুৰৰ সুস্বাদু লিচু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উপহাৰ হিচাপে প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰীলৈ জিলা প্ৰশাসনে প্ৰেৰণ কৰা এই বিশেষ উপহাৰে তেজপুৰৰ লিচুক ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক জনপ্ৰিয় কৰাৰ লগতে ইয়াৰ লগত জড়িত কৃষকসকলক উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। কালি উৎসৱ উপলক্ষে ডাক বিভাগৰ অসম চক্ৰৰ মুখ্য ডাকপালে প্ৰকাশ কৰা এটা স্মাৰক ডাক ক'ভাৰ আৰু ড° ভূপেন শইকীয়াৰ সম্পাদনাত প্ৰকাশিত এখন স্মৰণিকা উন্মোচন কৰা হয়। অনুষ্ঠানত ১০ গৰাকী বচা বচা লিচু উৎপাদকক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময় কৰা হয়।

# নলবাৰীৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত পুখুৰীসদৃশ গাঁত

মাজতে পুখুৰী সদৃশ পানী পৰিলক্ষিত হৈছে।পথছাৰীয়ে বিপদ সংকুলভাৱে পথটো অতিবাহিত হ'ব লগীয়াত পৰিছে। ।বিশেষকৈ শিক্ষানুষ্ঠানসমূহলৈ অহা-যোৱা কৰা শিক্ষাৰ্থী সকলে দুৰ্ভোগ ভূগিব লগীয়াত পৰিছে।বিকাশিত ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ পথৰ এনে দূৰাৱস্থাত যক্সমৰ যাতনা ভূগা ৰাইজে বিভাগীয় কতৃপক্ষক শীঘ্ৰে পথটোৰ মেৰামতীৰ দাবী জনাই লগতে নলবাৰী সমষ্টিত বিধায়ক জয়ন্ত মল্ল বৰুৱাকো পথটোৰে এবাৰ আহি চাবলৈ আহ্বান জনোৱাৰ লগতে পথটোৰ সু-ব্যৱস্থা আগবঢ়বলৈ আহ্বান জনাই।

# আমেৰিকাৰে মতানৈক্য ঃ বাব-অল-মান্দেব প্ৰণালীক লৈ কঠোৰ ইৰাণ

অধিক বৃদ্ধি পাইছে। ইৰানৰ সামৰিক বাহিনীৰ কুদছ ফ'ৰ্চৰ কমাণ্ডাৰ ইছমাইল কানিয়ে জনাইছে যে, গাজা আৰু লেবাননত ইজৰাইলী সামৰিক অভিযান বন্ধ নকৰিলে এই গুৰুত্বপূৰ্ণ জলপথতো কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব পাৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প এতিয়া এনে এক আশংকাৰ সন্মুখীন হৈছে যে, ইৰানে যদি মধ্যপ্ৰাচ্যত সংঘাত আৰু অধিক বৃদ্ধি কৰে, তেন্তে বাব-অল-মান্দেব প্ৰণালী বন্ধ কৰি দিব পাৰে। এনে পৰিস্থিতিত ইতিমধ্যে ব্যাহত হোৱা তেলৰ যোগান আৰু অধিক হ্ৰাস পাব। বাব-অল-মান্দেব প্ৰণালীয়ে এই সময়ছোৱাত তেল বজাৰৰ বাবে এক গুৰুত্বপূৰ্ণ 'ৰিলিফ ভালভ' হিচাপে কাম কৰি আহিছে। কিয়নো পশ্চিম এছিয়াৰ অশান্তিৰ বাবে হৰমুজ প্ৰণালীৰ জৰিয়তে আমদানি-ৰপ্তানি যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। বাব-অল-মান্দেব প্ৰণালী হৈছে লোহিত সাগৰ আৰু এডেন উপসাগৰক সংযোগ কৰা এক সংকীৰ্ণ জলপথ। ইয়াৰ এটা ফালে আছে য়েমেন, আনফালে আছে জিবুতি, ইৰিট্ৰিয়া আদি কেইবাখনো দেশ। এই প্ৰণালী বিশ্ব বাণিজ্যৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ, কিয়নো প্ৰতিদিনে প্ৰায় ৮৮ লাখ বেৰেল তেল এই পথেদি পৰিবহণ কৰা হয়। বিশ্বৰ প্ৰায় ১০ৰ পৰা ১২ শতাংশ সমুদ্ৰপথৰ বাণিজ্য এই ৰুটৰ ওপৰত নিৰ্ভৰশীল। ইউৰোপ-এছিয়া বাণিজ্যৰ অন্যতম প্ৰধান কৰিড'ৰো এইটোৱেই। ফলত এই পথ বন্ধ হৈ গ'লে জাহাজসমূহক আফ্ৰিকাৰ 'কেপ অৱ গুড হোপ' ঘূৰি যাব লাগিব, যাৰ ফলত সময় আৰু ব্যয় দুয়োটাই যথেষ্ট বৃদ্ধি পাব। ইয়াৰ উপৰি, ইৰানৰ সৰ্বোচ্চ নেতা মোজতবা খামেনেইৰ সৈতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সম্ভাব্য বৈঠকক লৈ সৃষ্টি হোৱা জল্পনাক নাকচ কৰিছে তেহৰানে। মোজতবা খামেনেইৰ সামৰিক উপদেষ্টা মহছেন ৰেজায়েই স্পষ্টভাৱে জনাইছে যে, অদূৰ ভৱিষ্যতে এনে কোনো বৈঠকৰ সম্ভাৱনা নাই। বৰং, শান্তি চুক্তি চূড়ান্ত কৰিব বিচাৰিলে আমেৰিকাক প্ৰথমে এটা 'পৰীক্ষা' দিব লাগিব বুলি তেওঁ দাবী কৰিছে। সেই পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে কি কি চৰ্ত পূৰণ কৰিব লাগিব, সেই বিষয়েও তেওঁ ইংগিত দিছে।

# ৫০০ কোটি টকাৰে দ্বিতীয় ৰাজধানী বনাব ডিব্ৰুগড়ত

পৰিষদক লৈ অনুষ্ঠিত এই কেবিনেট বৈঠকৰ সিদ্ধান্ত সদৰী কৰি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰা অনুসৰি কেবিনেটে ডিব্ৰুগড়ক দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল হিচাপে ঘোষণা কৰাৰ লগতে দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ, ডিব্ৰুগড় গঠনৰ প্ৰস্তাৱত অনুমোদন জনায়। এই অঞ্চলটোৱে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ডিব্ৰুগড় ৰাজধানী কমপ্লেক্সক কেন্দ্ৰ কৰি ২০ কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকা সামৰি ল'ব। আনহাতে, দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ, ডিব্ৰুগড়ে দ্বিতীয় ৰাজধানী অঞ্চলৰ উন্নয়নৰ সৈতে জড়িত আঞ্চলিক আৰু কেন্দ্ৰীয় পৰ্যায়ৰ উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা, বিকাশ কৰিড'ৰ আৰু নগৰ সম্প্ৰসাৰণ এলেকা চিনাক্ত কৰাৰ দায়িত্ব বহন কৰিব। এই প্ৰাধিকৰণৰ অধ্যক্ষৰূপে থাকিব ডিব্ৰুগড়ৰ বিধায়কগৰাকী। অধ্যক্ষগৰাকীয়ে লাভ কৰিব কেবিনেট মৰ্যাদা। আনহাতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবগৰাকী প্ৰাধিকৰণৰ উপাধ্যক্ষ হিচাপে থাকিব, ডিব্ৰুগড় জিলা আয়ুক্তগৰাকী হ'ব সদস্য সচিব। তদুপৰি সদস্য হিচাপে থাকিব দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ মুখ্য কাৰ্যবাহী বিষয়া, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু সকলো বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকল। দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ সৈতে জড়িত সকলো কাম-কাজ সম্পাদনৰ বাবে সংশ্লিষ্ট লাইন-বিভাগসমূহৰ বাজেটত ৫০০ কোটি টকাৰ এক বিশেষ পুঁজি আবণ্টন কৰা হ'ব। ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে নিৰ্মাণ কৰিবলৈ ৫০০ কোটি টকা ব্যয় কৰিব চৰকাৰে।

# তামুলপুৰত বন্য হস্তীৰ আক্ৰমণত নিহত দুটা পৰিয়াললৈ সাহায্য

উচ্চস্তৰীয় দলে উপস্থিত হৈ শোকসন্তপ্ত পৰিয়াল দুটাৰ সৈতে সাক্ষাৎ কৰে আৰু গভীৰ সমবেদনা জ্ঞাপন কৰে। এই উপলক্ষে চৰকাৰী নিয়ম অনুসৰি নিহত প্ৰতিটো পৰিয়ালক ৪ লাখ টকাকৈ এককালীন আৰ্থিক ক্ষতিপূৰণৰ চেক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। ইফালে, দীৰ্ঘদিন ধৰি অঞ্চলটোত সন্ত্ৰাস সৃষ্টি কৰি থকা অকলশৰীয়া বন্যহস্তীটোক বিভাগীয় নীতি-নিয়ম অনুসৰি অনতিবিলম্বে অন্য স্থানলৈ স্থানান্তৰ কৰাৰ সম্ভাৱনা সন্দৰ্ভত উপস্থিত বন বিভাগৰ বিষয়াসকলৰ সৈতে বিধায়ক ভিক্টৰ কুমাৰ দাস আৰু উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰীয়ে এক গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত কৰে। উল্লেখ্য যে, চলিত বৰ্ষত তামুলপুৰৰ ভূটান সীমান্তৱৰ্তী বিভিন্ন অঞ্চলত বন্য হস্তীৰ আক্ৰমণত ইতিমধ্যে পাঁচজন লোকৰ মৃত্যু ঘটিছে। ক্ৰমবৰ্ধমান হাতী-মানুহ সংঘাতক লৈ উদ্বেগ প্ৰকাশ কৰি স্থানীয় জনপ্ৰতিনিধিসকলে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে এই সমস্যা সমাধানৰ বাবে স্থায়ী আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

# মাধুৰ্য বৰ্মনৰ গৃহত যুৱ ছাত্ৰ পৰিষদৰ প্ৰতিনিধি দল

পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ এটা প্ৰতিনিধি দল । পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজন বায়নৰ নেতৃত্বত এটা প্ৰতিনিধি দলে আজি মাধুৰ্য বৰ্মনৰ গৃহত উপস্থিত হৈ পৰিয়ালটোৰ দুখৰ সমভাগী হয়। সাংবাদিকৰ স'তে হোৱা সাক্ষাৎকাৰত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজন বায়নে কয়, এই ঘটনা কোনো কাৰনতে মানি লব নোৱাৰি। পূৰ্ব পৰিকল্পিতভাৱে এই ঘটনা সংঘটিত কৰিছিল পাষণ্ড ৰোজ আলীয়ে । এই ঘটনা অসমত আৰু দ্বিতীয়বাৰৰ নিবিছাৰো বুলি উল্লেখ কৰি লাভ জেহাদৰ দৰে ঘটনা অসমৰ পৰা নাইকীয়া কৰাৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনাই। পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজন বায়নৰ স'তে মাধুৰ্য বৰ্মনৰ পৰিয়ালটোত উপস্থিত হৈ সমবেদনা জ্ঞাপন কৰে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি বিশ্বজিৎ বৰুৱা, যুটীয়া সম্পাদক গৌতম কুমাৰ শৰ্মা,প্ৰচাৰ সম্পাদক পাৰ্থপ্ৰতিম শৰ্মা, তথ্য আৰু যোগাযোগ সম্পাদক মৃনাল কুমাৰ বৰ্মন, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিৰোদ দাস, পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদ, সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাকে ধৰি বহুসংখ্যক প্ৰতিনিধিয়ে।

# কাছাৰত ১০০ কেজি গাঞ্জা জব্দ, দুজনক গ্ৰেপ্তাৰ

কৰিছে। লক্ষীপুৰ সমজিলাৰ আৰক্ষী অধীক্ষক পৃথ্বিৰাজ ৰাজখোৱাৰ নেতৃত্বত লক্ষীপুৰ আৰু বাচকান্দি আৰক্ষীয়ে শিলচৰ - ইম্ফল ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত তালাচী চলাই অটোৰিক্সাখনৰ পৰা জব্দ কৰে গাঞ্জাখিনি। ৬ টা ডাঙৰ পেকেটত সৰবৰাহ কৰা হৈছিল গাঞ্জাখিনি। জব্দ কৰা গাঞ্জাখিনিৰ মূল্য ৬০ লাখ টকা বুলি সদৰী কৰিছে আৰক্ষীয়ে। গাঞ্জাৰ সৈতে আৰক্ষীয়ে মণিপুৰৰ পাওনা সিংহ আৰু কাছাৰৰ ধলাই এলেকাৰ সুন্দৰী গাঁৱৰ ৰাজীৱ সিংহক গ্ৰেপ্তাৰ কৰে। গাঞ্জাখিনি ধলাইৰ পৰা লক্ষীপুৰৰ দিশে অনাৰ সময়ত বাচকান্দিত জব্দ কৰে আৰক্ষীয়ে।

# এছিয়াৰ আটাইতকৈ ধনাঢ্য ব্যক্তিৰ শীৰ্ষত গৌতম আদানী

ধনী ব্যক্তি হৈছিল। সেই সময়ত আদানীৰ সম্পত্তি আছিল ৯২.৬ বিলিয়ন ডলাৰ আৰু আম্বানীৰ সম্পত্তি আছিল ৯০.৮ বিলিয়ন ডলাৰ।

### মহানগৰীৰ জালুকবাৰীত ভয়াৱহ অগ্নিকাণ্ড

# এটা পৰিয়ালৰ ৪ জনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ জুন ঃ** মহানগৰীৰ জালুকবাৰীত পুৱতি নিশা এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। বৃহস্পতিবাৰে নিশা জালুকবাৰীৰ জয়মতী নগৰত এই বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয় । এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে । জালুকবাৰীৰ জয়মতী নগৰৰ এটা ভাৰাঘৰত সূত্ৰপাত হোৱা এই জুইত আবদ্ধ হৈ একেটা পৰিয়ালৰে এটি শিশুসহ মুঠ চাৰিজন সদস্য জীৱন্তে অগ্নিদগ্ধ হৈ কৰুণ মৃত্যুক সাবটি লয় । এই অগ্নিকাণ্ডত জ্বলি ভস্মীভূত হয় তেওঁলোকৰ বাসগৃহটোও । লগতে আন এটা বাসগৃহও এই অগ্নিকাণ্ডত জাহ যায় । মৃত লোককেইজনক কুদ্দুছ আলী, কাজলী, ছফিকুল আৰু শ্বাহিদ আলী বুলি চিনাক্ত কৰা হৈছে । জানিব পৰা মতে, দুৰ্ভগীয়া পৰিয়ালটোৰ স্থায়ী ঘৰ গোৱালপাৰা জিলাৰ কৃষ্ণাইত। দীৰ্ঘদিন ধৰি তেওঁলোকে জয়মতী নগৰৰ এক আৱাসিক চৌহদত ভাৰাত আছিল। স্থানীয় বাসিন্দাৰ মতে, পুৱতি নিশা সকলো টোপনিত থকা অৱস্থাত হঠাতে জুইৰ সূত্ৰপাত ঘটে । কাঠ আৰু টিনৰ চালিৰ ঘৰ হোৱা বাবে জুই কম সময়ৰ ভিতৰতে সমগ্ৰ এলেকাটোত বিয়পি পৰে। বহু বাসিন্দাই সাৰ পাই ধোঁৱা আৰু জুইৰ শিখা প্ৰত্যক্ষ কৰে যদিও জুয়ে ইতিমধ্যে দুটা ঘৰ সম্পূৰ্ণৰূপে গ্ৰাস কৰে । ঘটনাটো সংঘটিত হোৱাৰ পাছতে স্থানীয় লোকে অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় আৰক্ষীক খবৰ দিয়ে । ঘটনাৰ খবৰ পোৱাৰ পিছতে অগ্নিনিৰ্বাপক বাহিনী, স্থানীয় আৰক্ষী আৰু উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হয়। অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, এছ ডি আৰ এফ আৰু এন ডি আৰ এফ কৰ্মীসকলে যুটীয়াভাৱে কেইবাঘণ্টাজোৰা চেষ্টাৰ অন্তত জুই নিৰ্বাপণ কৰে । জুই সম্পূৰ্ণ নিয়ন্ত্ৰণলৈ অনাৰ পিছতহে ঘৰৰ ভিতৰৰ পৰা কৰুণভাৱে মৃত্যুবৰণ কৰা চাৰিওগৰাকী ভুক্তভোগীৰ মৃতদেহ উদ্ধাৰ কৰা হয় ।

### কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়ত ৰাজহুৱা প্ৰশাসনত 'প্ৰধানমন্ত্ৰীৰ বঁটা'ৰ পুঁজিৰে নিৰ্মিত

# পানীৰ লৌহ পদাৰ্থ নিষ্কাশন আৰু ভূগৰ্ভস্থ জলাশয় প্ৰকল্পৰ শুভ উদ্বোধন জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাৰ

**বাতৰি কাকত, কলগাছিয়া, ৬ জুন ঃ** ৰাজ্যত বিজেপি চৰকাৰে অসমৰ সৰ্বাংগীন উন্নয়নৰ হেতুকে সঘনাই কাম কৰি থকাৰ সময়তে আজি বৰপেটা জিলাৰ প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত জিলা খনৰ দুখনকৈ গুৰুত্বপূৰ্ণ চিকিৎসালয়ত দুটাকৈ জনকল্যাণমূলক প্ৰকল্পৰ শুভ উদ্বোধন কৰা হয়। বৰপেটা জিলাৰ জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই এই প্ৰকল্পসমূহ আনুষ্ঠানিক ভাৱে ৰাইজৰ বাবে উৎসৰ্গা কৰে। বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত জিলা খনিজ আধাৰ ন্যাসৰ অধীনত নিৰ্মিত গভীৰ নলীনাদ স্থাপন আৰু কাৰ্যক্ষম কৰণ আঁচনিখন জিলা আয়ুক্ত গৰাকীয়ে বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ উপস্থিতিত শুভ উদ্বোধন কৰে। ইপিনে কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত ভূগৰ্ভস্থ জলাশয় প্ৰকল্পৰ শুভ উদ্বোধন স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ উপস্থিতিত জিলা আয়ুক্ত গৰাকীয়ে সম্পন্ন কৰে।

### ভাৰতৰ দূতাবাসৰ বিবৃতি-গৰিহণা

# লণ্ডনত মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ ভাষণত বাধা

**নতুন দিল্লী, ৭ জুন ঃ** ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে ব্ৰিটিছ ৰাজধানী লণ্ডন ভ্ৰমণৰ সময়ত প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত চৰকাৰে তেওঁক তীব্ৰ গৰিহণা দিয়ে। শনিবাৰে লণ্ডনত থকা ভাৰতীয় দূতাবাসে এক বিবৃতি প্ৰকাশ কৰে। নতুন দিল্লীয়ে ঘটনাটোক 'অশ্লীল' বুলি অভিহিত কৰিছে। বিবৃতিটোত কোৱা হৈছে— ৪ জুনত মুখ্য ন্যায়াধীশ বাৰ্কবেকে লণ্ডন বিশ্ববিদ্যালয়ৰ এক অনুষ্ঠানত অংশ লৈছিল। তাতেই তেওঁ 'কৃত্ৰিম বুদ্ধিমত্তা আৰু আন্তঃৰাষ্ট্ৰীয় আইন' বিষয়ক বক্তৃতা প্ৰদান কৰিছিল। বক্তৃতাৰ পিছত আলোচনা চলি আছিল। কিন্তু এজন ব্যক্তিয়ে ইয়াক বিঘ্নিত কৰিবলৈ চেষ্টা কৰিছিল। দৰ্শকৰ এনে অশ্লীল আচৰণ উদ্দেশ্য নহয়। গণতান্ত্ৰিক সমাজত মত পাৰ্থক্য স্বাভাৱিক। অৱশ্যে ইয়াক প্ৰকাশ কৰা উচিত ভদ্ৰ আৰু সন্মানজনক ধৰণেৰে। মুখ্য ন্যায়াধীশৰ ভাষণৰ পিছত বাৰ্কবেকত এটা প্ৰশ্নোত্তৰ অধিবেশন চলি আছিল। তাতে দৰ্শকৰ মাজৰ এজন ব্যক্তিয়ে থিয় হৈ বিচাৰকক এটা প্ৰশ্ন সুধিলে। ভাৰতত মত প্ৰকাশৰ স্বাধীনতা উলংঘাৰ অভিযোগ সন্দৰ্ভত তেওঁক প্ৰশ্ন শেষ কৰিবলৈ দিয়া নহ'ল। তাৰ আগতে মডাৰেটৰে প্ৰশ্নকাৰীক বহিবলৈ দিলে। এই প্ৰশ্নটো তেওঁ ল'ব নোৱাৰে বুলি ক'লে। কি প্ৰশ্ন ? এই প্ৰশ্নটো মুখ্য ন্যায়াধীশক উদ্দেশ্যি দিয়া হৈছিল, কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰেক্ষাপটত গণতন্ত্ৰ ৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকা সম্পৰ্কে ন্যায়াধীশে কিছু গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। কিন্তু বৰ্তমান দেশৰ ভিতৰত আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহু আইনী বিশেষজ্ঞৰ পৰা শুনা গৈছে যে ভাৰতত মতানৈক্যৰ প্ৰতি ক্ৰমাৎ বৃদ্ধি পোৱা অসহিষ্ণুতা সম্পৰ্কে উদ্বেগ বাঢ়িছে। সেই মনোভাৱৰ কিছু প্ৰতিফলন বুদ্ধিমত্তাৰ ভাষণতো দেখা গৈছে। ন্যায়, যিটো সম্প্ৰচাৰ কৰা হৈছে। ইয়াৰ পিছত প্ৰশ্নকাৰীক ৰখাই দিয়া হ'ল। কৃত্ৰিম বুদ্ধিমত্তাৰ আলোচনাত আন কোনো বিষয়ৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিব নোৱাৰি বুলি কোৱা হয়। মন কৰিবলগীয়া যে কিছুদিন পূৰ্বে মুখ্য ন্যায়াধীশগৰাকীয়ে দেশৰ নিবনুৱা যুৱক-যুৱতীক তেঁতেলীৰ সৈতে তুলনা কৰি বিতৰ্কত লিপ্ত হৈছিল। এটা গোচৰৰ শুনানিৰ সময়ত তেওঁ কৈছিল যে নিবনুৱা যুৱক-যুৱতীসকল তেঁতেলীৰ দৰে। সমাজৰ পৰজীৱী। একো বুজি নোপোৱাকৈয়ে বৰ্তমানৰ ব্যৱস্থাটোক লৈ প্ৰশ্ন উত্থাপন কৰে। এই মন্তব্যৰ পিছতে বিতৰ্কৰ ধুমুহা সৃষ্টি হয়। ছ'চিয়েল মিডিয়াত গঠন হ'ল 'কাক্ৰোচ জনতা পাৰ্টি'। লণ্ডনৰ প্ৰশ্নত সেই বিষয়টো সোঁৱৰাই দিবলৈও মুখ্য ন্যায়াধীশক কোৱা হৈছিল। এইবাৰ ভাৰতীয় দূতাবাসে ইয়াৰ সন্দৰ্ভত এক বিবৃতি প্ৰকাশ কৰে।

# হোজাইত চাইবাৰ প্ৰৱঞ্চকৰ জালত অৱসৰপ্ৰাপ্ত শিক্ষক

**বাতৰি কাকত, হোজাই, ৭ জুন ঃ** ৰাজ্যত পুনৰ সংঘটিত হ'ল এক চাঞ্চল্যকৰ চাইবাৰ প্ৰৱঞ্চনাৰ ঘটনা। এইবাৰ অনলাইন প্ৰৱঞ্চকৰ জালত পৰি জীৱনজোৰা কষ্টোপাৰ্জিত সঞ্চয়ৰ বৃহৎ অংশ হেৰুৱাবলগীয়া হ'ল হোজাই জিলাৰ লামডিঙৰ এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকে। এই ঘটনাই সমগ্ৰ অঞ্চলজুৰি উদ্বেগৰ সৃষ্টি কৰিছে। তথ্য অনুসৰি, লামডিং নগৰৰ সাধুকুটি অঞ্চলৰ বাসিন্দা তথা অৱসৰপ্ৰাপ্ত শিক্ষক মনসিজ ঘোষালৰ ভাৰতীয় ষ্টেট বেংক (এছবিআই)ত থকা সঞ্চয় একাউণ্টৰ পৰা প্ৰৱঞ্চক চক্ৰই মুঠ ২৪ হাজাৰ টকা বিভিন্ন অনলাইন লেনদেনৰ জৰিয়তে আত্মসাৎ কৰে। জানিব পৰা মতে, যোৱা কেইদিনমানৰ ভিতৰত বিভিন্ন অনলাইন শ্বপিং আৰু ডিজিটেল পেমেণ্টৰ নামত একাধিক সৰু-সৰু লেনদেন সংঘটিত কৰি ধনৰাশি ক্ৰমাৎ উলিয়াই নিয়ে। লেনদেনসমূহৰ বিষয়ে অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকী অৱগত নোহোৱাত কিছু সময়লৈকে বিষয়টো ধৰা পৰা নাছিল। পাছত একাউণ্ট পৰীক্ষা কৰোঁতে তেওঁ একাধিক অচিনাকি লেনদেন দেখা পাই হতবাক হৈ পৰে। এক সূত্ৰই প্ৰকাশ কৰা মতে, শিক্ষকগৰাকীয়ে প্ৰথমে এই ঘটনাক কোনো কাৰিকৰী বিভ্ৰাট বুলি ধাৰণা কৰিছিল। কিন্তু পিছত বেংকৰ লেনদেনৰ বিৱৰণী পৰ্যালোচনা কৰোঁতে স্পষ্ট হয় যে তেওঁৰ অনুমতি বা জ্ঞান অবিহনেই বিভিন্ন অনলাইন প্লেটফৰ্মৰ জৰিয়তে ধনৰাশি উলিয়াই নিয়া হৈছে। ইয়াৰ ফলত তেওঁ মানসিকভাৱে ভাগি পৰাৰ লগতে আৰ্থিকভাৱেও বিপৰ্যস্ত হৈ পৰে। দীঘলীয়া শিক্ষকতা জীৱনৰ অন্তত ভৱিষ্যতৰ নিৰাপত্তাৰ স্বাৰ্থত সঞ্চয় কৰি ৰখা ধন এইদৰে মুহূৰ্ততে হেৰাই যোৱাত পৰিয়ালটোৰ মাজতো শোক আৰু উৎকণ্ঠাৰ সৃষ্টি হৈছে। পৰিয়ালৰ সদস্যসকলে জানিবলৈ দিয়া মতে, অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীয়ে দৈনন্দিন জীৱনৰ ব্যয় আৰু জৰুৰী প্ৰয়োজনৰ বাবে এই সঞ্চয়ৰ ওপৰতে বহু পৰিমাণে নিৰ্ভৰশীল আছিল। উল্লেখযোগ্য যে সকলো সঞ্চয় হেৰুৱাই মানসিকভাৱে ভাৰাক্ৰান্ত হৈ পৰা শিক্ষকগৰাকীয়ে অৱশেষত লামডিং আৰক্ষীৰ কাষ চাপি ঘটনাৰ সম্পূৰ্ণ বিৱৰণ দাঙি ধৰি এখন লিখিত এজাহাৰ দাখিল কৰিছে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে বিষয়টোৰ প্ৰাথমিক অনুসন্ধান আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰৰ মতে, বেংক লেনদেনৰ নথি-পত্ৰ পৰীক্ষা কৰাৰ লগতে চাইবাৰ অপৰাধৰ সৈতে জড়িত সম্ভাব্য ডিজিটেল সূত্ৰসমূহৰ সন্ধান চলোৱা হক্সব। প্ৰয়োজনসাপেক্ষে চাইবাৰ বিশেষজ্ঞ আৰু বেংক কৰ্তৃপক্ষৰ সহযোগিতাত ঘটনাটোৰ গভীৰ তদন্ত অব্যাহত ৰখা হ'ব বুলি জানিব পৰা গৈছে। এই ঘটনাত জড়িত প্ৰৱঞ্চকসকলক অতিশীঘ্ৰে চিনাক্ত কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত শিক্ষকগৰাকীৰ ধন উদ্ধাৰৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাইজে দাবী উত্থাপন কৰিছে।

# মিঠাই দেখিলে নিজকে নিয়ন্ত্ৰণ কেনেকৈ কৰিব ?

**গোটেই** দিনটো ডায়েটিং কৰি আছে নেকি, কিন্তু মিঠাই দেখিলে খাদ্যৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। নিজকে একেবাৰে নিয়ন্ত্ৰণ কৰিব পৰা নাই? বহুতে কিছু সময়ৰ আগতে ভোৰভোৰাই খাই নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰে, কিন্তু মিঠাই বা কেক বা পেষ্ট্ৰিৰ দৰে খাদ্য দেখিলে নিজকে নিয়ন্ত্ৰণ কৰিবলৈ অসুবিধা পায়। পুষ্টিবিদসকলে কয় যে এইটো আচলতে পেটৰ ক্ষুধা নহয়, চকুৰ বা মনৰ ভোকহে। যেতিয়া আপুনি প্ৰলোভনমূলক খাদ্য দেখে, আপোনাৰ জিভাত পানী ওলায়, সকলো সংযম খোৱাৰ হেঁপাহত পৰাস্ত হয়। আচলতে এনে অনুভৱৰ আঁৰত হৰম'নৰ খেল আছে। মিঠা খাদ্য খালে আনন্দৰ অনুভূতিৰ সৃষ্টি হয়। ড'পামিনৰ দৰে হৰম'ন নিৰ্গত হয়। যিয়ে সুখৰ অনুভৱ দিয়ে। মুম্বাইৰ পুষ্টিবিদ পূজা মাখিজাই কয় যে মেন্থল টুথপেষ্টেৰে দাঁত ব্ৰাছ কৰাটো মিঠাইৰ প্ৰতি থকা লোভ ৰোধ কৰাৰ কৌশল হ'ব পাৰে। বিশেষকৈ



ৰাতি মিঠাই খোৱাৰ হেঁপাহ বাঢ়ি যায়। সেই সময়ত দাঁত ব্ৰাছ কৰিলে লগে লগে নিজকে নিয়ন্ত্ৰণ কৰিব পাৰিব। ইয়াৰ আঁৰত এটা ব্যাখ্যা আছে। যেতিয়া টুথপেষ্টৰ মৃদু মিঠা সোৱাদ আপোনাৰ মুখত খুন্দা মাৰিব, তেতিয়া সেই সংকেত মগজুত উপনীত হ'ব, যাৰ ফলত ড'পামিনৰ নিঃসৰণ সামান্য বৃদ্ধি পাব। মগজুৱে পুৰস্কাৰ বা সন্তুষ্টিৰ অনুভূতি অনুভৱ কৰিব। বেংগালুৰুৰ এখন চিকিৎসালয়ৰ দন্ত চিকিৎসক সাক্ষী হিন্দুজাই এই কথাত একমত। তাই কয় যে পদিনা বা মেন্থল টুথপেষ্টেৰে দাঁত ব্ৰাছ কৰিলে মগজুলৈ এটা সংকেত প্ৰেৰণ কৰিব যে আপোনাৰ মুখত মিঠা কিবা এটাৰ সোৱাদ লোৱা হৈছে, কিন্তু সেয়া মিঠা নহয়। ইয়াৰ বাহিৰেও যিসকলে খাদ্য খোৱাৰ পিছতো নিয়মিতভাৱে দাঁত ব্ৰাছ কৰে তেওঁলোকৰ ক্ষেত্ৰত মগজুৱে বুজিব যে খাদ্য শেষ হৈছে। ফলত মিঠাইৰ প্ৰতি তাৎক্ষণিক হেঁপাহ কমি যাব। একে সময়তে চিকিৎসকে আমাক সোঁৱৰাই দিয়ে যে দিনটোৰ আৰম্ভণিৰ লগতে দিনটোৰ শেষত দাঁত ব্ৰাছ কৰাটোও গুৰুত্বপূৰ্ণ। কাৰণ খাদ্যৰ কণিকাবোৰে আমাৰ দাঁত আৰু মুখগহ্বৰৰ স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে। খাদ্যৰ অৱশিষ্টই ৰোগ আৰু বেক্টেৰিয়াৰ সংক্ৰমণৰ সম্ভাৱনা বৃদ্ধি কৰে।

# শিশুৰ পেটৰ সমস্যা ঘৰতে বনোৱা লঘু খাদ্য খুৱাব লাগে

অত্যধিক ঘাম, বমি বা ডায়েৰিয়া আদি ৰোগত শৰীৰৰ পৰা অধিক পানী নিৰ্গত হয়। তেতিয়া শৰীৰে বিভিন্ন ধৰণে কয় যে পানীলগা হৈছে। গৰমৰ দিনত এই সমস্যা বাঢ়ি যায়। বিশেষকৈ ঋতু পৰিবৰ্তনৰ সময়ত শিশুৱে পেটৰ সমস্যাত অধিক ক্ষতিগ্ৰস্ত হয়। যদি পানী আৰু ইলেক্টঞ্জৰলাইটৰ নাটনি হয় তেন্তে বদহজম, বমি, পেটৰ সংক্ৰমণ হ'ব। সঘনাই ডায়েৰিয়া হ'ব। এনে ক্ষেত্ৰত পিতৃ-মাতৃয়ে খাদ্যৰ প্ৰতি অতিৰিক্ত গুৰুত্ব দিব লাগে। ৰাতিপুৱাৰ জলপানৰ বাবে কিছু স্বাস্থ্যঞ্জযকৰ আৰু লঘু খাদ্য বনাব লাগে, গাখীৰ বা ৰোটি-পাৰোটা নহয়। শিশুটি সুস্থ কৰি ৰাখিবলৈ পিতৃ-মাতৃয়ে কি খাব লাগে সেই কথা জানিব লাগে। শিশু চিকিৎসক প্ৰিয়ংকৰ পালে কয় এই সন্দৰ্ভত, গৰম হৈ আহিছে। এই সময়ত বহু শিশুৱে পানীলগাত ভোগে। কাৰণ বেছিভাগ ক্ষেত্ৰতে দেখা যায় যে শিশুৱে পানী ভালদৰে খোৱা নাই। স্কুলৰ সময়ত তেওঁলোকে পানী খাইছে নে নাই চাবলৈ কোনো নাথাকে। ফলত পানীৰ অভাৱৰ উপৰিও শৰীৰত ছডিয়াম, পটাছিয়াম, ক্লৰাইড আদি খনিজ পদাৰ্থৰ অভাৱ দেখা যায়। ইয়াৰ ফলত বমি, পেটৰ বিষ, জ্বৰ আদি হ'ব পাৰে। গতিকে পুষ্টিকৰ খাদ্য শিশুৰ আহাৰত ৰাখিব লাগে। ওটচত থকা আঁহে কোষ্ঠকাঠিন্য দূৰ কৰে আৰু আপেল পেটৰ বাবে অতি



উপকাৰী। ওটচ পিহি গুড়ি কৰি লওক। এইবাৰ গাখীৰ বা পানীত উতলাই লওক। তাত কুটি লোৱা আপেল আৰু অলপ ডালচেনিৰ গুৰি মিহলাই লওক। চেনিৰ সলনি অলপ গুড় বা মৌ ব্যৱহাৰ কৰিব পাৰে। পেটৰ ৰোগ নিৰাময়ৰ বাবে কেঁচা পেঁপা অতি উপকাৰী। অৱশ্যে জলপানত পকা পেঁপা আৰু কলৰ মিশ্ৰণ শিশুৰ বাবে অতি উত্তম। পকা পেঁপা আৰু পকা কল ভালদৰে গুড়ি কৰি অলপ টেঙা দৈৰ লগত মিহলাই লওক। এইবাৰ সকলো উপাদান মিহলাই মসৃণ মিশ্ৰণ বনাওক। ইয়াত তাৰিখও যোগ কৰিব পাৰে। এই স্মুদিয়ে আপোনাৰ পেটটো দীৰ্ঘদিন ধৰি ভৰি থাকিব, যাৰ ফলত বাহিৰৰ খাদ্য খোৱাৰ প্ৰৱণতা হ্ৰাস পাব। সাবুদানা ৰ কাপ ভালদৰে ধুই অলপ পানীত চ্ব ঘন্টা তিয়াই থব যাতে কোমল হৈ থাকে। কেৰাহীত ঘিউ গৰম কৰি তাত জিৰা আৰু তৰকাৰী পাত দিব। এইবাৰ কটা আলু আৰু বাদাম ভাজিব। তাৰ লগত তিয়াই থোৱা চাবুডানা মিহলাই অলপ নিমখ দিব। সাবুদানা সিজি যোৱালৈকে লৰাই থাকিব। ওপৰত ধনীয়া পাত ছটিয়াই দিব।

# ওজন কমোৱাৰ বাবে কেইটামান বিশেষ কাম



**ছতুইক** গাঁৱলীয়া খাদ্য বুলি গণ্য কৰা হৈছিল। সমাজৰ উচ্চস্তৰৰ মানুহে ছাতুইৰ নামত হাঁচি মাৰিব। অৱশ্যে যিসকলে আখৰালৈ গৈ মুগুৰ ভাজি ব্যায়াম কৰিছিল, তেওঁলোকে ছতুই শৰবাত খাইছিল। পঞ্চাশ বছৰৰ আগতেও অপেশাদাৰী পাকঘৰত ছাতুইৰ বিশেষ স্থান নাছিল। কিন্তু এতিয়া হৈছে। এতিয়া দীপিকা পাডুকন, শিল্পা শ্বেট্টী, আয়ুষ্মান খুৰানা, পংকজ ত্ৰিপাঠীৰ দৰে বলীউডৰ তাৰকাই যথেষ্ট সঘনাই ছাতুই খোৱাৰ কথা কৈছে। কাৰণ, তেওঁলোকে জানে, সুস্থ হৈ থাকিবলৈ আৰু শৰীৰক ভাল অৱস্থাত ৰাখিবলৈ ছট্টুৰ দৰে আন কোনো ৰক্ষক নাই। ব্যস্ত জীৱনশৈলীত অনিয়মিত খাদ্যাভ্যাসৰ সৃষ্টি হয়। তাৰ ওপৰত সাধাৰণ মানুহে ব্যায়াম কৰিবলৈও সময় নাপায়। ওজন বৃদ্ধি হ'লে কোনোবাই বিদেশী ফল-মূল খায়, কোনোবাই ছ'চিয়েল মিডিয়াৰ বিভিন্ন পৰামৰ্শ অনুসৰণ কৰি বিভিন্ন ধৰণৰ 'ছুপাৰফুড' খায়। ইফালে তেতিয়াৰ পৰাই ভাৰতীয় 'ছুপাৰফুড' চজিনাৰ চট্টু হাতত অৱহেলিত হৈ পৰিছে। যিয়ে ওজন কমোৱাৰ বাবে যাদুৰ দৰে কাম কৰিব পাৰে। ইয়াৰ উপৰিও ই পুষ্টিকৰ উপাদানৰে ভৰপূৰ। খাদ্য তালিকাত ছট্টু অন্তৰ্ভুক্ত কৰিলে কি কি সুবিধা লাভ কৰিব পাৰি সেই বিষয়ে সঠিকভাৱে জানি লওক। চট্টুৰ আটাইতকৈ ডাঙৰ গুণ হ'ল ইয়াৰ আঁহ। ছট্টু শৰবাত বা ছট্টুৰে তৈয়াৰী যিকোনো খাদ্য খালে পেটত বহু সময় থাকে। হজম হ'বলৈ সময় লাগে, গতিকে বেছি দিনলৈ ভোক অনুভৱ নকৰে। ভজা খাদ্য বা মিঠাইৰ দৰে অস্বাস্থ্যকৰ খাদ্য বাৰে বাৰে খোৱাৰ ইচ্ছা নিয়ন্ত্ৰণ কৰাত ছট্টু অতি ফলপ্ৰসূ। ৰাতিপুৱা এগিলাচ ছট্টু শৰবাত খালে দুপৰীয়ালৈকে পেট ভৰি থাকিব। ওজন কমাব পৰা খাদ্যত প্ৰটিন অতি প্ৰয়োজনীয়, কিয়নো ই পেশী গঠনত সহায় কৰে আৰু চৰ্বি জ্বলাত সহায় কৰে। চজিনা শাক-পাচলিৰ প্ৰটিনৰ এক উৎকৃষ্ট উৎস। প্ৰতি ১০০ গ্ৰাম চজিনা চজিনাত প্ৰায় ২০ৰ পৰা ২৫ গ্ৰাম প্ৰটিন থাকে। ইয়াক মাছ বা মাংসত থকা প্ৰটিনৰ সৈতে তুলনা কৰিব পাৰি। যিসকল নিৰামিষভোজী তেওঁলোকৰ বাবে ই প্ৰটিনৰ সৰ্বোত্তম বিকল্প। চজিনাত আইৰণ, মেগনেছিয়াম, মেংগানিজ আদি খনিজ পদাৰ্থ প্ৰচুৰ পৰিমাণে থাকে। এই সকলোবোৰ খনিজ পদাৰ্থই বিপাকীয় হাৰ বৃদ্ধি কৰে। আৰু বিপাকীয় ক্ৰিয়া যিমানেই ভাল হ'ব সিমানেই শৰীৰে কেলৰি জ্বলাব পাৰে, যিয়ে প্ৰত্যক্ষভাৱে ওজন কমাবলৈ সহায় কৰে। চজিনে অন্ত্ৰ পৰিষ্কাৰ কৰি ৰখাত সহায় কৰে। ইয়াত থকা আঁহে কোষ্ঠকাঠিন্যৰ সমস্যা দূৰ কৰে আৰু শৰীৰৰ পৰা বিষাক্ত পদাৰ্থ বা বিষাক্ত পদাৰ্থ আঁতৰাই পেলায়। পাচন প্ৰক্ৰিয়া উন্নত হ'লে শৰীৰৰ অতিৰিক্ত চৰ্বি জমা কৰাৰ প্ৰৱণতা বহু পৰিমাণে হ্ৰাস পায়। চজিনাৰ 'গ্লাইচেমিক ইনডেক্স' অতি কম। ফলত ইহঁতে হঠাতে তেজত শৰ্কৰাৰ মাত্ৰা বৃদ্ধি নকৰে। ইহঁতে দীৰ্ঘদিনীয়া শক্তি প্ৰদান কৰে, যিটো ব্যায়াম বা শাৰীৰিক কাৰ্যকলাপৰ পূৰ্বে 'প্ৰি-ৱৰ্কআউট ড্ৰিংক' হিচাপেও ব্যৱহাৰ কৰিব পাৰি। ছাতু শৰবাটঃ অলপ নিমখ, নেমুৰ ৰস, জিৰাৰ গুড়ি, আৰু কটা মৰিচাৰে ছাটু শৰবাট বনাই ৰাতিপুৱা বা দুপৰীয়াৰ জলপান হিচাপে খাব পাৰে। ছাতু মাখাঃ ইচ্ছা কৰিলে অলপ গুৰ বা ফলৰ লগতো মিহলাই দিব পাৰে, কিন্তু ওজন কমাবলৈ নিমখ-নেমু শৰবাট বা টেঙা দৈৰ লগত মিহলাই খাব পাৰে।

# ৰক্তচাপ কমি গ'লে নিমখীয়া পানী খাওক ঃ হঠাতে বাঢ়িলে কি কৰিব ?

**যেতিয়া** আপোনাৰ ৰক্তচাপ কমি যায় তেতিয়া আপুনি নিমখ আৰু চেনিৰ পানী খাই ইয়াক স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনাৰ চেষ্টা কৰে। কিন্তু যদি আপোনাৰ ৰক্তচাপ হঠাৎ বাঢ়ি যায়, তেন্তে কি কৰিব লাগে জানেনে? হঠাৎ মূৰ ঘূৰোৱা বা ধপধপনি বাঢ়িলে ৰক্তচাপ বৃদ্ধিৰ লক্ষণ হ'ব পাৰে। এনে পৰিস্থিতিয়ে আতংকৰ সৃষ্টি কৰিব পাৰে। কিন্তু সঠিক সময়ত সঠিক পদক্ষেপ ল'লে পৰিস্থিতি পৰিচালনা কৰিব পৰা যাব। আকৌ ভুল পদক্ষেপে বিপদৰ সৃষ্টি কৰিব পাৰে। চিকিৎসকৰ মতে হঠাৎ ৰক্তচাপ বৃদ্ধি হোৱাৰ অৰ্থ সদায় বিপদৰ লক্ষণ নহয়। অৱশ্যে ইয়াক সম্পূৰ্ণৰূপে পৰিহাৰ কৰাটোও উচিত নহয়। কাৰণ বেছিকৈ বৃদ্ধি হ'লে গুৰুতৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে। গতিকে কি কৰিব লাগে সেইটো জনাটো অতি প্ৰয়োজনীয়। মধুমেহৰৰ চিকিৎসক অভিযান মাঝিৰ মতে, হঠাতে ৰক্তচাপ বৃদ্ধি হ'লে তৎক্ষণাত উদ্বেগ নিবাৰণকাৰী আৰু উচ্চ ৰক্তচাপ নিবাৰণকাৰী ঔষধ খাব লাগে। জিৰণি লোৱাটোও গুৰুত্বপূৰ্ণ। সেই মুহূৰ্তত চিকিৎসকৰ সৈতে কথা পতাও প্ৰয়োজনীয়। মেডিচিন ডাক্তৰ অৰিন্দম বিশ্বাসে কয়— যদি অস্বাভাৱিকভাৱে চাপ বাঢ়ে তেন্তে আমি ইয়াক দুটা ভাগত ভাগ কৰোঁ। প্ৰথমতে হাইপাৰটেনচিভ ইমাৰ্জেন্সি, হাইপাৰটেনচিভ আৰ্জেন্সি। প্ৰথম ক্ষেত্ৰত কিডনী আৰু চকুৰ ক্ষতি হয়। তাৰ পিছত ৰোগীক চিকিৎসালয়লৈ লৈ গৈ ৰক্তচাপ হ্ৰাস কৰিব লাগে। কিন্তু দ্বিতীয় ক্ষেত্ৰত কোনো অংগৰ ক্ষতি নহয়। অৱশ্যে সহায়ত ৬ ঘণ্টাৰ ভিতৰত ৰক্তচাপ ক্ৰমান্বয়ে কমি যায়। যদি ইয়াক অত্যধিক কম কৰা হয়, তেন্তে ষ্ট্ৰোকৰ আশংকা থাকে।

## বিশ্ব স্বাস্থ্য সংস্থাৰ সতৰ্কতা

# ২০৪০ চনৰ ভিতৰত ভাৰতৰ ১২ কোটি শিশু, কিশোৰ-কিশোৰী মেদবহুলতাত আক্ৰান্ত হ'ব


**শিশুৰ** পুষ্টিহীনতাৰ ছবিখন এসময়ত ভয়ংকৰ আছিল। আৰু এতিয়া মেদবহুলতা চিন্তাৰ কাৰণ হৈ পৰিছে। শিশু আৰু কিশোৰ-কিশোৰীৰ মেদবহুলতা বা অতিৰিক্ত ওজনৰ সমস্যা সমগ্ৰ বিশ্বতে চিন্তাৰ কাৰণ হৈ পৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি যদি বডি মাছ ইনডেক্স (BMI) ২৫তকৈ অধিক হয় তেন্তে ইয়াক অতিৰিক্ত ওজন বুলি চিনাক্ত কৰা হয়, আৰু যদি ৩০তকৈ অধিক হয় তেন্তে ইয়াক মেদবহুলতাৰ অৱস্থা বুলি ধৰা হয়। এটা সময়ত ভবা হৈছিল যে শিশুৰ মেদবহুলতা আচলতে উন্নত দেশৰ সমস্যা, য'ত মানুহৰ জনমূৰি আয় বেছি। কিন্তু এতিয়া দেখা গৈছে যে উন্নয়নশীল দেশসমূহতো শিশুৰ মেদবহুলতা বৃদ্ধি পাইছে। আৰু এই দেশৰ ছবিখনো ঠিক তেনেকুৱাই ভয়ংকৰ। বিশ্ব মেদবহুলতা ফেডাৰেচনৰ তথ্য অনুসৰি ৫ৰ পৰা ৯ বছৰ আৰু ১০ৰ পৰা ১৯ বছৰ বয়সৰ শিশু আৰু কিশোৰ-কিশোৰীৰ ভিতৰত ভাৰতত সৰ্বাধিক মেদবহুলতাৰ হাৰ। শিশুৰ ওজন বৃদ্ধিৰ ধৰণ অনাগত দিনত অধিক ভাবুকি হৈ পৰিব বুলি আশা কৰা হৈছে। গৱেষকসকলে আশংকা কৰিছে যে শিশুৰ মেদবহুলতা আৰু অতিৰিক্ত ওজন দেশৰ জনস্বাস্থ্যৰ এক ডাঙৰ চিন্তাৰ বিষয় হৈ পৰিব। ২০৪০ চনৰ ভিতৰত এই দেশৰ কমেও ৰচ কোটি শিশু আৰু কিশোৰ-কিশোৰী মেদবহুলতাৰ লগত জড়িত বিভিন্ন ৰোগৰ বলি হ'ব। ইয়াৰ ভিতৰত উচ্চৰক্তচাপ, মেটাবলিক চিণ্ড্ৰমৰ ফলত হোৱা যকৃতৰ জটিলতা, বৃক্কৰ ৰোগ, থাইৰয়ড ৰোগ আদি উল্লেখযোগ্য। দীৰ্ঘদিন ধৰি শিশুৰ ওজন বৃদ্ধিৰ বিষয়টোক



লৈ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা (এন এফ এইচ এছ)য়ে এক সমীক্ষা চলাই আহিছে। উল্লেখ্য যে ২০২১ চনৰ পৰা দেশত শিশুৰ মেদবহুলতাৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে।গ্ৰামাঞ্চলৰ শিশুৰ মেদবহুলতাৰ হাৰ ৩০ শতাংশতকৈও অধিক। অস্বাস্থ্যকৰ খাদ্য গ্ৰহণ, কম টোপনি, অত্যধিক ভাজি খাদ্য, তেলীয়া আৰু টেঙা খাদ্যৰ প্ৰতি আসক্তিৰ ফলত ওজন বৃদ্ধি পাইছে। স্কুললৈ যোৱা ল'ৰা-ছোৱালীও মেদবহুল হৈ পৰিছে। এই অৱস্থাক 'ট্ৰাংকেটেড অবেচিটি' বুলি কোৱা হয়। চৰ্বি কেৱল বাহিৰত জমা হোৱাই নহয়, পেটৰ ভিতৰতো জমা হয়। তাৰ পিছত পেনক্ৰিয়াছে ইয়াৰ ওপৰত চাপ দিবলৈ আৰম্ভ কৰে। ফলত তেজত চেনিৰ মাত্ৰাও বৃদ্ধি পায়। অতিৰিক্ত ওজনৰ ফলত যকৃতৰ চৰ্বিযুক্ত, ডায়েবেটিছ, হৃদৰোগ আদিও দেখা দিয়ে। ওজন কমাবলৈ প্ৰথমে খাদ্যাভ্যাস নিয়ন্ত্ৰণ কৰিব লাগিব। বাহিৰৰ খাদ্য আৰু জাংক ফুডৰ পৰিৱৰ্তে শিশুৰ টিফিন বক্সত বিভিন্ন ধৰণৰ ফল-মূল, শাক-পাচলি, ঘৰতে বনোৱা লঘু আহাৰ পেক কৰিব লাগে। আপোনাৰ শিশুৱে প্ৰতিদিনে চল্লিশৰ পৰা ষাঠি মিনিট ব্যায়াম কৰিব লাগে। যদি আপুনি বাহিৰলৈ ওলাই গৈ খেলাৰ সুযোগ নাপায় তেন্তে ঘৰতে যোগাসন আৰু মুক্ত হাতৰ ব্যায়াম কৰিব পাৰে। যদি আপুনি এই দুটা অভ্যাস নিয়ন্ত্ৰণ কৰিব পাৰে - বাহিৰৰ খাদ্য খোৱাৰ প্ৰৱণতা আৰু মোবাইল ফোনত আসক্ত হোৱা - মেদবহুলতাৰ সমস্যা কমি যাব। শিশুৰ ওজন নিয়ন্ত্ৰণত ৰাখিবলৈ সেই অনুসৰি শিশুৰ খাদ্য পৰিকল্পনা তৈয়াৰ কৰাটো বাঞ্ছনীয়। প্ৰয়োজন হ'লে পুষ্টিবিদৰ পৰামৰ্শ ল'ব লাগে।

# দুটা টোপনিৰ অভ্যাসে শৰীৰৰ বাবে ক্ষতিকাৰক হ'ব পাৰে

**ব্যস্ত** জীৱন, কৰ্মৰ চাপ আৰু অনিয়মিত জীৱনশৈলীৰ অভ্যাসৰ বাবে এতিয়া প্ৰতিটো ঘৰতে টোপনিৰ অভাৱ শুনা যায়। আজিকালি বহুতে ভালদৰে শুব নোৱাৰে। কোনোৱে গোটেই ৰাতি কাম কৰে, কোনোৱে টোপনি নাহে আৰু একে সময়তে বন্ধৰ দিনত কোনোৱে ঘণ্টাৰ পিছত ঘণ্টা শুই থাকে। চিকিৎসকৰ মতে এই দুটা চৰম টোপনিৰ অভ্যাস শৰীৰৰ বাবে ক্ষতিকাৰক হ'ব পাৰে। হৃদযন্ত্ৰৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ আশংকা থাকে। চিকিৎসা বিজ্ঞানৰ চিকিৎসক অৰিন্দম বিশ্বাস এই যুক্তিৰ সৈতে একমত। তেওঁ কয়— টোপনিৰ অভাৱৰ বিভিন্ন কাৰণ আছে। তাৰ ওপৰত এতিয়া চৌদিশে স্লিপ এপনিয়াৰ সমস্যা দেখা দিছে। ৰোগীয়ে ভাবিছে যে তেওঁ নাক মাৰিছে, হয়তো তেওঁৰ টোপনি সম্পূৰ্ণ হৈছে। অৱশ্যে সেই সময়ত মগজুলৈ পৰ্যাপ্ত পৰিমাণৰ অক্সিজেন পোৱা নাই। ফলত তেওঁ পৰ্যাপ্ত পৰিমাণৰ টোপনি নাপায়। পিছদিনা কাম কৰাৰ সময়ত সেয়া বুজা যায়। শৰীৰটো গোটেই দিনটো ভাগৰুৱা হৈ থাকে। টোপনিৰ লগত শৰীৰৰ স্বাভাৱিক কাৰ্যকলাপৰ সম্পৰ্ক আছে। টোপনিৰ সময়ত শৰীৰৰ কোষবোৰে নিজকে মেৰামতি কৰে, মগজুৱে জিৰণি লয়, আৰু বিভিন্ন হৰম'নৰ ভাৰসাম্য শুদ্ধ হয় গতিকে টোপনিৰ সময় কমি বা অস্বাভাৱিকভাৱে বৃদ্ধি পালে শৰীৰৰ এই প্ৰাকৃতিক প্ৰক্ৰিয়াবোৰ বিঘ্নিত হ'ব পাৰে। চিকিৎসকগৰাকীয়ে কয় যে নিয়মিতভাৱে ৬ ঘণ্টাৰ কম বা ৯ ঘণ্টাৰ অধিক শুই থাকিলে দীৰ্ঘম্যাদী হৃদৰোগ হ'ব পাৰে। তেওঁৰ ভাষাত, বহুক্ষেত্ৰত কোৱা হয় যে এনে অভ্যাসে কিছুমান প্ৰকাৰৰ কেন্সাৰৰ সম্ভাৱনাও বৃদ্ধি কৰিব পাৰে, কিন্তু এই ক্ষেত্ৰত কোনো প্ৰমাণ পোৱা নাযায়। কিন্তু হয়, যদি হৃদযন্ত্ৰ আৰু টোপনিৰ



এইবা সেই ফালে হেঁচা পৰে। টোপনিৰ অভাৱে শৰীৰত মানসিক চাপৰ হৰম'ন বৃদ্ধি কৰিব পাৰে। ফলত ৰক্তচাপ বৃদ্ধি, প্ৰদাহ বৃদ্ধি, ৰক্তবাহী নলীত অত্যধিক চাপ আদি সমস্যাৰ সৃষ্টি হ'ব পাৰে। ডাক্তৰে কয়, বেছি টোপনিৰ আঁৰতো টোপনি কম হয়। টোপনিৰ অভাৱৰ বাবে টোপনি অস্বাভাৱিকভাৱে বৃদ্ধি পাব পাৰে। কেতিয়াবা মানসিক চাপৰ বাবেও টোপনি বৃদ্ধি হ'ব পাৰে। সেইটোৱেও স্বাস্থ্যৰ ওপৰত একেধৰণৰ ক্ষতিকাৰক প্ৰভাৱ পেলাব পাৰে। যেনেকৈ অত্যধিক টোপনিয়ে সমস্যাৰ সৃষ্টি কৰিব পাৰে, অত্যধিক টোপনিয়ে শৰীৰৰ বাবে বেয়া হ'ব পাৰে। অৰ্থাৎ টোপনিৰ ক্ষেত্ৰত ভাৰসাম্যতা গুৰুত্বপূৰ্ণ।

# সহজ যোগাসনে সহায় কৰিব পাৰে গেছ- হাৰ্টবাৰ্ণ-পেট ফুলাৰ

**বাঙালীৰ** গেছ আৰু হাৰ্টবাৰ্ণৰ সমস্যা যেন চিৰন্তন। আনকি এন্টাচিড মুষ্টিমেয় সেৱন কৰিলেও সমস্যাৰ সমাধান নহয়। অলপ বেছিকৈ খালে পেট গধুৰ হৈ পৰে আৰু পেট ফুলিব পাৰে। তাৰ সমান্তৰালকৈ ডিঙি আৰু বুকুতো জ্বলা-পোৱা হয়। যদিহে গেছৰ সমস্যা কমি নাযায় তেন্তে ইয়াৰ পৰা হৃদৰোগ হ'ব পাৰে। অনিয়মিত খাদ্যাভ্যাসে গেছ আৰু হাৰ্টবাৰ্ণৰ সমস্যা বৃদ্ধি কৰেই। তাৰ লগতে শাৰীৰিক ব্যায়ামৰ অবিহনে গেছৰ সমস্যাৰ পৰা পৰিত্ৰাণ পোৱা সম্ভৱ নহয়। কিছুমান বিশেষ যোগাসনৰ ভংগীমাই আপোনাক এই দৈনন্দিন সমস্যাৰ পৰা চিৰদিনৰ বাবে পৰিত্ৰাণ কৰাত সহায় কৰিব। প্ৰথমে ভৰি আৰু হাত দুয়োখন মাটিত ৰাখি মেকুৰীৰ ভংগীমা কৰক। ইয়াৰ পিছত এবাৰ উশাহ লওক, পিঠিখন খোলা কৰি মূৰটো তললৈ নমাই আকৌ উশাহ এৰি দিয়ক। এই আসন ৫ বাৰ অন্ততঃ ৫ মিনিটৰ বাবে অনুশীলন কৰক। এই আসনটো কৰিবলৈ প্ৰথমে পোনে পোনে বহিব লাগে। ভৰি দুখন আগলৈ মেলি দিব। এইবাৰ আঁঠু দুটা এটা ভৰিত বেঁকা কৰি তাৰ ওপৰত বহিব। ভৰিৰ গোৰোহা দুটা একেলগে ৰাখক। মেৰুদণ্ড পোন কৰি বহিব। উৰুত হাত দুখন টানকৈ ৰাখক। এই অৱস্থাত অলপ সময় বহি থাকক। এই আসনে শৰীৰত অতিৰিক্ত চৰ্বিৰ সমস্যা দূৰ কৰে। ই তলপেটত ৰক্ত সঞ্চালন স্বাভাৱিক কৰি ৰাখে। ইয়াৰ উপৰিও ই আপোনাক গেছৰ সমস্যাৰ পৰা আঁতৰাই ৰাখে। মেটত পেটত শুই থাকক। এইবাৰ পাচলিৰ দুয়োফালে হাতৰ তলুৱা মজিয়াত ৰাখক। ইয়াৰ পিছত হাত দুখন কঁকালৰ পৰা ভৰিলৈকে মাটিত ৰাখি লাহে লাহে হাতৰ তলুৱাত জিৰণি লৈ শৰীৰৰ বাকী অংশ ওপৰলৈ তুলি লওক। ইয়াৰ পিছত মূৰটো হেলনীয়া কৰি ওপৰলৈ চাওক। ২০-৩০ ছেকেণ্ড এই অৱস্থাত থকাৰ পিছত আগৰ অৱস্থালৈ উভতি যাওক। প্ৰথম অৱস্থাত এই আসন তিনিবাৰ কৰক। পিছত ৫-৬ বাৰ কৰিব পাৰে। প্ৰথমে পিঠিত শুই দুয়োখন হাত ওপৰলৈ তুলি মূৰৰ দুয়োফালে ওপৰলৈ ৰাখক। লাহে লাহে উঠি বহি আগলৈ হেলান দি দুয়োখন ভৰিৰ ডাঙৰ ডাঙৰ আঙুলি দুহাতেৰে ধৰি। ভৰি দুখনৰ মাজত কপালখন ৰাখক। আঁঠু দুটা বেঁকা নকৰিব। এই অৱস্থাত উশাহ-নিশাহ স্বাভাৱিক হৈ থাকিব। এই আসন দৈনিক কৰি হজম শক্তি ভাল বজাই ৰাখিবলৈ আৰু পেটৰ চৰ্বি কম কৰিব পাৰে। কোষ্ঠকাঠিন্যকে ধৰি পেটৰ যিকোনো সমস্যা কমোৱাৰ বাবে এই আসন উপযোগী।

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন